৪৯ সংখ্যক

# জ্যোতিষ্মান

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০২১-২২ বৰ্ষ



সম্পাদক ঃ

মৌচুম গগৈ




# গোলাঘাট বাণিজ্য মহাবিদ্যালয় সমবেত সংগীত

গীতিকাৰ ঃ পোনাৰাম নেওগ
প্ৰতিষ্ঠাপক অধ্যক্ষ

জেউতি চৰাই যাওঁ
জেউতি চৰাই যাওঁ
দুবৰি বনৰ পাতৰ আঁৰত
কিজানি মুকুতা পাওঁ।
জেউতি চৰাই যাওঁ।।

ভৱ সাগৰৰ বুকুত আমি
পাল তৰি ল'লোঁ নাও
পাল ফাটি গ'লে ব'ঠা বাই বাই
সিপাৰে কি আছে চাওঁ;
জেউতি চৰাই যাওঁ।।

মুক্ত আকাশত হংসৰ জাক
অসীম তৃষ্ণাতুৰে
আমাৰ চকুতো অসীম দৃষ্টি
লক্ষ্য বহু দূৰে
যাওঁ আগুৱাই যাওঁ।
জেউতি চৰাই যাওঁ।




নৱ জেউতিৰ পৰশত সৌৰা
মৰহা কংকালে জীৱন পালে
বন্ধ আত্মা জিকাৰি উঠিল
মুকুতিৰ মহা সংগীত গালে
শ্মশানত আমি গোলাপী সৌৰভ
বিলাই বিলাই যাওঁ।
জেউতি চৰাই যাওঁ।

জয়ধ্বনি কৰা সবে
জয় মানৱৰ জয়
জয়ধ্বনি কৰা সবে
প্ৰতিষ্ঠাতাৰ জয়।

এই মন্দিৰত সোমাই আহা
জ্ঞান-পূজাৰীৰ দল,
পণ কৰা হে দীন-দুখীয়াক
বিলাম নতুন বল
সেৱাৰ মহিমা গাঁও।
জেউতি চৰাই যাওঁ।।

৪৯ সংখ্যক

# জ্যোতিষ্মান

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী

২০২১-২২ বৰ্ষ

শ্ৰদ্ধা প্ৰীতি আৰু শুভেচ্ছাৰে....

শ্ৰী/শ্ৰীমতী......................................................................................

.........................................................................................ৰ হাতত

জ্যোতিষ্মান'ৰ এই সংখ্যাটি অৰ্পণ কৰিলোঁ।

সম্পাদক ঃ

মৌচুম গগৈ

**Golaghat Commerce College Magazine**
**JYOTISHMAN :**

*Annual Magazine of Students' Union, Golaghat Commerce College, Edited by Mousum Gogoi, Published on Behalf of Students' Union 2021-22, Golaghat Commerce College.*
*Printed at Prabhati Printers, Golaghat.*



## সম্পাদনা সমিতি—


| | | |
|---|---|---|
| **সভাপতি** | ঃ | ড° উৎপল শৰ্মা |
| **উপদেষ্টা** | ঃ | অৰিন্দম বৰা |
| | | অৰ্চনা নাথ |
| **সম্পাদক** | ঃ | মৌচুম গগৈ |
| **সামগ্ৰিক পৰিকল্পনা** | ঃ | সম্পাদক |
| **অলংকৰণ** | ঃ | পুলক বৰচেতিয়া |
| **প্ৰকাশক** | ঃ | ছাত্ৰ একতা সভা ২০২১-২২ বৰ্ষ, গোলাঘাট বাণিজ্য মহাবিদ্যালয় |
| **মুদ্ৰণ** | ঃ | প্ৰভাতী প্ৰিণ্টাৰ্ছ, গোলাঘাট |

# উসৰ্গা

*যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টা আৰু*
*নিঃস্বাৰ্থ ত্যাগৰ ফলত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে*
*আজিৰ অৱস্থাত উপনীত হ'বলৈ সক্ষম হ'ল,*
*সেই সকলৰ পৱিত্ৰ স্মৃতিত*
*এই সংখ্যাৰ জ্যোতিষ্মান উসৰ্গা কৰা হ'ল।*

**Prof. Jiten Hazarika,** M.Sc., Ph.D., PGDOR
Vice-Chancellor

**DIBRUGARH UNIVERSITY**
DIBRUGARH | PIN-786 004 | ASSAM
Phone : 0373-2370239 (Off.), Email : vc@dibru.ac.in



## Message

The Golaghat Commerce College is a premier institution of commerce education in the district of Golaghat which came into existence in the year 1972. The founder Principal of the college, *viz.*, late Punaram Neog, along with some other visionary personalities belonging to different spheres of the society felt the emerging need of setting up of a higher institution for imparting commerce education to the aspirants, basically with a view to boost the rural economy of the district by producing a group of entrepreneurs and employable commerce graduates for the government as well as the private jobs available at that time.

Though the name of the college suggests that it is a commerce college and basically which is a fact, in view of growing demands, few departments of arts have also been added to it later on for facilitating the students to carry on their higher studies in arts stream also.

It is a matter of satisfaction for the society that the college can be considered to have been successful in fulfilling its aims and objectives of its establishment.

It gives me pleasure to know that the students' union of the academic session 2021-22 of the college is in the process of bringing out the 49th Issue of its college magazine, viz., 'Jyotishman'. Such a magazine is always considered to be a valuable piece of document, as it gives the students the opportunity to develop their writing skills, whereby they can explore and evaluate themselves in the world of literature.

While appreciating your efforts, I would like to congratulate all those who have devoted their valuable time and services towards the initiative.

With best wishes,

Date : 20th September, 2022

**(Jiten Hazarika)**



# অধ্যক্ষৰ মেজৰ পৰা

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে প্ৰতিষ্ঠাকালিন সময়ৰ পৰা পঞ্চাছটা বছৰ অতিক্ৰমি বৰ্তমানে পৰিপূৰ্ণতা লাভ কৰিছে। বিশ্ব বিদ্যালয় অনুদান আয়োগৰ দ্বাৰা B গ্ৰেড প্ৰাপ্ত মহাবিদ্যালয়খনি গোলাঘাট জিলাৰ ভিতৰত এখনি আগশাৰীৰ শিক্ষানুষ্ঠান। সোণালী জয়ন্তীৰ এই শুভ মুহূৰ্তত প্ৰকাশ হ'বলগীয়া এই আলোচনীখনৰ গুৰুত্ব অপৰিসীম।

গোলাঘাট বাণিজ্য মহাবিদ্যালয় বৃহত্তৰ গোলাঘাট জিলাৰ গৌৰৱৰ থল তথা বাণিজ্য বিভাগত উচ্চ শিক্ষাৰ একমাত্ৰ প্ৰতিষ্ঠান এই মহাবিদ্যালয়খনিয়ে আৰম্ভণিৰে পৰা ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাগ্ৰহণৰ লগতে বৌদ্ধিক চিন্তা চৰ্চাৰ দিশত আগবাঢ়িব পৰাকৈ এখনি উপযুক্ত ক্ষেত্ৰ প্ৰদান কৰিছে। এই ক্ষেত্ৰত মহাবিদ্যালয়ৰ মুখপত্ৰ 'জ্যোতিষ্মান' ও ছাত্ৰ-ছাত্ৰী সকলক প্ৰধানকৈ সহায় কৰি আহিছে।

জ্যোতিষ্মানত ছাত্ৰ-ছাত্ৰী তথা অধ্যাপক অধ্যাপিকা বৃন্দৰ লেখা সন্নিবিষ্ট কৰি আলোচনীখন সৰ্বাঙ্গসুন্দৰ ৰূপত হ'ব বুলি জানি আনন্দিত হৈছো। ছাত্ৰ-ছাত্ৰী সকলৰ শৈক্ষিক, সাংস্কৃতিক আদি দিশ সমূহ এই আলোচনীখনে প্ৰতিফলিত কৰাত প্ৰভূত সহায় আগবঢ়াব আৰু বৌদ্ধিক বিকাশ ঘটাব বুলি মই আশাবাদী।

শেষত জ্যোতিষ্মানৰ লেখক-লেখিকা, ছাত্ৰ-ছাত্ৰীসকললৈ আন্তৰিক শুভেচ্ছা আৰু সম্পাদনা সমিতিলৈ কৃতজ্ঞতা জ্ঞাপন কৰি আলোচনীখনৰ সফল প্ৰকাশ কামনা কৰিলো।

**(ড° উৎপল শৰ্মা)**
**অধ্যক্ষ**
**গোলাঘাট বাণিজ্য মহাবিদ্যালয়**

## সম্পাদনা সমিতি




ড° উৎপল শৰ্মা
অধ্যক্ষ



ড° উৎপল শৰ্মা
সভাপতি



অৰিন্দম বৰা
উপদেষ্টা



অৰ্চনা নাথ
উপদেষ্টা



মৌচুম গগৈ
সম্পাদক




মহাবিদ্যালয়ৰ শিক্ষক গোটৰ একাংশ



গ্ৰন্থাগাৰৰ কৰ্মচাৰীবৃন্দ




মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু কৰ্মচাৰীবৃন্দ

# সম্পাদকীয়





## অসমীয়া সাহিত্য জগতত আলোচনীৰ ভূমিকা



**আ**লোচনী এখনে সমাজত কেনে প্ৰভাৱ পেলায় সেয়া বিচাৰ্য বিষয়। মহাবিদ্যালয়, বিশ্ববিদ্যালয় পৰ্যায়ত প্ৰকাশিত আলোচনীয়েও অসমীয়া সাহিত্য জগতত যথেষ্ট অৰিহণা যোগোৱা দেখিবলৈ পোৱা যায়। কিয়নো মহাবিদ্যালয়, বিশ্ববিদ্যালয়ত প্ৰকাশিত সাহিত্য আলোচনীক আধাৰ হিচাপে লৈ সৃষ্টি হয় নবীন সাহিত্যিকৰ। বিশ্ববিদ্যালয় পৰ্যায়ত প্ৰকাশিত আলোচনী এখনে সমাজলৈ বাৰ্তা প্ৰেৰণ কৰিব পাৰে। এনে আলোচনীত সন্নিবিষ্ট হৈ থাকে যুৱ প্ৰজন্মৰ চিন্তা-চৰ্চা আৰু সৃষ্টিশীল মনোভাৱ। সামাজিক ক্ষেত্ৰখনলৈ নতুনত্ব কঢ়িয়াই অনা এই আলোচনীসমূহেই একোখন সমাজক প্ৰতিনিধিত্ব কৰিব পাৰে। ঠিক একেদৰেই মহাবিদ্যালয়ৰ পৰ্যায়ৰ আলোচনীয়ে ন-কৈ উঠি অহা এজাক কিশোৰ-কিশোৰীক সাহিত্যৰ নানা দিশৰ লগত পৰিচয় কৰায়। ভৱিষ্যতে এজন ভাল সাহিত্যিক হোৱাৰ বাট দেখুৱায়। সাহিত্যৰ ভেটি প্ৰতিষ্ঠা কৰাৰ ক্ষেত্ৰত মহাবিদ্যালয়-বিশ্ববিদ্যালয় পৰ্যায়ৰ এই আলোচনীসমূহৰ গুৰুত্ব প্ৰণিধানযোগ্য।


আলোকেৰে দীপ্ত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী 'জ্যোতিষ্মান' মহাবিদ্যালয় প্ৰতিষ্ঠা হোৱা পিছৰ বৰ্ষৰ পৰাই ধাৰাবাহিকভাৱে প্ৰকাশ হৈ আহিছে। 'জ্যোতিষ্মান' আলোচনীখনে মহাবিদ্যালয়খনৰ একোটা বৰ্ষৰ স্মৃতিও ধৰি ৰাখে। সাহিত্য সমাজৰ দাপোণ স্বৰূপ। সাহিত্য অবিহনে

একোখন সমাজৰ অস্তিত্ব শোচনীয়। সাহিত্যৰ ভেটি প্ৰতিষ্ঠিত হয় কাকত-আলোচনীৰ ওপৰত ভিত্তি কৰিয়ে। এই কাকত-আলোচনীৰ ইতিহাস বহু পুৰণি। অসমীয়া সাহিত্য জগতৰ কাকত-আলোচনীৰ কথা আলোচনা কৰিলে আমি প্ৰথমেই নাম ল'ব লাগিব 'অৰুণোদই' কাকতৰ। ১৮৪৬ চনত খ্ৰীষ্টান মিছনেৰী নাথান ব্ৰাউনৰ দ্বাৰা সম্পাদিত এই কাকতেই আধুনিক অসমীয়া সাহিত্য চৰ্চাৰো বুনিয়াদ ৰচনা কৰা প্ৰথমখন কাকত। সেই তেতিয়াৰ পৰা বৰ্তমানলৈকে কাকত-আলোচনীয়ে সাহিত্যৰ ভেটি শক্তিশালী কৰি আহিছে। এই কাকত-আলোচনীসমূহৰ ভিতৰত 'জোনাকী', 'বাঁহী'কে ধৰি 'আসাম বিলাসিনী', 'অসম দৰ্পণ', 'আসাম দীপক', 'আসাম নিউজ', 'আসাম বন্ধু', 'মৌ' আদিয়ে অসমীয়া সাহিত্যত একোটা যুগৰ সৃষ্টি কৰিছিল। কলিকতাত পঢ়িবলৈ যোৱা তিনিজন ছাত্ৰ লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰ কুমাৰ আগৰৱালা আৰু হেমচন্দ্ৰ গোস্বামীৰ সহযোগত ১৮৮৯ চনত 'জোনাকী' আলোচনী প্ৰকাশ পায়। অসমীয়া সাহিত্য জগতত 'জোনাকী' আলোচনীয়ে এটি নতুন যুগৰ সূচনা কৰে। জোনাকী আলোচনীৰ পাততেই প্ৰথম অসমীয়া ৰোমান্টিক কবিতা 'বনকুঁৱৰী' প্ৰকাশ হয়। ইয়াৰোপৰি চুটিগল্প, ৰস ৰচনা, প্ৰবন্ধ, আত্মজীৱনী আদিৰ দৰে নতুন সাহিত্যৰ ধাৰাৰ উদ্ভৱ হ'বলৈ ধৰিলে।

সাহিত্যৰ লগত জড়িত থাকি ভালপোৱাৰ বাবেই মহাবিদ্যালয়ৰ আলোচনী সম্পাদকৰ দায়িত্ব লৈছিলো। সফলতা কিমান পালো নাজানো কিন্তু এখন আলোচনী সম্পাদনাৰ ক্ষেত্ৰত থকা সম্যক সকলো জ্ঞানৰ দ্বাৰাই এই ৪৯তম্ আলোচনী আপোনালোকলৈ আগবঢ়ালো। আশাকৰো প্ৰত্যেক বৰ্ষতে আলোচনী সম্পাদনাৰ বাবে একোগৰাকী উৎসাহী ছাত্ৰ-ছাত্ৰী ওলাই আহক আৰু 'জ্যোতিষ্মান'ৰ আলোকেৰে দীপ্ত কৰি তোলক গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

শেষত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপদেষ্টাদ্বয় ক্ৰমে শ্ৰীযুত অৰিন্দম বৰা, শ্ৰীযুতা অৰ্চনা নাথ তথা মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী শ্ৰীযুত জীৱনজ্যোতি কাকতি ছাৰ, শ্ৰীযুতা হিমাদ্ৰী গগৈ, শ্ৰীযুতা মালতী বাংথাই বাইদেউক বিশেষ ভাৱে এই সংখ্যাৰ 'জ্যেতিষ্মান'খনি প্ৰকাশৰ ক্ষেত্ৰত কৰা আৱশ্যকীয় তথা উপযুক্ত সহায় বাবে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। 'জ্যোতিষ্মান' আলোচনীখন ছপা কৰি উলিয়াই দিয়াৰ বাবে 'প্ৰভাতী প্ৰিৰ্ন্টাছ'ৰ স্বত্বাধিকাৰ প্ৰমুখ্যে কৰ্মচাৰীসকলক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিলোঁ। সদৌ শেষত 'জ্যোতিষ্মান' আলোচনীৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

**✍ মৌচুম গগৈ, সম্পাদক**
**৪৯ তম জ্যোতিষ্মান**



# সূচীপত্ৰ



## সাহিত্য বিবিধা ঃ কবিতা


| | | |
|---|---|---|
| সুখৰ দলিল | ✍ চৈয়দ তমজিদুৰ ৰহমান | ১৫ |
| তুমি বিহীন | ✍ ভাস্কৰ জ্যোতি ভঁৰালী | ১৫ |
| বিহুৰ হাটত চাৰিখন হাত | ✍ হেমন্ত কুমাৰ শইকীয়া | ১৬ |
| মইনাজাক | ✍ খ্ৰীষ্টজ্যোতি দাস | ১৬ |
| গধূলিৰ মেলা | ✍ মলয়া বৰা | ১৭ |
| গোলাঘাট বাণিজ্য মহাবিদ্যালয় | ✍ সৌৰভ গগৈ | ১৭ |
| পৰম বন্ধু | ✍ প্ৰণামী কাশ্যপ দাস | ১৮ |
| দাস | ✍ অৰূপা বৰা | ১৮ |
| নিস্তব্ধতা | ✍ দেৱাংগ ৰাজ পূজাৰী | ১৮ |
| নিৰিবিলি ৰাতি | ✍ ৰক্তিম দাস | ১৯ |
| শিক্ষক | ✍ নীলম সাহু | ১৯ |
| তুমি | ✍ দিপু বৰা | ১৯ |
| महंगाई की मार | ✍ आसीफ आली | ২০ |
| **My thought to the Nature...!** | ✍ **Risa Bailung** | ২০ |
| **Batch 2019** | ✍ **Sneha Bakshi** | ২০ |



# সূচীপত্ৰ

## প্ৰবন্ধ


- আত্মজীৱনীমূলক গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা ✍ চিমা শইকীয়া ২৩
- এন চী চী (NCC) ✍ প্ৰিয়া কাশ্যপ ২৪
- প্ৰেম এক অনিৰ্বচনীয় অনুভৱ ✍ প্ৰস্তুতি শৰ্মা ২৫
- ম'বাইল ফোন আৰু ছাত্ৰ জীৱন ✍ বন্যা হাজৰিকা ২৬
- মিচিং জনগোষ্ঠীৰ সাজ-পাৰ ✍ অৰ্পনা মৰাং ২৭
- বিষ্ণুৰাভা ঃ শিল্পীৰ পৰা বিপ্লৱীলৈ ✍ মৌচুম গগৈ ২৮
- প্ৰকৃতি আৰু জীৱকুলৰ ওপৰত তলাবন্ধৰ যোগাত্মক প্ৰভাৱ ✍ মাইনা গগৈ ৩০
- চুকাফা ✍ সংগীতা তাঁতী ৩১
- গুৰুজনাৰ অপূৰ্ব সৃষ্টি সত্ৰ আৰু সত্ৰীয়া সংস্কৃতি ✍ জিতুস্মিতা শইকীয়া ৩২
- বীৰাংগনা কনকলতা ✍ আস্থা প্ৰিয়া বৰা ৩৪
- **Rabindra nath tagore** ✍ **Mriganku bordoloi** ৩৬
- কলীয়াভোমোৰা এটি চমু পৰিচয় ✍ কস্তুৰী বৰা ৩৭
- **Women's Empowerment** ✍ **Puja Singh** ৩৮



# সূচীপত্ৰ

## গ্ৰন্থ সমালোচনা


❒ মোৰো এটা সপোন আছে ✍ ৰিম্পী শইকীয়া ৪১

❒ **Three Mistakes of My life** ✍ **Jitendra Singh** ৪৪


## ভিন্ন জন ভিন্ন অনুভৱ


❒ কৃষি আইন ২০২০ আৰু কৃষক বিদ্ৰোহ ঃ এক চমু অৱলোকন ✍ সৌৰভ শইকীয়া ৪৭

❒ শিক্ষাৰ প্ৰয়োজনীয়তা ✍ তৃষ্ণা সন্দিকৈ ৪৮

❒ যুৱ উচ্ছৃংখলতা ✍ ৰিমঝিম বৰা ৪৯

❒ বুৰঞ্জীপ্ৰসিদ্ধ গোলাঘাটৰ বিখ্যাত ঠাই ঃ টেঙানি, কছাৰীহাট আৰু কাছমাৰী নামাংকৃত হোৱাৰ আঁৰৰ কিছু কথা। ✍ বিনন্দ গগৈ ৫০

❒ **Impact of Covid-19 on Indian Economy** ✍ **Ruhi Khatun** ৫১

❒ মুদ্ৰাস্ফীতিৰ আঁত বিচাৰি ✍ তৰুলতা মিশ্ৰা ৫২

# সূচীপত্ৰ



## অনুভৱ আৰু অভিজ্ঞতা


- স্মৃতি ৰোমন্থন ✍ নিলম বৰা ৫৫


## কথোপ কথন


- অৰূপা পটঙ্গীয়া কলিতাৰ সৈতে বাৰ্তালাপ সাক্ষাৎ গ্ৰহণ ঃ মৌচুম গগৈ ৫৯


## অতিথিৰ একলম.......


- জীৱন ✍ পাপৰি শইকীয়া বৰা ৬৩


## বাৰ্ষিক প্ৰতিবেদন


- ছাত্ৰ একতা সভাৰ বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ৬৭-৮১


## মহাবিদ্যালয়ৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল


- বাৰ্ষিক ক্ৰীড়া সপ্তাহ- ২০২১ ৮৩-৮৪

# সাহিত্য বিবিধা ঃ কবিতা

কবিতাই কথা কয় হৃদয়ৰ
কবিতাই কথা কয় সমাজৰ
কবিতাই কথা কয় চেতনাৰ
কবিতা চেতনালব্ধ শব্দৰ মিশ্ৰণ।



# সুখৰ দলিল

✍ চৈয়দ তমজিদুৰ ৰহমান

পৰিৱেশ সলনি হ'ব,
ইমানটো মোৰো বিশ্বাস আছে।
কি পালো, কি হেৰুৱালো
তাৰ হিচাপনো কিমানে কৰে!

আজি যি আছে,
সেয়াও হেৰাই যাব দুদিন পিছত।
কিনো চাবা অতীতৰ পৃষ্ঠা খুঁচৰি!
যিবোৰ থাকি গ'ল পাবলৈ,
কি ঠিক সময়ে দিয়ে নেকি ঠেলি
পুনৰ তোমাৰ কাষলৈ...

সুখ বিচাৰি আৰু কিমান দৌৰিবা তেওঁৰ পিছত?
অসংখ্য সমস্যাৰ মাজতো প্ৰকৃত আপোনজনে
তোমাৰ সুখৰ সন্ধানচোন বিনাচৰ্তে কৰিবই...
অৱশ্যে সুখৰ ৰঙেৰে ফাকু খেলিবলৈ,
কেতিয়াবা কৰাল বান্ধিব লোৱা সম্পৰ্কবোৰত
ৰঙীন প্ৰলেপ তুমিও সানিব লাগিব।
সময়ক মুঠিত ৰাখি,
পচন্দৰ পৰিৱেশ তুমি নিজেই গঢ়িব লাগিব...

# তুমি বিহীন

✍ ভাস্কৰ জ্যোতি ভঁৰালী

সপোনবোৰ নো আৰু কিমান দেখিম,
সময়বোৰ নো আৰু কিমান পাৰ কৰিম???
অতীতবোৰ কিমান নো আৰু উনুকিয়াব লাগিব......
বৰ্তমানক আৰু কিমান গ্ৰহণ কৰিব লাগিব.....
ভৱিষ্যত যে তুমি বিহীন।

হেপাঁহৰ দলিচাখন পাৰিহে গৈছো......
কিন্তু তুমি জানো গছকি আহি হিয়াৰ দুৱাৰদলি পাবাহি???
কেতিয়াবা চিন্তা হয়,
মইচোন একপক্ষীয়।
থমকি ৰ'ব ল'গা হয়, চালকবিহীন বাছৰ যাত্ৰী যেন অনুভৱ হয়।
শেষত বাস্তৱে চিএঞৰ দিয়েহি,
তুমি বিহীন, তুমি বিহীন মই।
পুনৰ বৰ্তমানক গ্ৰহণ কৰি যেন সুখী মই।
বাস্তৱৰ দৃশ্যখন সহজ নহয়।
তুমি বিহীন, তুমি বিহীন মই.........



# বিহুৰ হাটত চাৰিখন হাত

✍ হেমন্ত কুমাৰ শইকীয়া

কণ্টকময় পথটোৰ দাঁতিতে জিৰাবলৈ লৈছো
বহাগৰ কথা , মানুহ আহি আছে, গৈ আছে!
প্ৰতিখন মুখতে এমোকোৰা হাঁহি জিলিকিছে
এই হেন বজাৰৰ সৰু সৰু অলিয়ে গলিয়ে মানুহ!!

কিৰিৰিং" " " কিৰিৰিং " " "
হঠাৎ কাষতে বৃদ্ধজনৰ
পুৰণাকলীয়া চোলাটোৰ আগজেপত
এটি মবাইল বাজিছে ।

মই দেখি আছো,
কত মানুহে হাঁহিছে, ক'ত মানুহে নিজা বক্তব্য দিছে
তাৰ মাজতো দুহাতে ফুলৰ পাহি যেন কণমানিক লৈ
বৃদ্ধজন হাটলৈ বাট বুলিছে!!

মবাইল স্ক্ৰিণৰ পোহৰ, দিনৰ পোহৰতকৈ কম
চকুহালো বয়সৰ চাপত জলক টপক দেখিবলৈ লৈছে
চাৰিকুৰি পাৰ হোৱাৰ নিচান
হাত মুখৰ চাল শোতোৰা শোতোৰ পৰিল!!
ৰাস্তাৰ দাতিঁলৈ উঠিল
সোঁহাতখন মুকলি কৰি জেপৰ মবাইল নাতিনীক দিলে!!
ফোনটো যেন কোনোবা আপোন মানুহেই কৰিছিল
কিন্তু কথাহে পতা নহ'ল!
মই সকলো চাই আছিলো!!
অথচ ওচৰলৈ গৈ সঁহাৰি জনাবলৈও বেয়া লাগিল
কিজানি মনৰ আন দুখত কষ্ট পাই।
মই চাই আছো তেতিয়াও!!



কণমানি এজনীয়ে দোকান এখনৰ পৰা কিবা ল'ব বিচাৰিলে
বিচাৰিলে মানে হাতৰ পলকৰ পৰা আতঁৰি গৈ দোকান পালেগৈ
হাতৰ মুঠিত সযতনে ৰাখি থোৱা দহ টকাৰে দুয়োলৈ কিবা ল'লে
আকৌ লাহে লাহে ৰাস্তাটোৰ ফালে বুলি বাট ল'লে
মই অবাক হৈ পৰিলো !!
এই হেন বিহুৰ বতৰত কোন কাৰ লগত ক'ত গৈছে ৰ ঠিকনা নাই
কিন্তু
মোক যেন বহু কথাই উনুকিয়াই থৈ গ'ল
সেই বৃদ্ধৰ হাত দুখনত লাগি থকা চাৰিখন হাতৰ মুখ কেইখনে!!

# মইনাজাক

✍ খ্ৰীষ্টজ্যোতি দাস

প্ৰভাতৰ ৰ'দালিৰ মিঠা আৰৰণত
কিনো মিঠা গীত জোৰা,
নীল আকাশত দুপাখি মেলি
অমিয় সুৰেৰে তুমি
মানুহৰ মন আকৰ্ষিত কৰা।
স্পন্দিত কণ্ঠৰ হে মইনাজাক
হৃদয়ত বঢ়াই যোৱা
ৰঙীণ আঁকবাঁক।।



# গধূলিৰ মেলা

✍ **মলয়া বৰা**

এখন জৰুৰী মেলা
আয়োজন গধূলি বেলা।
সম্পাদিকাৰ পদত শিয়ালী,
ৰজা সিংহৰ সভাপতিত্ব,
আছে গুজৰি, গুমৰি।
উপস্থিত ককাই বাঘ
পদবী নাপাই লাজ।
আছে হৰিণ,
আছে ভালুক, আছে জিৰাফ,
আছে কেটেলা ইত্যাদি...
মুঠৰ ওপৰত অতিকৈ
জৰুৰী মেলা।
সভাপতিৰ সভাৰ উদ্দেশ্য ব্যাখ্যা
মানৱ নামৰ জীৱ
অতিকৈ ভয়ানক
লাগে সকলোকে প্ৰাণৰ ৰক্ষা।
নাভাবে সিহঁতে ভৱিষ্যতৰ কথা,
কাটিছে গছ, কৰিছে আমাৰ বাসস্থান ধ্বংস,
নিজকো নিঃশেষ কৰি
পূৰাইছে মাত্ৰ জিজ্ঞাসা।।
সেই হেতু সভাৰ যোগেদি
ঈশ্বৰলৈ কৰিম প্ৰেৰণ স্মাৰকপত্ৰ,
জ্ঞান বৃদ্ধি কৰক সিহঁতৰ
থকাবোৰেই হোৱা নাই পৰ্যাপ্ত
জীয়াই ৰাখে যেন জৈৱ বৈচিত্ৰ্য।

# গোলাঘাট বাণিজ্য মহাবিদ্যালয়

✍ **সৌৰভ গগৈ**

আকাশৰ তিৰবিৰ্ তৰাৰ মাজত
গোলাঘাট বাণিজ্য মহাবিদ্যালয়
তুমিয়েই জ্ঞানৰ পোহৰ
আকাশৰ চাকি
তোমাৰ কোলাত উঠি
সকলোৱে বিচাৰে
জ্ঞানৰ জ্যোতি
তুমিয়েই আলোকৰ সহযাত্ৰী
তোমাৰ আলোক ধাৰাত
সকলোকে দিলা
জ্ঞানৰ নিৰ্মালি
তোমাৰ কোলাতেই
নতুন জীৱন গঢ়াৰ পথ
ক'তজনক দিলা দেখুৱাই
তোমাৰ জ্ঞানৰ আলোকেৰে
পুলকিত হৈ ক'ত জন
হ'ল মহান
তুমিয়ে আমাৰ
জ্ঞানৰ মাতৃ
তোমাৰ অবিহনে
নজ্বলে আমাৰ
জ্ঞানৰ বন্তি।।



# পৰম বন্ধু

✍ **প্ৰণামী কাশ্যপ দাস**

সফলতা আনন্দময় সফলতা ৰহস্যময়
সফলতা জনপ্ৰিয়তাৰ পৰিচয়,
সফলতাৰ আনন্দ যে কিমান
কৈ দিব নোৱাৰি নিশ্চয়।
আপুনি আপোনাৰ ভাগ্যৰ নিয়ন্ত্ৰণকৰ্তা
আপুনি আপোনাৰ শত্ৰু,
আপুনি আপোনাৰ উন্নতিৰ সাফল্যৰ
চিৰ জীৱনৰ পৰম বন্ধু।
অধ্যয়ন অনুশীলনে জ্ঞানৰ বিদ্যা শিক্ষা
কৰ্তব্য হ'ল যাদু বিদ্যা,
বিশ্বাস পৰিত্ৰাণ বুদ্ধি আৰু সাহস
ঐতিহ্য অসীম বিদ্যাৰ দীক্ষা।
এই সুন্দৰ জীৱন সংগ্ৰামৰ থলীত
সংগ্ৰাম কাৰ্যৰ মমতা
ধন-বল, জন-বল আত্মবল মনোবল হ'ল
বাস্তৱ জীৱনত সংগ্ৰামৰ বিজয় পতাকা।।





# দাস

✍ **অৰূপা বৰা**

কাৰাগাৰত আছো যেন মই
দাসত্বৰ বলী হৈ
দুখ-দুৰ্দশা পাহৰি
জীয়াতু ভুগি আজিও
হৈ আছো দাস।
কটাইছো দাসৰ জীৱন
মালিকনিৰ গালি-গালাজৰ
মাজত থাকি
কচ্চুট কপট কথাবোৰ শুনি
নিজ ভাৱে কাম কৰি গৈছো মই
ৰাতিৰ আন্ধাৰবোৰ আঁতৰিলেই
আকৌ কামৰ নিৰ্দেশ পাওঁ।
এনেদৰেই কটাইছো মই
দাসৰ জীৱন
কামৰ জীৱন
য'ত দয়া মমতাৰ কোনো স্থান নাই।...

# নিস্তব্ধতা

✍ **দেৱাংগ ৰাজ পূজাৰী**

নিস্তব্ধতা
কেৱল নিস্তব্ধতা
চাৰিওফালে কেৱল নিস্তব্ধতা
চহৰৰ অৰণ্ডে দৰণ্ডে
গাঁৱৰ আলি পদূলিয়ে
কেৱল নিস্তব্ধতা
কেতিয়াবা ভাবোঁ
কি হ'ব?
কি হ'বলৈ গৈ আছে?
অকল নিস্তব্ধতাই
আগুৰি পেলাব নেকি, জীৱনটো?
চাৰিওফালে কেৱল
আক্ৰান্ত আৰু আক্ৰান্ত।
নিস্তব্ধতাৰ আঁৰে আঁৰে যেন
মই ঘূৰিছো,
গোটেই মানৱ জাতিৰ লগত যেন
প্ৰকৃতিয়ো সোমাই পৰিছে
নিস্তব্ধতাৰ কৰাল গ্ৰাসত।



# নিৰিবিলি ৰাতি

✍ **ৰক্তিম দাস**

নিৰৱ নিৰৱচ্ছিন্ন প্ৰতি পলে
বাৰে ৰহনীয়া সপোনবোৰে
পোৱা নোপোৱাৰ ঢৌ বোৰে
উটি ভাঁহি দিগভ্ৰান্ত হৈ লুপ্ত পৰে।
থৌকি বাথৌকি প্ৰতি পল, প্ৰতি ক্ষণ
কঢ়িয়াই আনন্দত সুবাস।
সেই আনন্দত বিন্ধে কাঁইটে।
সপোনৰ পোখাই পোখা মেলি
বাৰুকৈয়ে আমনি কৰে।
আনন্দতেই মতলীয়া হৈ
ৰজনীগন্ধা মলমলায়।
দিঠকত অসফল, অপ্ৰাপ্তিৰে ভৰা।
নাযায় ৰাতি, নাযায় প্ৰতি ক্ষণ।
এতিয়া যুঁজাৰ সময় দুৰন্তৰ দিগবলয়
ফালে আগবঢ়াৰ সময়।
সপোনবোৰ সপোন হৈ থাকিলে নহ'ব
দিঠকত পৰিণত হ'বই লাগিব।



# তুমি

✍ **দিপু বৰা**

সোঁৱৰণিৰ নীলিম আকাশ খনিলৈ আজি
বৰকৈ মনত পৰিছে,
নিৰৱতাই বিৰাজ কৰা সময়কণত
দুগালেৰে বৈ অহা অশ্ৰু দুধাৰিয়ে নিৰৱতা
ভাঙিছে
সময়ৰ গতিত আজি সকলো
ধাৱমান, তুমিও ধাৱমান সেই গতিত।
মাথো মইহে বৈ গলো
সেই পুৰণিবোৰ লগত, নিৰৱতাই বিৰাজ কৰা
সেই সময়বোৰ লগত।
নতুনত্বৰ বা লগা তোমাৰ জীৱনত মই এটি
নিছিন্ন পথৰ সোঁৱৰণি, কিন্তু মোৰ বাবে
তুমি এখনি মেঘাচন্ন আকাশৰ সুকোমল
ৰ'দৰ জিলিঙনি।

# शिक्षक

✍ **नीलम साहु**



शिक्षक हमारे मार्ग के है दाता,
शिक्षक हमारे कर्म के है दाता।।
बिना शिक्षक के हम विद्यार्थीयों ने
कहाँ अपने जीवन को है जाना।।

शिक्षक से है पहचान हमारी।
शिक्षक से है शान हमारी।।
क्योकि शिक्षक से होती है।
जिन्दगी सफल हमारी।।

सूरज के बिना सुबह नही होती।
चाँद के बिना रात अनुपम नही होती।।
और शिक्षक के मार्ग दर्शन के बिना।
हम विद्यार्थीयो की जीवन सफल नही होती।।



## महंगाई की मार

✍ आसीफ आली

आई रे आई महँगाई।
लेके बेरोजगारी की भार।।
दिन प्रति दिन बढ़ती जा रही महँगाई।
परी अर्थव्यवस्था पर भारी  मार।।
आई रे आई महँगाई।
लेके बेरोजगारी की भार।।



## My thought to the Nature...!

✍ Risa Bailung

Look deep into Nature,
and then you will
understand everything
better
An into the  forest
I go,
to lose my mind
and find my
soul
who else love that
earthy small when
rain hits the ground.!
In the woods we return
to reason and faith
and at the end
Every sunset has a different
Vibe...!

## Batch 2019

✍ Sneha  Bakshi

We came here  hiding
dreams behind the smile,
But, we are leaving  hiding
tears behind the same smile.

We came here with a
bunch of queries about our new lives.
But, we are leaving with a
bunch of memories for rest of our lives

We came here and shifted,
to  friends from strangers,
But, we  are leaving and shifting
again from friends to strangers.

We came here and waited marks in exams
which will eventually fade away with time.
But we are leaving with foot prints
of memories which will never fade away from our mind.

e came here  and wanted express
verything  but were too shy,
e felt about the people we care,
ut, We are leaving by hiding everything
e felt, because we can't dare  to cry.

e came here saying we will live
ithout creating new bonds
ut we are leaving now and
an't live without these new bonds.

# প্ৰবন্ধ

চিন্তাশীল শব্দৰ মাজেৰে
প্ৰকাশ পোৱা সময়,
সমাজ আৰু ব্যক্তিত্ব



# আত্মজীৱনীমূলক গ্ৰন্থ অধ্যয়নৰ প্ৰয়োজনীয়তা

✍ চিমা শইকীয়া

একজন ব্যক্তিৰ কৰ্ম জীৱনৰ যথাযথ তথা নিৰপেক্ষ ইতিহাসেই হ'ল জীৱনী। জীৱনী গ্ৰন্থৰ লেখকে প্ৰচুৰ শ্ৰম কৰি সংশ্লিষ্ট ব্যক্তিৰ জীৱনৰ বিভিন্ন তথ্য আৰু ঘটনা সংগ্ৰহ কৰে। পাছত আবেগহীন ভাষা আৰু বৰ্ণনাৰে সেইবোৰ ঘটনাক লিপিবদ্ধ কৰি গ্ৰন্থৰ ৰূপ দিয়ে। জীৱনী গ্ৰন্থত লেখক কল্পনাবিলাসী হোৱাৰ উপায় নাই; ব্যক্তিগত অনুভূতি প্ৰকাশৰ সুযোগো সীমাবদ্ধ। ইতিহাসৰ শুদ্ধ তথা সম্পূৰ্ণ তথ্য আৰু সততা জীৱনীগ্ৰন্থত অনুকৰণীয়। মনীষী কাৰ্লাইৰ মতে, 'ইতিহাস হ'ল মহাপুৰুষৰ জীৱনৰেই কিঞ্চিত উন্নত সংস্কৰণ।' আত্মজীৱনীমূলক গ্ৰন্থত পাঠকে ৰোমাঞ্চকৰ উপন্যাসৰ স্বাদ গ্ৰহণ কৰিবলৈ নিবিচাৰে। এটি মহৎ জীৱনৰ অনিৰ্বাণ আলোকেৰে তেওঁ নিজৰ অন্তৰক আলোকিত কৰিবলৈ বিচাৰে। ঐতিহাসিক তথ্য অক্ষুন্ন ৰাখি বিশ্ব সাহিত্যত যিকেইখন সাৰ্থক জীৱনী ৰচিত হৈছে, তাৰ ভিতৰত বছৱেলৰ ডঃ জনছনৰ জীৱনী অন্যতম। অসমীয়া সাহিত্যতো বহুকেইখন মনোৰম জীৱনী গ্ৰন্থ প্ৰকাশ হৈছে। তাৰ ভিতৰত পণ্ডিত তীৰ্থনাথ শৰ্মাৰ 'বেণুধৰ শৰ্মা', মহেশ্বৰ নেওগৰ 'শ্ৰীশ্ৰী শংকৰদেৱ', বেণুধৰ শৰ্মাৰ 'মণিৰাম দেৱান', মুনীন বৰকটকীৰ 'বিস্মৃত ব্যতিক্ৰম', আব্দুছ ছাত্তাৰৰ 'কৃষ্ণকান্ত সন্দিকৈ', তিলক দাসৰ 'বিষ্ণুৰাভা এতিয়া কিমান ৰাতি' আদিৰ নাম উল্লেখযোগ্য।

আত্মজীৱনী মূলক গ্ৰন্থ অধ্যয়নে পাঠকৰ উৎকৰ্ষ সাধনত সহায় কৰাৰ উপৰি সমাজ জীৱনৰ এখন বিশ্বস্ত চিত্ৰ উপস্থাপিত কৰি ঐতিহাসিক চেতনাকো সমৃদ্ধ কৰে। ভিক্টোৰিয়া যুগৰ কোনো জীৱনী পাঠ কৰিলে সেই যুগৰ সমাজ জীৱনৰ এখন বাস্তৱ চিত্ৰ পাঠকৰ মানস চক্ষুত প্ৰতিফলিত হয়। অনুৰূপ কাৰণতেই উনবিংশ শতিকাৰ অসমৰ সামাজিক দৃশ্যপটৰ সন্ধান কৰিবলৈ আমি সেই যুগৰ মনীষীৰ জীৱনী গ্ৰন্থৰ সহায় ল'বলগীয়া হয়। যিবোৰ জীৱনী গ্ৰন্থত সংশ্লিষ্ট ব্যক্তিগৰাকীৰ জীৱন বৰ্ণনাৰ প্ৰসংগত সমকালীন সমাজ আৰু সামাজিক মানুহৰ তথ্যসন্মত ইতিহাস উপস্থাপিত কৰা হয়, সেইবোৰ জীৱনী গ্ৰন্থ অধ্যয়নতেই পাঠক সকলোতকৈ বেছি উপকৃত হয়। মহাপুৰুষৰ জীৱনী যথাৰ্থতেই আমাৰো জীৱনৰ সঞ্জীৱনী মন্ত্ৰৰ দৰে। তেওঁলোকৰ জীৱনতো আছে আন্ধাৰ-পোহৰৰ খেল। দৰিদ্ৰতা, সততা, কষ্ট, বিফলতাৰ সৈতে তেওঁলোকৰ প্ৰতিজনেই যুঁজ কৰিছে। সোণৰ চামুচ মুখত লৈ জন্ম হোৱা বহুজনেও মানুহৰ বাবে উৰ্চগা কৰিছে নিজৰ জীৱন। জীৱনৰ বিপদসংকুল পথত তেওঁলোকৰ পথ অনুসৰণ কৰিয়েই আমি আগবাঢ়ি যোৱাৰ বাবে প্ৰেৰণা পাওঁ।

মহাজ্ঞানী মনীষীসকলৰ পদাংক অনুসৰণ কৰিলেও আমিও যে একোজন মহাপুৰুষ হৈ উঠিম, সেই আশা হয়তো দুৰাশা। কিন্তু ইয়াৰ জৰিয়তে আমাৰ সাধাৰণ জীৱনো যে সততা আৰু সংগ্ৰাম শক্তিত সুন্দৰ হৈ উঠিব তাত সন্দেহ নাই। বৰণীয় ব্যক্তিসকলৰ জীৱনী অধ্যয়নৰো সাৰ্থকতা তাতেই। বৰণীয় ব্যক্তিসকলৰ জীৱনে প্ৰমাণ কৰি গৈছে যে তেওঁলোকে কেৱল জ্ঞানগৰ্ভ উপদেশেই নিদিয়ে, নিজৰ জীৱনটোকো তেওঁলোকে অনুকৰণীয় কৰি তোলে। সেয়ে হয়তো তেনে মহাপুৰুষে ক'ব পাৰে 'মোৰ জীৱনেই মোৰ বাণী'।



# एन सी सी
# (NCC)

✍ प्रिया काश्यप

एन सी सी यानि राष्ट्रीय कैडेट कॉर्प्स (National Cadet Corps) भारत के सैन्य संगठन में से एक है। जिसके अंतर्गत छात्रों को सेना में भर्ती होने के लिए प्रारंभिक प्रशिक्षण दिया जाता है। इस प्रशिक्षण के अपशंत चात्रो को भारतीय सेना भर्ती परीक्षा में छुट प्रदान की जाती है और इस प्रशीक्षण के माध्यम से छात्रो में देश भक्ति की भावना का विकास किया जाता है। एन सी सी (NCC) एक संस्था है जिसके माध्यम से कॉलेज और विश्वविद्यालय में पढ़ रहे छात्रो को प्रशीक्षण के माध्यम से अपने जीवन को अनुशासन में रखना सिखाया जाता है, और साथ ही एक जिम्मेदार नागरिक भी बनाया जाता है। एन सी सी का संबंध भारत की तीनों सेनाओ अर्थात *थल सेना, जल सेना* और *वायु सेना* से है। एन सी सी का गठन *१६ अप्रैल १९४८* को किया गया था और इसका मुख्यालय दिल्ली में स्थित है। एन सी सी का मुख्य कथन *एकता और अनुशासन है।* यह एन सी सी के मुल्यो को दर्शाता है। एन सी सी का अपना एक झंडा है। जिसमे तीन रंग *लाल, नीला* और *आसमानी* मौजुद है। *यहाँ लाल रंग थल सेना, नीला रंग जल सेना और आसमानी रंग बायु सेना को दर्शाता है।* इस झंडे के बीच में बड़े अक्षरो एन सी सी लिखा गया है जिसके किनारे *१ कमल* के फूलो का बार्डर बनाया गया है जो *१७ राज्य निदेशालयी* का प्रतिकात्मक है। एन सी सी में तीन प्रकार के प्रमाण पत्र A, B तथा C प्रदान किए जाते है। प्रमाण पत्र १५ वर्ष से कम उम्र के लिए है। B प्रमाण पत्र प्राप्त करने के लिए अधिकतम उम्र १७ वर्ष है, B प्रमाण पत्र प्राप्त करने के दो वर्ष बाद ही छात्र C प्रमाण पत्र प्राप्त कर सकते है। A प्रमाण पत्र से छात्र कंपनी साजेंट मेंजर (CSM) तक का पद प्राप्त करता है, जबकि B प्रमाण पत्र से कंपनी जुनियर अंडर ऑफिसर (JUO) का पद प्राप्त कर सकते है। और C प्रमाण पत्र से कंपनी सीनियर अंडर ऑफिसर (CSUO) का पद प्राप्त कर सकते है। एन सी सी से C प्रमाण पत्र प्राप्त छात्र को सेना, अर्धसैनिक बलो के अतिरिक्त विभिन्न सरकारी नौकरी प्राप्त करने में सहायक सिद्ध होता है। एन सी सी देश की सेना का एक महत्वपूर्ण अंग है और यह भारतीय सेना के लिए काफी सहायक है। एन सी सी का निरंतर विकाश हो रहा है।



# প্ৰেম এক অনিৰ্বচনীয় অনুভৱ

✍ প্ৰস্তুতি শৰ্মা

**প্ৰে**ম হৃদয়ৰ নিৰ্ভৃতকোণত জন্ম হোৱা স্বতঃস্ফুত অনুভূতি। য'ত অন্তৰ্নিহিত হৈ থাকে মৰম-স্নেহ তথা শ্ৰদ্ধাৰ ভাৱ। শাৰীৰিক আকৰ্ষণ কেতিয়াও প্ৰেম হ'ব নোৱাৰে। ই অৱচেতন মনৰ প্ৰতিক্ৰিয়াহে মাথোঁ। যি এসময়ত প্ৰতিক্ৰিয়াহীন আৰু অৰ্থহীন হৈ পৰে।

আমি শিশু অৱস্থাৰ পৰাই প্ৰেমত পৰোঁ। শিশু প্ৰেম তেওঁ মাতৃ। মাতৃৰ অকৃত্ৰিম স্নেহ মুগ্ধ শিশুৱে সেই সময়ত মাকৰ বাহিৰে আন একোৱে চিনি নাপায়। লাহে লাহে শিশু এটি প্ৰপ্তবয়স্ক হৈ আহে যদিও শিশু কালতে পোৱা মৰমৰ মূল তেওঁ আজীৱন পাহৰিব নোৱাৰে। ঠিক সেই দৰে বুজা হৈ অহাৰ পৰা দেউতা, বাই-ভনী, দাদা-ভাইটি, ককা-আইতাকে আদি কৰি পৰিয়ালৰ আন আন লোকসকলৰো আমি প্ৰেমত পৰোঁ। ইয়াৰ উপৰি বন্ধুবৰ্গৰ প্ৰতি আমাৰ যি স্নেহ ভাৱ সিও এক প্ৰকাৰৰ প্ৰেমেই বুলি ক'ব পাৰি।

কেতিয়াবা প্ৰকৃতিৰ কিছুমান বস্তুৱে আমাৰ দৃষ্টি আকৰ্ষণ কৰে আৰু আমি ক্ষন্তেক সময়ৰ বাবে মন্ত্ৰমুগ্ধ হৈ পৰোঁ। ইয়ো প্ৰকৃতাৰ্থত এক প্ৰকাৰৰ প্ৰেমেই নহয় জানো। কিন্তু ইয়াত ভাল লগাৰ বাহিৰে অন্য কিবা অনুভূতি জাগেনে? নিশ্চয় নেজাগে।

এতিয়া আহোঁ মই ক'ব খোজা প্ৰকৃত কথাটোলৈ। সাধাৰণতে দেখা যায় যে সাম্প্ৰতিক সময়ত সময়ৰ অগ্ৰগতিত প্ৰেমৰ সংজ্ঞা সলনি হৈছে। উভয় লিঙ্গৰ মাজৰ যি পাৰস্পৰিক আকৰ্ষণ তাক আমি প্ৰেম আখ্যা দিওঁ। প্ৰকৃতাৰ্থত সি প্ৰেমনে? দৈনন্দিন জীৱনত ৰাস্তাই ঘাটে, বজাৰে সমাৰে, চিনেমা ঘৰে বাহিৰে, পাৰ্কত, স্কুল-কলেজত, বিশ্ববিদ্যালয়ত, সভা-সমিতি ইত্যাদিত আমি লগ পোৱা বহুতো লোকৰ প্ৰতি আমাৰ আকৰ্ষণ জাগিব পাৰে অৰ্থাৎ আমাৰ কাৰোবাক অলপ সময়ৰ বাবে ভাল লাগিব পাৰে। সি বাৰু প্ৰেম হ'ব পাৰেনে ? অৱশ্যে এক প্ৰকাৰে সিও প্ৰেম যদিও ই আমি আলোচনা কৰিব বিচৰা প্ৰেম নহয়। আমি আলোচনা কৰিব বিচাৰো আজীৱন জীৱন সংগীনি বা যাক লৈ ভৱিষ্যতৰ সপোন ৰচো সেই প্ৰেম। ইয়াক অন্য কথাত ভালপোৱা বুলিও ক'ব পাৰি। কোৱা হয় প্ৰথম প্ৰেমৰ মাদকতাক আজীৱন পাহৰিব নোৱাৰি। তেন্তে ই কেনে প্ৰেম? প্ৰেমেই হৈছে স্বৰ্গীয় অনুভূতি। যি হঠাৎ কোনো স্থানত হৃদয়ত উৎপন্ন হৈ আজীৱন থাকি যায়।

আপুনি আপোনাৰ প্ৰেয়সীক বহুত ভাল পায়। বহুত মৰম কৰে। তেওঁৰ মৰমবোৰ তেওঁৰ অভিমানবোৰ আপুনি ভাগাই হ'ব চেষ্টা কৰে। তেওঁ আপোনাৰ ভালপোৱা।

তেওঁ সদায় কাযত থকাটো বিচাৰে। কিন্তু বৰ্তমান সময়ত প্ৰেমে বেলেগ এটা দিশে গতি কৰা দেখা গৈছে। প্ৰেমৰ পৰিণতি ভয়ংকৰ হৈ পৰিছে। প্ৰেম গতি পৰিছে শাৰীৰিক সম্পৰ্ক লৈ। ফলত এই সম্পৰ্কই মৃত্যুৰ পৰ্যায় পোৱা দেখিবলৈ পোৱা যায়।

প্ৰেম কৰক। প্ৰেমক সন্মান জনাওক। ভালপোৱাক স্বীকৃতি দিয়ক। শাৰীৰিকভাৱে নহয় হৃদয়েৰে প্ৰেম কৰক। তেহে প্ৰেমৰ মৰ্যদা অক্ষুণ্ণ থাকিব। অন্যথা সমাজৰ এচাম লোকৰ চকুত প্ৰেম সদায় নিন্দনীয় হৈ থাকিব।




# ম'বাইল ফোন আৰু ছাত্ৰ জীৱন

✍ বন্যা হাজৰিকা

**আৰম্ভণি ঃ**

ম'বাইল ফোন হৈছে বৰ্তমান জীৱনৰ অপৰিহাৰ্য অংগ। ম'বাইল ফোন বিভিন্ন প্ৰজন্মৰ ব্যক্তিয়ে ব্যৱহাৰ কৰে আৰু প্ৰায় বিভিন্ন কামত বিভিন্নধৰণে সহায় কৰে, সহজ ভাষাত ম'বাইল ফোন হৈছে এক যন্ত্ৰ যাৰ জৰিয়তে প্ৰধানতে আমি দূৰৈত থকা আপোনজনৰ সৈতে সম্পৰ্ক বজাই ৰাখিব পাৰো। কিন্তু বৰ্তমান যুগত ম'বাইল ফোন কেৱল ইয়াতে সীমাবদ্ধ হৈ থকা নাই। ইয়াৰ জৰিয়তে বিভিন্ন কাৰ্য সম্পাদন কৰা হয়। প্ৰতিটো ক্ষেত্ৰতে যেন ইয়াৰ অবিহনে আমি আগবাঢ়িব নোৱাৰো।

**ব্যৱহাৰ ঃ**

ম'বাইল ফোনৰ ব্যৱহাৰ বিভিন্ন ব্যক্তিয়ে ব্যৱহাৰ কৰে যদিও বৰ্তমানৰ ছাত্ৰ সমাজ ইয়াৰ দ্বাৰা আটাইতকৈ বেছি প্ৰভাৱিত। প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ বিশেষকৈ কলেজীয়াৰ হাতত ম'বাইল ফোন থকাটো যেন এতিয়া অতি সাধাৰণ কথা হৈ পৰিছে। ছাত্ৰ সমাজৰ লগত জড়িত বহুতো কাম-কাজ ম'বাইল ফোনৰ জৰিয়তে সহজ হৈ পৰে। হয়তো ইয়ে ছাত্ৰ সমাজৰ মাজত ইয়াৰ জনপ্ৰিয়তাৰ আন এক প্ৰধান কাৰণ। ম'বাইল ফোনৰ ফলত ছাত্ৰ-ছাত্ৰীসকল যিমান উপকৃত হৈছে সিমান ক্ষতিগ্ৰস্তও হৈছে।

**উপকাৰ ঃ**

ম'বাইল ফোনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন ধৰণে লাভান্বিত হৈছে। ইয়াৰ ব্যৱহাৰৰ জৰিয়তে তেওঁলোকে ঘৰত বহিয়েই দেশ-বিদেশৰ খবৰ যিকোনো সময়তে লাভ কৰিছে। যি তেওঁলোকৰ বাহিৰা জ্ঞান অৰ্জনত অতি উপযোগী। তদুপৰি বৰ্তমান সময়ত ফোনৰ জৰিয়তে বিভিন্নজনে পাঠদান কৰে যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকল, বিশেষকৈ প্ৰতিযোগী পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকাসকলে কোনো Coaching Centre (ক'চিং চেণ্টাৰ)ত নামভৰ্তি নকৰাকৈয়ে পৰীক্ষাত উত্তীৰ্ণ হ'বলৈও সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰী তথা সাধাৰণ মানুহলৈ আগবঢ়োৱা আন এক বিশেষ সুবিধা হৈছে অ'নলাইন বেংকিং য'ত ম'বাইল ফোনতে বেংকৰ লগত জড়িত বিভিন্ন কাৰ্য সম্পাদন কৰি। বেংকৰ শাৰীত লাইন পতা সময়খিনি তেওঁলোকে নিজৰ অধ্যয়ন বা অন্য গুৰুত্বপূৰ্ণ কামত নিয়োজিত হ'ব পাৰে। তদুপৰি মবাইল ফোনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে on work from home ৰ সুবিধা লাভ কৰিছে। তেওঁলোকে পাৰ্ট টাইম টকা উপাৰ্জনত ই অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁলোকে নিজৰ সুপ্ত প্ৰতিভা বিকাশৰ বাবেও এখন মঞ্চ পায়।

**অপকাৰ ঃ**

ম'বাইল ফোনৰ উপকাৰৰ দৰে যথেষ্টখিনি অপকাৰো আছে যি আমাৰ ছাত্ৰ-সমাজক ক্ষতিগ্ৰস্ত কৰি তুলিছে। যিসকলে ম'বাইলৰ বেয়া ব্যৱহাৰ কৰে তেওঁলোকে ইয়াত নিজৰ সময় নষ্ট কৰি অপ্ৰয়োজনীয় আৰু অপকাৰী বিষয়ত গুৰুত্ব দিয়ে। বহুত ছাত্ৰ-ছাত্ৰীৰ বাবে ই এক নিচাৰ দৰে হৈ পৰিছে। তেওঁলোকে নিজৰ অধ্যয়নতকৈ ইয়াত অধিক সময় অপব্যয় কৰে যাৰ ফলত তেওঁলোকৰ ভৱিষ্যতটো অন্ধকাৰময় হৈ পৰে। বৰ্তমান সৰু সৰু ল'ৰা-ছোৱালীৰ মাজতো ইয়াৰ ব্যৱহাৰ বাঢ়িছে। তেওঁলোকে মাক-দেউতাক বা আন ডাঙৰ কাৰোবাৰ ফোন লয় তাক বিভিন্ন ধৰণে ব্যৱহাৰ কৰে। বিশেষকৈ প'ৰ্ণ (Porn), য'ত তেওঁলোকে সেইবোৰ চোৱাৰ ফলত তেওঁলোকৰ মন-মগজুৰ ওপৰত বেয়া প্ৰভাৱ পৰে আৰু তেওঁলোক হৈ পৰে অপৰাধপ্ৰৱণ। তদুপৰি বহুতো ছাত্ৰ-ছাত্ৰীৰ ম'বাইল ফোনৰ অধিক ব্যৱহাৰৰ ফলত নিজৰ সৃষ্টিশীলতা হেৰুৱাই পেলায়। ম'বাইল ফোনৰ অধিক ব্যৱহাৰে ভৱিষ্যতে বহুতৰ বাবে বিভিন্ন বেমাৰো কঢ়িয়াই আনে।

**সামৰণি ঃ**

যিকোনো বস্তুৰে যিদৰে ভাল গুণ থাকে, বেয়া গুণো থাকে। সেয়া নিৰ্ভৰ কৰে আমাৰ ব্যৱহাৰৰ ওপৰত। বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে যদি বেয়া ব্যৱহাৰৰ পৰা নিজকে আঁতৰাই ম'বাইল ফোনৰ ভাল ব্যৱহাৰ কৰিবলৈ সক্ষম হয়, তেওঁলোকে নিজৰ নিজৰ জীৱনত সফল হ'ব পাৰিব। ই গঢ়ি তুলিব এক সুস্থ-সবল ছাত্ৰ সমাজ। যি আমাৰ সকলোৰে কাম্য। ইয়াৰ বাবে যদি অভিভাৱক বা অগ্ৰজজনে প্ৰথমৰ পৰাই ছাত্ৰ-ছাত্ৰীসকলে ম'বাইল ব্যৱহাৰ কিদৰে কৰিছে তাৰ ওপৰত গুৰুত্ব দিয়ে, ই যথেষ্ট সহায় কৰিব। সেয়েহে আমি সদায় ম'বাইল ফোনৰ ভাল ব্যৱহাৰ কৰি ইয়াৰ বেয়াবোৰৰ পৰা নিজকে আঁতৰাই ৰাখিবলৈ চেষ্টা কৰি ছাত্ৰ সমাজখনক সবল কৰা উচিত।◆

# মিচিং জনগোষ্ঠীৰ সাজ-পাৰ

✍ অৰ্পনা মৰাং

মিচিং জনগোষ্ঠী হৈছে বড়ো- কছাৰীসকলৰ পিছতেই অসমৰ ভৈয়ামৰ জনজাতিসমূহৰ ভিতৰত দ্বিতীয় বৃহত্তম জনজাতি। প্ৰত্যেক জনজাতিৰ দৰেই মিচিংসকলৰো নিজস্ব লোকসংস্কৃতি আছে। মিচিং পৰম্পৰাগত সাজপাৰৰ গমিগ (ফুল)ৰ আৰ্হি আৰু ৰঙৰ সংমিশ্ৰণ বিশ্বৰ ভিতৰতেই লেখত ল'বলগীয়া বুলি গণ্য কৰা হয়। মিচিং শিপিনীৰ কৰ্মনিপুণতা আৰু ঘৰত বোৱা জাতীয় সাজ-পাৰে মিচিং জাতিটোক বিশ্বৰ ভিতৰতে এক শিল্পজাত জাতি হিচাপে প্ৰতিষ্ঠা লাভত সহায় কৰিছে।

মিচিং জনগোষ্ঠীৰ পৰম্পৰাগত সাজ-পাৰসমূহৰ ভিতৰত কিছুমান কেৱল পুৰুষে কিছুমান কেৱল মহিলাই আৰু কিছুমান পুৰুষ-নাৰী উভয়ে পৰিধান কৰে। সিবিলাক হ'ল—

**পুৰুষসকলে ব্যৱহাৰ কৰা সাজপাৰ—**

- **উগন ঃ** সাধাৰণ ধূতি বা চুৰিয়াৰ মিচিঙত 'উগন' বুলি কোৱা হয়। পুৰুষসকলে দৈনন্দিন ঘৰুৱা পৰিৱেশত এনে 'উগন' ব্যৱহাৰ কৰে।
- **গালুগ ঃ** সাধাৰণভাৱে বোৱা মিচিং চোলাক 'গালুগ' বুলি কোৱা হয়। বিভিন্ন ধৰণৰ ফুলৰ আৰ্হি দি বোৱা হয়।
- **মিবু গালুগ ঃ** 'মিবু গালুগ' সৰ্বসাধাৰণ লোকে ব্যৱহাৰ কৰা গালুগতকৈ সম্পূৰ্ণ পৃথক নিসিজোৱা কেচা, বগা, ৰঙা, কলা সূতাৰে "ঙচিগ গামিগ" (মাছৰ আৰ্হি থকা ফুল) থকা নিৰ্দিষ্ট ঘাই গামিগ লগাই শুদ্ধি হাতেৰে বোৱা হয়।
- **মৌৰপুং ঃ** মৌৰপুং হৈছে মূৰত পাগুৰি হিচাপে পিন্ধা একেধৰণৰ দীঘল গামোচা জাতীয় পোছাক।
- **য়াম্বগাচৰ ঃ** দৰা ঘৰত বিয়াত দৰা-কইনাৰ যুগ্ম জীৱনৰ বাবে আদৰি আনিবলৈ মূৰৰ ওপৰত ওৰণি হিচাপে ব্যৱহাৰ কৰা গাচৰ (চাদৰ) ক য়াম্বগাচৰ নামেৰে জনা যায়।

**মহিলাসকলে ব্যৱহাৰ কৰা সাজ-পাৰ —**

- **এগে ঃ** মিচিং মহিলাই পিন্ধা মেখেলাক সাধাৰণতে 'এগে' বুলি কোৱা হয়। এইসমূহ ভিন্নৰঙৰ গামিগেৰে (ফুলেৰে) ভৰা আৰু দেখিবলৈ বৰ মোহনীয়।
- **গাচৌং ঃ** গাচৌং হৈছে মিচিং মহিলাই চাদৰ বা শীতত শ্বল হিচাপে ব্যৱহাৰ কৰে ৰিঃবিৰ দৰে এবিধ ডাঠ বস্তু। ৰঙ বা মদাৰ ৰঙৰ সূতাৰে বয় আৰু দুই মূৰ বগা কলা ৰেখা টনা থাকে।
- **গেৰ ঃ** গেৰ মিচিং মহিলাই মেখেলাৰ ওপৰত পৰিধান কৰা এবিধ মেঠনি জাতীয় আকৰ্ষণীয় সাজ-পাৰ।

**পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰা সাজ-পাৰ—**

মিচিং পুৰুষ-মহিলা উভয়ে ব্যৱহাৰ কৰা আপুৰুগীয়া বস্ত্ৰবিধ হৈছে 'গাদু'। ই অসমীয়াৰ মিৰিজম নামে খ্যাত। গাদুক কপাহৰ সূতাৰে প্ৰতি সূতাৰ মাজত আঁহ লগাই বোৱা হয়। গাদুক জাৰকালি কম্বলৰ দৰে ব্যৱহাৰ কৰা হয়। ই যথেষ্ট বহল আৰু উম লগা। পৰিয়ালৰ সকলোৱেই গাদু ব্যৱহাৰ কৰিব পাৰে। লগতে বিঃবিঃ তাপুম গাচৰ। য়াম্বগাচৰ আদি মিচিং মহিলা পুৰুষৰ উভয়ে কম-বেছি পৰিমাণে ব্যৱহাৰ কৰা দেখা যায়।

সাম্প্ৰতিক সময়ত পোৱা আধুনিক সাজ-পাৰ অন্য সমাজৰ দৰে মিচিং সমাজলৈও দ্ৰুত গতিত আগবাঢ়িছে যদিও ৰাজহুৱা সভা, অনুষ্ঠান, উৎসৱ-পাৰ্বনত পৰম্পৰাগত সাজ-পাৰ স্বকীয়তাৰে সুন্দৰ ৰূপত পৰিধান কৰা পৰিলক্ষিত হৈ আহিছে।◆



# বিষ্ণুৰাভা ঃ শিল্পীৰ পৰা বিপ্লৱীলৈ

✍ মৌচুম গগৈ

**অ**সমীয়া জাতীয় জীৱন আৰু কলা-শিল্পী-সংস্কৃতিৰ চিৰপ্ৰৌজ্জ্বল এটি বিৰল ব্যক্তিসত্তা হ'ল কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা। বিষ্ণুৰাভা অসমৰ সকলো জাতি, সকলো জনগোষ্ঠী, সকলো ভাষা-ভাষী লোকৰ বাবেই আদৰৰ নাম। নিজ চকুৰে নেদেখিলেও যেন প্ৰত্যেকৰে এজন অতি পৰিচিত আপোন মানুহ ৰাভাদেৱৰ পৰিচয় মিহলি হৈ আছে বৰ্ণিল অসমৰ কলা-কৃষ্টি-সংস্কৃতিৰ চহকী পথাৰখনত। অসমৰ ৰসাল মাটিত, নিপীড়িত জনগণৰ মুক্তিৰ স্বপ্নত। অসমৰ বিভিন্ন জনগোষ্ঠী আৰু জাতিসত্তাৰ মাজত ঐক্য-সম্প্ৰীতি প্ৰতিষ্ঠা কৰি আকাশৰ দৰে সুবিশাল উদাৰতা আৰু হিমালয়ৰ দৰে সুউচ্চ মানসিকতালৈ আগবাঢ়ি আহিছিল মহান সংস্কৃতিবান, আজন্ম বিপ্লৱী, ৰাজনীতি, সমাজনীতি, সকলোতে স্বকীয় ব্যক্তিত্ব আৰু প্ৰতিভাৰে প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰা বিষ্ণুপ্ৰসাদ ৰাভা। গণশিল্পী গৰাকীয়ে সংগ্ৰাম কৰিছিল সমাজৰ দুৰ্গতজনৰ বাবে। তেওঁৰ অন্তৰ আত্মাত প্ৰবাহিত হৈ আছিল এখন সাম্যবাদী সমাজ প্ৰতিষ্ঠাৰ সপোন। তেওঁৰ সপোন আছিল হালোৱা, মজদুৰ, কৃষক, শ্ৰমিক, বনুৱা শ্ৰেণীক লৈ এখন নতুন সমাজ প্ৰতিষ্ঠা কৰা। য'ত মানুহৰ মাজত ধনী-দুখীয়া, উচ্চ-নীচ আদিৰ ভেদা-ভেদ নাথাকিব আৰু সকলোৱে সম অধিকাৰৰ মাজেৰে জীয়াই থাকিব পাৰিব। এই গণশিল্পীগৰাকীয়ে  ৰাইজকে ৰজা পাতি ৰাইজৰে অধিকাৰ সাব্যস্ত কৰিবলৈ যি চিন্তা-চৰ্চা তথা কৰ্ম কৰিছিল, সেয়াই মানৱ প্ৰেম আৰু দেশপ্ৰেমৰ উজ্জ্বল আদৰ্শ। দলিতজনৰ সন্মান ঘূৰাই আনিবলৈ গীত-কবিতাৰ মাজেৰে গণতান্ত্ৰিক আদৰ্শ ব্যক্ত কৰি— "ৰাইজেই ৰজা মোৰ, সুখেৰে পঞ্চায়তীৰাজ" বুলি সত্য আৰু ন্যায়ৰ পক্ষত থিয় হৈ বিষ্ণুপ্ৰসাদ ৰাভাই সংগ্ৰাম অব্যাহত ৰাখিছিল। ৰাভাই দেখিছিল সৰ্বসাধাৰণ

মানুহৰ পূৰ্ণ স্বাধনীতাৰ সপোন। কিন্তু তেওঁ যি স্বাধীনতাৰ সপোন দেখিছিল, সেয়া বাস্তৱত বিচাৰি নোপোৱাৰ বাবেই তেওঁ বিট্ৰিছে এৰি যোৱা দেশৰ স্বাধীনতা আৰু গণতন্ত্ৰক সমৰ্থন নকৰি ১৫ আগষ্টৰ দিনাই টিঙুৰ দীঘেলীত কলা পতাকা উৰুৱাই ৰাভাই চিঞৰিছিল— "য়ে আজাদী ঝুথা হ্যায়"— (এই স্বাধীনতা ভুৱা)। তেওঁৰ এই শ্লগান আছিল ৰাইজৰ মুক্তিৰ, ৰাইজৰ প্ৰকৃত স্বাধীনতাৰ অৰ্থে এক আহ্বান। প্ৰকৃততে ৰাভাই নিজৰ দূৰদৰ্শিতা আৰু অনুভূতিৰ বলত বৃহত্তৰ অসমীয়া জাতি গঠনৰ দিশত এক গণ জাগৰণৰ সপোন ৰচনা কৰিছিল। এক কথাত ক'বলৈ গ'লে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পদাংক অনুকৰণ কৰি কলাগুৰুৱে যেন মহাপুৰুষজনাৰ আধৰুৱা কৰ্মখিনিহে যেন সম্পূৰ্ণ কৰিবলৈ যত্নপৰ হৈ পৰিছিল। জনতাৰ শিল্পী বিষ্ণুপ্ৰসাদ ৰাভাই মৰ্মে মৰ্মে উপলব্ধি কৰিছিল যে জনগণক জাগ্ৰত কৰিবলৈ হ'লে গণ সংস্কৃতিৰ মাধ্যমেৰে জনতাৰ চেতনাক জাগ্ৰত কৰিব লাগিব। তেওঁ সমাজৰ প্ৰত্যেকগৰাকী লোকৰ মাজত কৃষ্টি-সংস্কৃতিৰ বিস্তাৰ কৰি সকলোকে সংস্কৃতিবান কৰি তুলিব বিচাৰিছিল। গণ চেতনাত তেওঁৰ আছিল অগাধ বিশ্বাস। তেওঁ বজ্ৰকণ্ঠে ঘোষণা কৰিছিল— "ৰাইজৰ মৰম-চেনেহেই আমাৰ ৰক্ষাকৱচ। ৰাইজৰ আশীষেই আমাৰ পাশুপাট অস্ত্ৰ। এই ৰক্ষাকৱচ আৰু পাশুপাট অস্ত্ৰৰ বলতেই আমি সুস্থ, বলিষ্ঠ আৰু নিৰ্ভীক সৈনিক।" এনেদৰেই তেওঁ ৰাইজৰ স্বাৰ্থত উচৰ্গা কৰিছিল নিজৰ ওৰেটো জীৱন। তাকে কৰিবলৈ যাওঁতে কাৰোবাৰ দৃষ্টিত ৰাভা হৈ পৰিছিল বিপ্লৱী আৰু কাৰোবাৰ দৃষ্টিত হৈ পৰিছিল বিভীষিকা।

শিল্পী হিচাপে ৰাভাদেৱৰ কৃতিত্ব তুলনাবিহীন। তেওঁৰ গীতত জনজীৱনৰ দুখ-বেদনা, হতাশা, শোষণ আদিৰ চিত্ৰ প্ৰকাশিত হৈ আছে। তেওঁ বিট্ৰিছসকলৰ দাসত্বৰ পৰা মুক্তি বিচাৰি হালোৱা-হজুৱা, ডেকা-গাভৰুকে ধৰি শত-সহস্ৰজনক আকুল আহ্বান জনাইছিল—

"ভাং ভাং ভাং লোহাৰ শিকলি ভাং
ছিং ছিং ছিং দাসৰ বান্ধোন ছিং...।"

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনত বিষ্ণুৰাভাই স্বকীয় কথা আৰু সুৰেৰে 'বিষ্ণুৰাভা সংগীত''ৰ এটা সম্পূৰ্ণ ধাৰাৰ জন্ম দিলে। তেওঁ আছিল অসমৰ প্ৰথমগৰাকী সাংস্কৃতিক বিপ্লৱী। এই বিপ্লৱ তেওঁ তিনিটা দিশেৰে আগবঢ়াই নিছিল— প্ৰথমটো আছিল, অসমীয়া সমাজৰ সাংস্কৃতিক উত্তৰণ। দ্বিতীয়তে, জাতীয় জীৱনৰ কৃষ্টি আৰু সংস্কৃতিৰ সংৰক্ষণ। আৰু তৃতীয়তে, দলিতসকলৰ উচিত মৰ্যদা তথা সম অধিকাৰ প্ৰদান। ৰাভা আছিল ৰাইজৰ মানুহ। তেওঁ অসমৰ সাধাৰণ মানুহৰ মাজত থাকি ৰাইজৰ হকে মাত মাতিছিল। তেওঁ এচামৰ বাবে সেয়ে চকুৰ পুৰণি আছিল। সেই সময়ত চৰকাৰে তেওঁৰ মূৰটোৰ বাবে ১০ হাজাৰ টকা পুৰস্কাৰো ৰাখিছিল আৰু তেওঁৰ চিন্তাধাৰাৰ পতন ঘটাবলৈ কাৰাবন্দী কৰিছিল। পিছে ৰাভাৰ বিৰাট জনপ্ৰিয়তাৰ প্ৰমাণ পাবলৈ ৰজাঘৰৰো বৰ বেছি দিন নালাগিল। গণনায়ক বিষ্ণু ৰাভাই ১৯৬৭ চনত ডিঙিত ফুলৰ মালা পিন্ধি তেজপুৰীয়া ৰাইজৰ অকৃত্ৰিম মৰম-চেনেহ আকোঁৱালি বিধানসভাৰ সন্মানীয় সদস্য হৈ অসম বিধানসভাৰ শুৱনি কৰিলেগৈ। ৰজাঘৰীয়া কোপদৃষ্টিত পৰি সুদীৰ্ঘ কাল পলাতক জীৱন কটোৱা ৰাভাই তেওঁৰ এই সময়ছোৱাক "অজ্ঞাত বাস" আখ্যা দিছিল। গোটেই জীৱনজুৰি বিষ্ণুৰাভাৰ সংগ্ৰামী সত্তা প্ৰতিফলিত হৈছিল আৰু বৃহত্তৰ অসমীয়া জাতিৰ গঠন প্ৰক্ৰিয়াৰ বাবে অকৃত্ৰিমভাৱে চিন্তা-চৰ্চা আগবঢ়াই নিছিল বাবে তেওঁ গণশিল্পী, যোদ্ধা, অক্লান্ত সৈনিক তথা পূৰ্ণ প্ৰতিভাৰ এগৰাকী যুগনায়ক হ'ব পাৰিছিল। এনে মহান শিল্পীগৰাকীয়ে দুৰ্নীতি, অপ সংস্কৃতিৰ কৰাল গ্ৰাসৰ পৰা অসমীয়া জাতিৰ উদ্ধাৰৰ সপোন ৰচিছিল। পিছে জীৱনকালত এনে মুক্তিকামী সপোনবোৰ ফলিওৱা তেওঁ দেখা নাপালে। দুৰাৰোগ্য কৰ্কট ৰোগত আক্ৰান্ত হৈ ১৯৬৯ চনৰ ২০ জুন তাৰিখৰ দিনটোতেই বিষ্ণুপ্ৰসাদ ৰাভাই ইহলীলা সম্বৰণ কৰে। তেখেতৰেই স্মৃতিত ২০ জুনৰ দিনা অসমৰ চুকে-কোণে, নগৰে-চহৰে, গাঁৱে-ভূঞে সৰ্বত্ৰে ৰাভা দিৱস জাক-জমকতাৰে পালন কৰা হয়। ৰাভাদেৱৰ কৰ্মৰাজী আলোচনা কৰা হয়, তেওঁৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জনোৱা হয়। এইজন মনীষীক স্থায়ীভাৱে জীয়াই ৰাখিবলৈ আমি সকলোৱেই চিন্তা-চৰ্চা তথা তেওঁৰ কৰ্মৰাজীৰ অনুসৰণ কৰাটো প্ৰয়োজনীয়, কিয়নো তেতিয়াহে বিষ্ণুৰাভা প্ৰকৃতাৰ্থত জীয়াই থাকিব।



# প্ৰকৃতি আৰু জীৱকূলৰ ওপৰত তলাবন্ধৰ যোগাত্মক প্ৰভাৱ

✍ মাইনা গগৈ

বিগত ২০১৯ বৰ্ষৰ ডিচেম্বৰ মাহত চীনৰ "ওহান" নামৰ চহৰত অতি ক্ষীপ্ৰতাৰে বিয়পি পৰা এক অচিন ভাইৰাচৰ সংক্ৰমণে সমগ্ৰ বিশ্বৰ দৃষ্টি আকৰ্ষণ কৰিছিল। যাক নভেল ক'ৰণা ভাইৰাছ হিচাপে নামাকৰণ কৰা হৈছিল। ক'ভিড-১৯ বা ক'ৰণা ৰোগ ক্ৰমশঃ বনজুইৰ দৰে সমগ্ৰ বিশ্বতে বিয়পি পৰিছিল। উদ্যোগ-বাণিজ্য, বিদ্যালয়-মহাবিদ্যালয় আদি বন্ধ কৰি দিয়া হৈছিল। অৱশেষত এই সংক্ৰমণ ৰোধৰ একমাত্ৰ উপায় হিপে সমগ্ৰ মানৱ জাতিয়ে সকলোধৰণৰ কাৰ্যকলাপ পৰিত্যাগ কৰি নিজকে ঘৰৰ চাৰিসীমাৰ ভিতৰত আৱদ্ধ কৰি ল'বলৈ বাধ্য হৈছিল। সমগ্ৰ বিশ্ব স্তব্ধ হৈ পৰিছিল কিন্তু তাৰ মাজতো যেন ধৰিত্ৰীৰ বাবে লুকাই আছিল এক ধনাত্মক বতৰা ও আশাৰ ৰেঙণি। মানৱৰ আবৰ্তমানত প্ৰকৃতিয়ে ন ৰূপত প্ৰাণ পাই উঠিছিল। মানৱ সৃষ্টি প্ৰদুষণে কদৰ্য কৰি তোলা বহু জলৰাশি পৰিস্কাৰ হৈ পৰিছিল, বায়ুমণ্ডল নিৰ্মল হৈছিল। শব্দ প্ৰদুষণ হ্ৰাস পাইছিল, পৰিভ্ৰমী চৰাই-চিৰিকতি, ন-ন প্ৰজাতিৰ পখিলা আদিৰ উপস্থিতিয়ে প্ৰকৃতিক ন ৰূপত সজাই-পৰাই মোহনীয় কৰি তুলিছিল। প্ৰায় তিনি দশকৰ পাছত কলকাতাত এছিয়ান নদীৰ ডলফিন হিচাপে খ্যাত বিৰল শিহু অহা প্ৰত্যক্ষ কৰা হৈছিল। ভাৰতৰ পৰা সাধাৰণতে মাৰ্চ মাহত উভতি যোৱা কিছু বিশেষ পৰিভ্ৰমী প্ৰজাতি অনুকূল পৰিৱেশ লাভ কৰি মে' মাহ পৰ্যন্ত থকা দেখা গৈছিল। সামগ্ৰিকভাৱে সমগ্ৰ প্ৰকৃতি আৰু জীৱকূলে জনসমাগম ও প্ৰদুষণমুক্ত এক পৰিৱেশত স্বস্তিৰ নিশ্বাস লৈছিল। বায়ুমণ্ডলত কাৰ্বন-ডাই-অক্সাইড, কাৰ্বন মনক্সাইড আদিৰ পৰিমাণ হ্ৰাস হোৱাৰ ফলত মানুহো উপকৃত হৈছিল।

এনেদৰেই বিশ্বজুৰি বিয়পি পৰি স্বাস্থ্য সম্বন্ধীয় জৰুৰীকালীন অৱস্থাৰ সূচনা কৰি মানৱ সমাজক জোলোকা-জোলোক পানী খুৱাইছিল যদিও দৰাচলতে এই ব্যাধি মানুহে অদূৰদৰ্শীভাৱে জধে মধে কৰা সীমাহীন প্ৰদুষণ আৰু পাৰিপাৰ্শ্বিকতাৰ ওপৰত কৰা অত্যাচাৰ প্ৰতিফলন বুলিও অভিহিত কৰিব পাৰি। ভুলৰ পৰা শিক্ষাগ্ৰহণ কৰি অনতিপলমে প্ৰকৃতি আৰু জীৱকূলৰ লগত সহযোগিতামূলক সহাৱস্থান সময়ৰ আহ্বান। ইয়াৰ ব্যতিক্ৰম হ'লে অনাগত দিনসমূহে মানৱৰ বাবে অশনি সংকেত কঢ়িয়াই অনাটো নিশ্চিত।



# চুকাফা

✍ সংগীতা তাঁতী

চুকাফা আছিল আহোম সাম্ৰাজ্যৰ প্ৰতিস্থাপক তথা আহোমসকলৰ প্ৰথম ৰজা। তেখেতৰ সম্পূৰ্ণ নাম আছিল চ্যাওলুং চুকাফা। চুকাফাৰ পিতৃৰ নাম আছিল চাওচাং ন্যেউ আৰু মাতৃৰ নাম আছিল নাং মাঙল্লক খাম চেউ। চুকাফাৰ জন্ম মোমায়েকৰ ৰাজ্য মাওলুঙত হৈছিল আৰু ১৯ বছৰ বয়সলৈকে তাতে আছিল। ১৮ বছৰ কৰতলীয়া ৰজা হিচাপে থকাৰ পিছত চুকাফাই এখন স্বাধীন ৰাজ্য গঠন কৰিবলৈ ইচ্ছা কৰিছিল। সেয়ে ১২২৮ চনৰ ২ ডিচেম্বৰ তাৰিখে চুকাফাই পূৰ্বপুৰুষৰ ৰাজ্য এৰি পুৰণি অসমৰ উত্তৰ-পূবৰ পাটকাই পৰ্বতত থকা চৌকান গিৰি পথেৰে আহি দিহিং নৈৰ উপত্যকাত উপস্থিত হৈছিল। স্বৰাজ্য এৰি অহাৰ - সময়ত চুকাফাই লগত আনিছিল ইষ্টদেৱতা চুমদেউ, মংগল চোৱাত ব্যবহাৰ কৰা কুকুৰা চৰাই, তিনিগৰাকী ৰাণী, দুজন পাত্ৰমন্ত্ৰী, পাঁচজন কোঁৱৰ, চাৰিজন ৰাজপুৰোহিত, দুজন বাইলুং ১০৮০ সৈনিক, ৩০০ ঘোঁৰা, খাম পেং নামৰ এটা দঁতাল হাতী আৰু এজনী মাখুন্দী হাতী। অসমলৈ অহাৰ পিছত চুকাফাই প্ৰথম ৰাজধানী পাতিছিল খামজাং নামৰ ঠাইত। ইয়াৰ পিছত নামৰূপ, অভয়পুৰ, হাবুং আদি ঠাইত ৰাজধানী পাতি চুকাফাই কেইবা বছৰ বসবাস কৰিছিল যদিও সেইবোৰ ঠাইত বিভিন্ন অসুবিধাৰ সন্মুখীন হোৱাৰ বাবে সেই ঠাইবোৰ ত্যাগ কৰিছিল। অবশেষত ১২৫৩ চনত চৰাইদেউত স্থায়ীকৈ আহোম সাম্ৰাজ্যৰ ৰাজধানী পাতিছিল। বীৰ চুকাফাই ৩৯ বছৰ ৪ মাত্ৰ ১৪ দিন ৰাজত্ব কৰি বিশাল আহোম সাম্ৰাজ্যৰ পাতনি মেলিছিল। চুকাফাই স্থাপন কৰা আহোম সাম্ৰাজ্যই ৬১০ বছৰ অসমত ৰাজত্ব কৰিছিল। চুকাফা আছিল অতিকৈ সাহসী, বুদ্ধিমান, ধৈৰ্য্যশীল তথা দূৰদৰ্শী। চুকাফাই অসমৰ বিভিন্ন জাতি জন-গোষ্ঠীৰ মাজত সমন্বয় কৰি বৰ অসম গঢ়ি তুলিছিল। এই মহান বীৰ গৰাকীৰ ১২৬৮ মৃত্যু হৈছিল। বৰ অসম গঢ়াৰ ক্ষেত্ৰত চুকাফাৰ অৱদানলৈ শ্ৰদ্ধা জনাই প্ৰতি বছৰে ২ ডিচেম্বৰ তাৰিখটো সমগ্ৰ অসমবাসীয়ে ১৯৮৭ চনৰ পৰা "অসম দিৱস" বা "চুকাফা দিৱস" হিচাপে পালন কৰি আহিছে।




# গুৰুজনাৰ অপূৰ্ব সৃষ্টি সত্ৰ আৰু সত্ৰীয়া সংস্কৃতি

✍ জিতুস্মিতা শইকীয়া

**ম**হাপুৰুষ শংকৰদেৱৰ সংস্কৃতিয়ে যোল্লশ শতিকাৰ পৰা এতিয়ালৈ মানৱ সমাজৰ মাজত প্ৰেম অমৃতৰ নদী বোৱাই আছে। শংকৰী ধৰ্মৰ আদৰ্শ, ৰীতি-নীতিসমূহ জনগণৰ মাজত প্ৰচাৰ কৰিবলৈ শ্ৰীমন্ত শংকৰদেৱে নামঘৰ আৰু সত্ৰ প্ৰতিষ্ঠা কৰিছিল। ধৰ্মীয় অনুশাসনৰ জৰিয়তে শংকৰদেৱে সমাজ আৰু সামাজিক জীৱনৰপৰা অন্ধবিশ্বাস, কু-সংস্কাৰসমূহ আঁতৰ কৰিবলৈ বিচাৰিছিল। শংকৰ দেৱৰ নৱবৈষ্ণৱ ধৰ্মৰ কোনো আড়ম্বৰতা নাই। সমতা আৰু মানৱতাৰ ভেটিত সুন্দৰ সমাজ এখন প্ৰতিষ্ঠা কৰাটোৱেই তেওঁৰ একমাত্ৰ উদ্দেশ্য আছিল। মানৱতাৰ মুক্তিৰ বাবে অন্ধকাৰ দূৰ কৰি পোহৰ সিঁচিবলৈ তেওঁ অক্লান্ত চেষ্টা কৰিছিল। সাম্য আৰু সমতাৰে এখন নিকা সমাজ গঢ়িবলৈ তেওঁ ধৰ্ম প্ৰচাৰকে মূল আহিলা হিচাপে গ্ৰহণ কৰিছিল। ভাগৱত শাস্ত্ৰৰ জ্ঞান, কীৰ্তনৰ মৌৰস ব্যাখ্যা ! কৰিবলৈ শংকৰদেৱে সত্ৰৰ জন্ম দিয়া বুলি ক'ব পাৰি। অসমত প্ৰতিষ্ঠা কৰা সত্ৰসমূহক পোণ প্ৰথমে সত্ৰ বুলি নকৈ কীৰ্তন ঘৰ, হৰি গৃহ অথবা থান ইত্যাদি শব্দৰেহে গণ্য কৰা হৈছিল।

ধৰ্মচৰ্চাৰ উপৰিও সত্ৰসমূহ আছিল পৰস্পৰৰ মাজত ভাতৃত্ববোধ বজাই ৰাখিবপৰা মজিয়া, একোখন মনোৰঞ্জনৰ কেন্দ্ৰ। সত্ৰসমূহত ভাওনা বা অন্যান্য সংস্কৃতিৰ প্ৰচলনৰ এক মহান উদ্দেশ্য হৈছে ধৰ্মৰ জয় অধৰ্মৰ পৰাজয় বাণীৰ মুক্ত প্ৰকাশ। আজিও সত্ৰ বা নামঘৰত সেই বাণীৰ প্ৰকাশ উজ্জ্বল হৈ আছে। সত্ৰৰ মজিয়াত

সত্য সুন্দৰৰ আৰাধনা, অহিংসা নীতি আৰু মানৱতাৰ ৰূপদৰ্শন লাভ কৰি মানৱসমাজ উপকৃত আৰু ধন্য হয়। বৈষ্ণৱ ধৰ্মৰ প্ৰতি আগ্ৰহী লোকসকল আছিল শ্ৰমজীৱী, সাধাৰণ জনতা। মাধৱদেৱকে ধৰি গুৰুজনাৰ সহযোগীসকল আছিল তেনেই সাধাৰণ শ্ৰেণীৰ। তেওঁলোকৰ সহযোগতেই একশৰণ নামধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সত্ৰ আৰু নামঘৰসমূহ প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল আৰু সফলো হৈছিল।

শ্ৰীমন্ত শংকৰদেৱে নিজৰ জন্মস্থান বৰদোৱাত কীৰ্তন ঘৰ নিৰ্মাণ কৰি ভক্তিৰ বীজ ৰোপণ কৰে। এইখনেই শংকৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত প্ৰথমখন সত্ৰ। গৰিমামণ্ডিত বৰদোৱা সত্ৰৰ কীৰ্তন ঘৰ আজিও ভক্তসকলৰ বাবে প্ৰাণকেন্দ্ৰ স্বৰূপ। ইয়াৰ পিছতে আহোম ৰজাৰ ৰোষত পৰি শংকৰদেৱে তেওঁৰ সংগীসকলৰ সৈতে ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ গৈ ধুৱাহাট বেলগুৰি সত্ৰ প্ৰতিষ্ঠা কৰে।

পৰৱৰ্তী পৰ্যায়ত সত্ৰসমূহত অকল কীৰ্তন অথবা ভাগৱত চৰ্চাই নহয় তাৰ লগতে সাহিত্য, সংগীত, নাট, ভাওনা ইত্যাদি সংযোজন কৰা হ'ল। আনহাতে সত্ৰৰ আকাৰ আৰু সৌন্দৰ্য বৃদ্ধি কৰিবৰ বাবে নামঘৰ, মণিকুট, ভঁৰালঘৰ, কৰাপাট, অতিথিশালা, গুৰুগৃহ ইত্যাদি নিৰ্মাণ কৰি সত্ৰৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ওপৰত গুৰুত্ব দিয়া হ'ল। ক'বলৈ গ'লে এই সকলোবোৰ সংযোজন কৰি এখন পূৰ্ণাংগ সত্ৰ নিৰ্মাণ কৰা হৈছিল। এই কাৰ্যসমূহ ৰূপায়িত কৰিবৰ বাবে শংকৰদেৱৰ প্ৰধান শিষ্য শ্ৰী শ্ৰী মাধৱদেৱৰ লগত দামোদৰদেৱে একনিষ্ঠভাৱে অক্লান্ত পৰিশ্ৰম কৰিছিল। সত্ৰৰ ইতিহাসত পোৱা মতে দামোদৰদেৱৰ দ্বাৰা প্ৰতিষ্ঠিত পাটবাউসী সত্ৰখন হৈছে পূৰ্ণাংগ পৰ্যায়ৰ প্ৰথম সত্ৰ। দামোদৰ দেৱৰ সৃষ্টিশীলতা আৰু তেওঁৰ নিৰ্মিত আৰ্হিৰ প্ৰতি শংকৰদেৱ মুগ্ধ হৈছিল। তাৰ পাছত ঠিক তেনে আৰ্হিৰে সত্ৰ নিৰ্মাণ কৰিবলৈ গুৰুজনাই প্ৰিয় শিষ্য মাধৱদেৱকো আদেশ কৰিছিল। পিছলৈ আকৌ মাধৱদেৱৰ শিষ্য বদলা পদ্ম আতা, গোপাল আতা আদি বাপসকলে সত্ৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত যথেষ্ট কষ্ট কৰিছিল।

আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ আৰু লক্ষ্মী সিংহ আদিৰ ছত্ৰছায়াত দামোদৰদেৱে মাজুলীত কেইবাখনো সত্ৰ প্ৰতিষ্ঠা কৰে। পৰৱৰ্তী পৰ্যায়ত শংকৰদেৱ, মাধৱদেৱৰ লগতে দামোদৰদেৱ আৰু হৰিদেৱৰ ঐক্যবদ্ধ প্ৰচেষ্টাত সত্ৰসমূহত বৈষ্ণৱ ধৰ্ম আৰু সত্ৰীয়া সংস্কৃতিৰ প্ৰচাৰ আৰু প্ৰসাৰিত হৈছিল। লাহে লাহে নামনি অসমৰ বিভিন্ন ঠাইত যেনে, সুন্দৰীদিয়া, গণককুছী আদিত সত্ৰ প্ৰতিষ্ঠা হৈছিল। একে সময়তে বৰ্তমান নামনি অসমৰ আটাইতকৈ বিখ্যাত বৰপেটা সত্ৰ প্ৰতিষ্ঠা কৰা হ'ল। সত্ৰৰ সংখ্যাৰ বৃদ্ধিৰ লগে লগে জনসাধাৰণৰ লগত সত্ৰৰ সম্বন্ধ বাঞ্চলি আৰু সাংস্কৃতিক বাতাবৰণৰ ভেটি গঢ়লৈ উঠিল। সত্ৰসমূহত বিভিন্ন ধৰণৰ সাংস্কৃতিক কাৰ্যৰ প্ৰচলন আৰম্ভ হ'বলৈ ধৰিলে। ভকত, বৈষ্ণৱসকলে মিলি সত্ৰ পৰিচালনা কৰি ধৰ্মীয় বাতাবৰণৰ সৃষ্টি কৰিলে। বিভিন্ন ধৰণৰ অংকীয়া নাট, ভাওনা, সত্ৰীয়া নৃত্য, বৰগীত চৰ্চাৰ প্ৰশিক্ষণ আৰু আখৰা কৰা আৰম্ভ হ'ল। লগতে ভাগৱতৰ ধৰ্মীয় কথাবোৰো তাতে বিশ্লেষণ কৰি ভকতসকলে এটা গহীন আৰু আধ্যাত্মিক পৰিবেশৰ সৃষ্টি কৰি তুলিলে। এখন সুশৃংখল আৰু সাংস্কৃতি সম্পন্ন সমাজ শংকৰদেৱে বিচাৰিছিল, য'ত বৈপ্লৱিক চিন্তাদৰ্শনেৰে আগবাঢ়িব পাৰি। সত্ৰসমূহ এই ক্ষেত্ৰত সফল হৈছে বুলি ক'বই লাগিব।

এটা সময়ত দামোদৰদেৱৰ শিষ্য গোপালদেৱে উজনি অসমত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰৰ বাবে দায়িত্বভাৰ গ্ৰহণ কৰিলে আৰু সত্ৰ প্ৰতিষ্ঠাৰ কামত নিয়োজিত হ'ল। তেওঁ প্ৰতিষ্ঠা কৰা সত্ৰসমূহৰ ভিতৰত কাহিকুচি, কমলাবাৰী আৰু ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ ডেৰেৰাপাৰ সত্ৰ অন্যতম। ইয়াৰ উপৰিও উজনি অসমত গোপাল দেৱৰ আন দুখন সত্ৰ হৈছে সৌৱানিক আৰু কুৰুৱাবাহী সত্ৰ। আন তিনিখন লেখত ল'বলগীয়া সত্ৰৰ ভিতৰত নিৰঞ্জন দেৱৰ আউনীআটি সত্ৰ, বনমালী দেৱৰ দক্ষিণপাট সত্ৰ, আৰু জয়হৰি দেৱৰ দ্বাৰা প্ৰতিষ্ঠিত গঞ্জমূৰ সত্ৰ। জানিবপৰা মতে বৰ্তমান মাজুলীত প্ৰায় বাইশখন সত্ৰ ভকত বৈষ্ণৱসকলে পৰিচালনা কৰি আছে। প্ৰতিষ্ঠাৰ ক্ষেত্ৰত গুৰুজনাৰ বিভিন্নগৰাকী শিষ্য যেনে, শ্ৰীৰাম আতা, গোবিন্দ আতা, বৰ বিষ্ণু আতা, পদ্ম আতাৰ লগতে শংকৰদেৱৰ নাতি পুৰুষোত্তমৰ নাম বিশেষভাৱে উল্লেখনীয়।

সত্ৰৰ অন্যতম বৈশিষ্ট হৈছে পবিত্ৰতা। সৰল উদাৰনৈতিক ধৰ্মীয় ব্যৱস্থাৰ এক অনুপম চানেকি। সত্ৰ আছিল গুৰুজনাৰ এক সুস্থ সাংস্কৃতিক চিন্তা চেতনাৰ বীজ। আজি একবিংশ শতিকাতো গুৰুজনাই প্ৰতিষ্ঠা কৰি থৈ যোৱা সত্ৰ বা নামঘৰ অতিশয় প্ৰাসংগিক।কাৰণ সত্ৰসমূহ হৈছে ঐক্য-সম্প্ৰীতিৰ উত্তম স্থান, আধ্যাত্মিক চিন্তাৰ কেন্দ্ৰস্থল, নৈতিক শিক্ষা লাভৰ ক্ষেত্ৰ, অসমীয়া জাতিৰ প্ৰাণকেন্দ্ৰ। সত্ৰ আৰু নামঘৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত শংকৰদেৱ এক দুৰ্লভ উদাহৰণ। শংকৰদেৱৰ অনুপম সৃষ্টি সত্ৰ সংস্কৃতিৰ জৰিয়তে ভক্তিভাৱৰ সৃষ্টি কৰি সুন্দৰ সমাজ প্ৰতিষ্ঠা কৰিবলৈ যি প্ৰচেষ্টা হাতত লৈছিল সেয়া যুগে যুগে আদৰ্শ হৈ ৰ'ব। এই অনবদ্য উপাদানসমূহ চিৰদিন চিৰকাল অমৰ হৈ ৰ'ব।




# বীৰাংগনা কনকলতা

✍ আস্থা প্ৰিয়া বৰা

**ভা**ৰতবৰ্ষৰ স্বাধীনতা আন্দোলনত অসমৰ বীৰ-বীৰাংগনাসকলৰ অৱদান আছিল উল্লেখযোগ্য। "তৰিলে দেশ মৰিলে স্বৰ্গ" এনে বাণীৰে উদ্বুদ্ধ হৈ অসমৰ বহুকেইজন স্বদেশ প্ৰেমিয়ে নিজৰ প্ৰাণকো তুচ্ছ জ্ঞান কৰি দেশমাতৃৰ বাবে প্ৰাণাহুতি দিয়ে। ভাৰত বুৰঞ্জী আৰু অসম বুৰঞ্জীত লিপিৰদ্ধ থকা তেনে বীৰ-বীৰাংগনাসকলৰ ভিতৰত এগৰাকী অন্যতম সাহসী বীৰাংগনা আছিল কনকলতা বৰুৱা। ১৯২৪ চনৰ ১২ ডিচেম্বৰত দৰং জিলাৰ বৰঙাবাৰীত জন্মগ্ৰহণ কৰা কনকলতাই সৰুতেই পিতৃ-মাতৃক হেৰুৱাই মাহীমাক আৰু ককাদেউতাকৰ ছত্ৰছাঁয়াত ডাঙৰ হৈছিল। বিদ্যালয়লৈকে পাঠগ্ৰহণ কৰি শিক্ষাজীৱন আধৰুৱা কৰা কনকলতা আছিল এগৰাকী স্বাস্থ্যবান আৰু কৰ্মঠ গাভৰু। কমবয়সতে ঘৰুৱা কামত পাকৈত হৈ পৰা কনকলতাৰ বিনয় আৰু নম্ৰ স্বভাৱে সকলোকে আকৰ্ষিত কৰিছিল। ককাকৰ মুখত গান্ধীজীৰ অহিংস নীতি আৰু ভাৰতৰ স্বাধীনতা আন্দোলনৰ কথা শুনি কনকলতাই গান্ধীৰ অহিংসনীতিৰ প্ৰতি আকৃষ্ট হৈ পৰে। ১৯৪২ চনৰ কথা। যিসময়ত গণ আন্দোলনে দেশব্যাপী ব্যাপক ৰূপ ধাৰণ কৰিছিল, সেইসময়ত ওঠৰ বছৰীয়া কনকলতাই বৃটিছৰ শোষণ নীতিৰ কথা ভালদৰে বুজিব পৰা হৈছিল। দেশমাতৃক বৃটিছৰ কবলৰ পৰা উদ্ধাৰ কৰাৰ বাবে মনত এক সংকল্প গঢ়ি তোলে। কিন্তু ছোৱালী হোৱা বাবে বহুক্ষেত্ৰত থমকি ৰ'ব লগা হৈছিল। অৱশেষত কনকলতাই

আন্দোলনৰ স্বেচ্ছাসেৱিকা ৰূপে যোগদান কৰিলে। ১৯৪২ চনৰ ৮ আগষ্টত নিখিল ভাৰত কংগ্ৰেছ কমিটিয়ে ভাৰত ত্যাগ প্ৰস্তাৱ গ্ৰহণ কৰিলে। ভাৰতবৰ্ষক ভাৰতবাসীৰ হাতত গটাই বৃটিছক ভাৰতৰ পৰা গুচি যাবলৈ নিৰ্দেশ দিয়ে । ইতিমধ্যে স্বাধীনতা আন্দোলনে চৰম পয্যায়ত উপনীত হ'ল। দেশজুৰি হিংসাৰ দাবানল জ্বলিল। ভাৰতবাসীয়ে অহিংস নীতিৰে আন্দোলনত জঁপিয়াই পৰিল। ভাৰতৰ বহুকেইজন আগশাৰীৰ নেতাক বন্দী কৰাৰ লগে লগে অসমতো গোপীনাথ বৰদলৈ, ফকৰুদ্দিন আলি আহমেদ, বিষ্ণুৰাম মেধি, বিমলা প্ৰসাদ চলিহা আদি নেতাক বন্দী কৰিলে। বৃটিছে কংগ্ৰেছ কমিটিক বে-চৰকাৰী সংগঠন বুলি ঘোষণা কৰি সংগ্ৰাম দমনৰ বাবে পুলিচ, মিলিটেৰী নিয়োগ কৰিলে। দেশৰ জনগণে হিংসাই হওক বা অহিংসাই হওক বৃটিছক ভাৰত ভূমিৰ পৰা খেদাবৰ বাবে উঠি পৰি লাগিল। বিপ্লৱী জনতাই 'মৃত্যুবাহিনী' গঠন কৰি আন্দোলনৰ পথ সলনি কৰিলে। জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষ্মীপ্ৰসাদ গোস্বামী, শংকৰ বৰুৱা আদিয়ে আত্মগোপন কৰি স্বাধীনতা আন্দোলনৰ জুই তীব্ৰৰ পৰা তীব্ৰতৰ কৰি তুলিলে। অসমৰ বিভিন্ন অঞ্চলত নিৰস্ত্ৰ সত্যাগ্ৰহীৰ ওপৰত পাশৱিক অত্যাচাৰে জনগণক বিদ্ৰোহী কৰি তুলিলে। ১৯৪২ চনৰ ২০ ছেপ্তেম্বৰত আন্দোলনৰ কাৰ্যসূচী আছিল থানা কাছাৰীত বৃটিছৰ পতাকা নমাই ভাৰতৰ ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা। এনে বিপজ্জনক কায্যসূচীত অংশ গ্ৰহণৰ বাবে সাহসী কৰ্মীৰ প্ৰয়োজন আছিল ।দৰং জিলাৰ আন্দোলনৰ অন্যতম নায়ক আছিল জ্যোতিপ্ৰসাদ আগৰৱালা, অমিয় কুমাৰ দাস আৰু পুষ্পলতা দাস। গহপুৰ আৰু ঢেকিয়াজুলিত পুষ্পলতা দাসে অগ্নিবৰ্ষা বক্তৃতা প্ৰদানেৰে জনগণক উৎসাহিত কৰি তুলিলে। সকলোৰে নিৰ্ভীকতাৰে আন্দোলনত অংশ গ্ৰহণৰ বাবে আগুৱাই আহিল। ২০ ছেপ্তেম্বৰৰ সমদলত যোগদান কৰিবলৈ জ্যোতিপ্ৰসাদ আগৰৱালাই কনকলতাক আহ্বান জনোৱাত কনকলতা অতিশয় আনন্দিত হৈছিল। পুষ্পলতা দাসে কনকলতা কম বয়সীয়া বাবে মৃত্যুবাহিনীত অংশ লোৱাত বাধা প্ৰদান কৰিছিল। কিন্তু কনকলতাৰ গাত আছিল মূলা গাভৰুৰ তেজ আৰু মনত আছিল প্ৰবল দেশপ্ৰেম আৰু সাহস। তাতে মহাত্মা গান্ধীৰ 'তৰিম কিম্বা মৰিম' বোলা বাণীয়ে কনকলতাৰ বুকু ডাঠ কৰি পেলাইছিল। ককাকৰ পৰা সত্যাগ্ৰহ কৰিবলৈ যাবলৈ অনুমতি লোৱা কনকলতাই মহিলা নেত্ৰী পুষ্পলতা দাসক কৈছিল প্ৰতিগৰাকী নাৰীৰ অন্তৰত দেশপ্ৰেম আছে। তেওঁলোকে নিজৰ দেশ আৰু জাতিক ভাল পায়। ময়ো ভালপোৱাৰ বিনিময়ত সকলোতকৈ আগত ত্ৰিৰংগ পতাকা লৈ গহপুৰ থানাত প্ৰৱেশ কৰিম। কনকলতাই সাহসী বাণীৰে যুৱতীসকলক অনুপ্ৰাণিত কৰিলে। সকলো গহপুৰ থানা অভিমুখে যাত্ৰা কৰিলে। দিনৰ এঘাৰ বজাত সমদলটো থানাৰ সন্মুখত হাজিৰ হ'ল। আটাইকে পুলিচে আগচি ধৰিলে। কনকলতাই বাট এৰি দিবলৈ অনুৰোধ কৰিছিল। কিন্তু বৃটিছ চৰকাৰৰ গোঞ্জা পুলিচসকলে এখোজো আগুৱাবলৈ নিদিলে। কনকলতাই উত্তেজিত হৈ বাধা নামানি চৌহদত প্ৰৱেশ কৰি হাতৰ পতাকাখন উত্তোলন কৰিবলৈ চেষ্টা কৰোঁতে দাৰোগাৰ পিষ্টল বাজি উঠিল । থানাৰ ভাৰপ্ৰাপ্ত বিষয়া ৰেৱতী মোহন সোমৰ নিৰ্দেশত বাজি উঠা পিষ্টলৰ গুলীয়ে কনকলতাৰ কোমল বুকু ভেদ কৰি দেশপ্ৰেমৰ ৰক্ত নিৰ্গত কৰিলে। হাতৰ পৰা ত্ৰিৰংগ পতাকাখন পৰি যোৱাৰ লগে লগে 'বন্দে মাতৰম' ধ্বনিৰে যুৱক মুকুন্দ কাকতিয়ে পতাকাখন তুলি ধৰিলে। মুকুন্দ কাকতিৰ শৰীৰতো পিষ্টলৰ গুলী লাগিল। কনকলতাৰ লগতে মুকুন্দ কাকতিয়েও স্বদেশৰ বাবে জীৱন উৎসৰ্গা কৰিলে। এগৰাকী কম বয়সীয়া যুৱতীৰ জীৱন ত্যাগ আৰু সাহসৰ বাবে অসমবাসী আজিও গৌৰৱান্বিত। জীৱনত কৰি যোৱা বহু কামৰ ভিতৰত কেতিয়াবা এটা কামে মানুহৰ জীৱনলৈ তথা দেশবাসীৰ বাবে বহুমূলীয়া অৱদান যোগায়। কনকলতা বৰুৱাই দেশৰ হকে জীৱন বলিদান দি মহীয়সী নাৰীৰ মাজত স্থান লাভ কৰি ইতিহাসত সোণালী আখৰেৰে লিপিবদ্ধ হৈ ৰ'ল। অসম আৰু অসমীয়া সমাজত কনকলতাৰ দেশপ্ৰেম সদায় অমৰ হৈ থাকিব আৰু নৱ-প্ৰজন্মৰ বাবে প্ৰেৰণা আৰু আৰ্দশ হৈ ৰ'ব ।



# Rabindra Nath Tagore

✍ **Mriganku bordoloi**

**R**abindra Nath Tagore was born in a rich family of Bengal. He, popularly Known as 'Gurudev' or 'Kaviguru', was born in Kolkata on May 8, 1861 in an illustrious family of thinkers, reformers, social and cultural leaders and intellectuals. His father was Maharishi Devendra Nath Tagore and mother Sanadha Devi.

When he was a small boy, he was not sent to school. A teacher taught him at home in Kolkata. He was not much interested in reading. He was sent to school also for some time but he did not learn much there. He did not like books. He was very much inter ested in dramas, music, poetry and art. He began to write poems and short stories at the age of sixteen. He wrote fine things. His father sent him to England for his further studies. He joined the University College London and remained there for sometimes, but he returned back without passing any examunation. He did not get any degree.

He later became a famous poet. He wrote many plays, novels, short stories and poems. He became known as one of the great est poets of Bengal. His greatest and most fa mous poem was "Gitanjali". He translated the "Gitanjali" in to English. This grand poem Has now been translated in many languages of dif ferent countries. The poem made Tagore well known in the whole world. He was awarded Nobel Prize for literature. He was the first In dian to receive the Nobel Prize for his famous poetie creation "Gitanjali" in 1913. His Novels are: (1) Shesher Kobita, (2) Noukadubi, (3) Chaturanga, (4) Goral (1910), (5) Ghane Baire, (6) Chan Odhay. The University of Kolkata gave him the degree of Doctor of letters. He was also given the title of 'Sir' by the Govern ment of India. He travelled through Europe, America, China and Japan etc. Wherever he went, he was given a warm reception. People spoke highly of his learning. He was honoured and admired for his extraordinary literary ge nius and fine speeches.

In 1901 he opened his famous school at a small village, named Bolpur. This School is very famous in the world. It has no grand build ing. This school is an open air school. The stu dents live among natural objects and scenery. Students comes from all pants of the world to receive education there. They are taught read ing, writing, art, music, dancing and singing. It is a matter of great pride that our late Prime Minister. Smt Indira Gandhi. This open air school is of its own kind in the world. We can never forget the immortal name of this great poet, writer and Philosopherr so long as this school remain in existence. He also founded 'Shantiniketan' which is regarded as a seat of learning of Indian culture and tradition. There the boys were given complete freedom to do what they liked. There was self government and close brotherly relation be tween the boys and teachers. Now it has been turned into a university called Biswabharati. Rabindra Nath Tagore was a great genius. He was a sage and looked like a sage. He wore long hair and a long beard. The voice and song of humanity, a great son of India, a great bard and lover of nature died in Kolkata on 7th Au gust, 1941, a few years before India's inde pendence in 1947, He also gave India, its Na tional anthem "Jana Gana Mana" truely what ever his genius touched truned into gold and immortality.



# কলীয়াভোমোৰা এটি চমু পৰিচয়

✍ কস্তুৰী বৰা

কলীয়াভোমোৰা বৰফুকনৰ প্ৰকৃত নাম গেন্ধেলা। তেওঁ আহোম ৰজাৰ ৰাজখোৱা বিষয়ব্বীয়া আছিল। আৰু গৌৰীনাথ সিংহৰ দিনৰ মোৱামৰীয়া দুয়োটা বিদ্ৰোহত স্বৰ্গদেউৰ সপেক্ষে বীৰত্বৰে যুঁজ দিছিল। সন্দিকৈ বংশৰ এইজনা বীৰে যুদ্ধ ক্ষেত্ৰত অতি ক্ষিপ্ৰ গতিৰে শত্ৰু সৈন্যক নিধন কৰাৰ বাবে কলীয়াভোমোৰা নামেৰে প্ৰসিদ্ধ হৈ উঠিছিল। বদন বৰফুকনে গুৱাহাটীত উৎপাত আৰম্ভ কৰাৰ পাছতে কমলেশ্বৰ সিংহ সিংহাসনত উঠিয়েই বদনক বৰফুকন পাতে। গুৱাহাটীৰ লোক সকলৰ লগত তেওঁ মিলিজুলি কাম কৰিব বিচাৰিছিল। কলীয়াভোৰা বৰফুকনৰ তলত বিষয়া ৰঙিয়াৰ হৰদত্ত আৰু বীৰ দত্ত নামেৰে দুই ভাতৃয়ে স্বৰ্গদেউক বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰে। মোৱামৰীয়া বিদ্ৰোহত বিধ্বস্ত আহোম ৰজাৰ বিৰুদ্ধে বিদ্ৰোহ কৰা হৰ দত্ত, বীৰ দত্তক গুৱাহাটীৰ বহুলোকে সহায় কৰে। আনকি বিজনী আৰু কোঁচ বিহাৰৰ ৰজাৰ পৰাও এই দুই বিদ্ৰোহীয়ে তলে তলে সহায় পাই কামৰূপৰ উত্তৰ ফাল অধিকাৰ কৰিলে। কলীয়াভোমোৰা বৰফুকনে বহু ছল বুদ্ধি আৰু বীৰত্বৰে আনকি আসমৰ বাহিৰৰ পৰা সৈন্য আনি হৰ দত্ত বীৰ দত্ত চৌধুৰীৰ দৰে বিদ্ৰোহীক দমন কৰে আৰু সপৰিয়ালে ধৰি আনি বধ কৰে।

ইয়াৰ পাছতে আহোম স্বৰ্গদেৱে কলীয়াভোমোৰা বৰফুকনক ' প্ৰতাপ বল্লভ' নাম দিয়ে আৰু হৰ দত্তৰ মাটি সম্পতিৰ সকলোখিনি তেওঁক দান কৰে। উল্লেখ্য হৰ দত্ত বীৰ দত্তৰ এই বিদ্ৰোহক দন্দীয়াদ্ৰোহ বা ডুমডুমীয়া বিদ্ৰোহ কৰি আহি শিলঘাট পাইছিল। কলীয়াভোমোৰাৰ সৈন্যই কঠোৰ হাতেৰে বিদ্ৰোহ দমন কৰি বিদ্ৰোহীক হত্যা কৰি সিহঁতৰ মূৰবোৰ সকলোৱে দেখা দেখাকৈ শাৰীৰ শাৰীকৈ সজাই থৈছিল। যাতে কোনোৱে বিদ্ৰোহ কৰিবলৈ সাহস নকৰে। আহোমৰ দিনত কলিয়াভোমোৰা বিষয়ে হিতেশ্বৰ বৰ বৰুৱাই লিখিছে। "প্ৰকৃততে ৰাজনীতিজ্ঞ ল'ৰা আছিল। নগৰত ঋৰ্নানন্দ বুঢ়াগোহাঁই ডাঙৰীয়া আৰু গুৱাহাটীত কলীয়াভোমোৰা বৰফুকন এই দুজনা প্ৰধান বিষয়াৰ বিচক্ষন বুদ্ধিৰ বলতে কমলেশ্বৰ সিংহ স্বৰ্গদেউৰ ৰাজত্বৰ কালত শাসন কাৰ্য অতি সুন্দৰ ভাৱে চলিছিল।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ সতে দক্ষিণ পাৰৰ সংযোগ ঘটাই আহোম ৰাজ্যৰ শাসনকাৰ্য সূচাৰুৰূপে চলোৱাৰ লগতে ব্ৰহ্মপুত্ৰৰ ,এই দুয়োপাৰৰ লোকসকলৰ মাজত সু-সৰ্ম্পকৰ সৃষ্টি হয়। তাৰ তেওঁ তেজপুৰৰ ওচৰত দুয়োপাৰ সংযোগ কৰিবলৈ এখন দলং সাজিব বিচাৰিছিল আৰু সেই ক্ষেত্ৰত শালকাঠ আনি বহু আগবাঢ়িছিল কিন্তু নিষ্ঠুৰ নিয়তিয়ে তেওঁক ১৮১০ চনৰ নৱেশ্বৰত ইহলীলা সম্বৰণ কৰিবলৈ বাধ্য কৰায়। এই বৰফুকন জনৰ বিষয়ে হিতেশ্বৰ বৰবৰুৱাই আৰু লিখিছে— "তেওঁৰ বহুদৰ্শিতা গুণো নিতান্ত প্ৰশংসনীয়। ব্ৰিটিছ গৰ্ব্বনমেণ্টৰ পৰাক্ৰম যে শ্ৰেষ্ঠ আৰু সিবিলাকৰ সাহাৰ্য যে আদৰণীয় সেইটো তেওঁ সুন্দৰ ৰূপে জনিছিল। সেই কাৰণে কোঁচ বিহাৰৰ দৰে আমাৰ অসম দেশকো ব্ৰিটিছ গৰ্ব্বনমেণ্টক 'নলবন্দী' দি মিত্ৰতা কৰিবলৈ তেওঁ বৰ যত্ন কৰিছিল কিন্তু পূণানন্দ ডাঙৰীয়াই তাত প্ৰতিবন্ধক জন্মোৱাত কাম সমূহ নিয়াৰিকৈ হৈ উঠিব নোৱাৰিছিল। তেওঁৰ কামসমূহ হৈ উঠা হ'লে সম্ভৱত আজি আহোমৰ এনে শোচনীয় অৱস্থা নহ'লহেঁতেন।



# Women's Empowerment

✍ **Puja Singh**

*I raise up my voice- not so I can shout, but so that those without a voice can be heard... we cannot succeeded when half of us are held back!*
*–Malala Yausafzai*

Women's empowerment can be defined as promoting women's sense of self-worth, their ability to determine their own choices, and their ability and right to influence soical change for themselves and others. It is closely aligned with female empowerment, a fundamental human right that's also key to achieving a more peaceful, prosperous world.

In western countries, female empowerment is often associated with specific phase of the women's rights movement in history. This movement tends to be split into three waves, the first beginning in the 19th Century and early 20th century where sulfrage was a key feature.

The second wave of the 1960s included the sexual revolution and the role of women in society. Third wave feminism is often seen as beginning in the 1990s.

Women empowerment and promoting women's rights have emerged as a part of major global movement and is continuing to break new ground in recent years. Days like International Women's Day are also gaining momentum.

Women's Empowerment in achieving gender equality is essential for our society to ensure the sustainable development of a country. Many world leaders and scholars have argeed that sustainable development is impossible without gender equality and women's empowerment Sustainable development accepts environmental protection, social and economic development, including women's empowermet. In the context of women and development, empowerment must include more choices for women to thrive on their own.


# গ্ৰন্থ সমালোচনা

গ্ৰন্থই কঢ়িয়াই জ্ঞানৰ সুবাস

গ্ৰন্থৰ বুকুত সমাজ

আৰু

সভ্যতাৰ ইতিহাস




# মোৰো এটা সপোন আছে

✍ ৰিম্পী শইকীয়া

**শে**হতীয়াকৈ পঢ়ি ভাল লগা এখন গ্ৰন্থ হৈছে লেখক ড° ৰুবুল মাউতৰ 'মোৰো এটা সপোন আছে'। গ্ৰন্থখনৰ প্ৰতি আকৰ্ষণ হোৱাৰ অন্য এটা কাৰণ হৈছে গ্ৰন্থখনৰ নামটো। কিয়নো প্ৰতিজন মানুহৰেই একোটা নিজস্ব সপোন থাকে আৰু সেই সপোনৰ আলমতেই আমি আমাৰ জীৱনটোক সজাবলৈ যত্ন কৰোঁ। জীৱনটোক সুন্দৰকৈ সজাই তুলিব পৰাটোও এটা কলা। যদিও জীৱনৰ বাটত কেতিয়াবা বহুতো বাধাৰ সন্মুখীন হ'ব লগা হয় আৰু সেই বাধাক নেওচি আগুৱাই যাব পৰাজনেই একোজন সফল ব্যক্তি। তেনে এজন সফল ব্যক্তি হৈছে ড° ৰুবুল মাউত। তেখেতৰ আত্মজীৱনীমূলক গ্ৰন্থ "মোৰো এটা সপোন আছে" ত তেওঁৰ জীৱন সংগ্ৰামৰ বিষয়ে সুন্দৰকৈ বৰ্ণনা কৰিছে। ইতিমধ্যে সকলো মাধ্যমতে এই গ্ৰন্থ খনৰ বহুল চৰ্চা হৈছে। কিয়নো জীৱনৰ সৈতে আমাৰ অহৰহ যি সংগ্ৰাম সেই সংগ্ৰামক

আগুৱাই নিয়াত এক সাহস তথা প্ৰেৰণাৰ একোটা থল হ'ব পাৰে, বিশেষকৈ আমাৰ দৰে প্ৰতিজন নৱ-প্ৰজন্মৰ। লেখকৰ জন্মভূমি অসম-অৰুণাচল সীমান্তৰ কৈলাশপুৰৰ টঙনা ন-গাঁৱৰ বেতনি গাঁৱৰ পৰা সুদূৰ আমেৰিকাৰ মাচাছুচেটচ বিশ্ববিদ্যালয়লৈ যোৱাৰ এক মনোৰম তথা প্ৰেৰণাদায়ক কাহিনী গ্ৰন্থখনত বৰ্ণনা কৰিছে। লেখকে গ্ৰন্থখনক চাৰিটা খণ্ডত ভাগ কৰিছে। শৈশৱ, সংগ্ৰাম, সুযোগ আৰু দেউতাৰ অসুখ।

লেখকে শৈশৱৰ প্ৰথমভাগতে পঢ়া টেবুলৰ কথাৰে লিখিছে-বহল চাংখনৰ কাষতে দীঘল টেবুলখন। চাৰিটা খুটা পুতি বাঁহেৰে বনোৱা টেবুলখন আচলতে এখন চাঙেই। টেবুলৰ ওপৰত নিৰ্দিষ্ট স্থানত থাকে মোৰ, বাইদেউ আৰু ককাইদেউৰ কিতাপ-পত্ৰ, বহী। কণ আৰু মুন তেতিয়াও স্কুল যাবৰ হোৱাই নাই। সন্ধিয়া হ'লেই টেবুলৰ সন্মুখত বৈ আমি আটায়ে প্ৰাৰ্থনা জুৰোঁ। কেতিয়াবা কণ-মুনেও উলাহতে যোগ দিয়ে। সিহঁতৰ বাবে প্ৰাৰ্থনাত যোগ দিয়াটো এক আমোদৰ কাৰ্য। মোৰ বাবে প্ৰাৰ্থনা আছিল কেৱল এক পুৱা-গধূলিৰ গীত। পুৱা হ'লে যিদৰে বেলি ওলায়, গধূলি মাৰ যায় নতুবা পুৱা গোহালিৰ গৰু মেলি দিয়া হয়, গধূলি আকৌ বান্ধি থোৱা হয়, ঠিক প্ৰাৰ্থনাও মোৰ বাবে পুৱা-গধূলি পালন কৰা নিয়ম।

অভাৱে পিষ্ট কৰিলেও লেখকৰ মাক-দেউতাকে হয়তো শিক্ষাৰ গুৰুত্ব ভাল দৰেই বুজিছিল। সেয়েহে ল'ৰা-ছোৱালীকেইটাক বিদ্যালয়লৈ পঠিওৱাৰ লগতে কাহিলীপুৱাতে সিহঁতক টোপনিৰ পৰা জগাই পঢ়িবলৈ দিয়াৰ কথা উল্লেখ কৰিছে। আনহাতে পথাৰত গৰু চৰাব গ'লেও কিতাপ-বহী লৈ যাবলৈ দিয়াৰ কথাও কৈছে। ৰাতিপুৱা সোনকালে উঠি অলপমান সময় কিতাপ পঢ়ি দেউতাকক পথাৰত সহায় কৰা, বিদ্যালয়ৰ পৰা অহাৰ পিছত পুনৰ গৰু চৰাবলৈ পথাৰলৈ যোৱা, বজাৰত শাক-পাচলি বিক্ৰী কৰিবলৈ যোৱা আদি কামবোৰৰ দায়িত্বও তেওঁ ছাত্ৰাৱস্থাতে পালন কৰিব লগা হৈছিল। ভোকৰ তাড়নাত দুবাৰমান ৰাস্তাত বনুৱাৰ কাম কৰিবলৈও বাধ্য হৈছিল। এই কথাবোৰে পৰৱৰ্তী পৰ্যায়ত লেখকক দায়িত্ববোধৰ শিক্ষা দিয়া বুলি স্থানান্তৰত তেওঁ স্বীকাৰ কৰিছে। অৱশ্যে উৎসাহজনক কথাটো হ'ল এই সকলোবোৰ দুখ-কষ্টৰ মাজতো তেওঁ বুকুত কঢ়িয়াই ফুৰা সপোনটো বৰ সযতনে পালন কৰিছিল। নিজৰ একাগ্ৰতা আৰু ভাগ্যক অৱলম্বন কৰি জীৱনৰ জটিল পথবোৰ অতিক্ৰম কৰিছিল। এই নিৰ্মম পৃথিৱীখনত মূল্যবোধৰ জীৱন এটা যাপন কৰিবলৈ অহৰহ চেষ্টা কৰিছিল। উচ্চৰ পৰা উচ্চতৰ পৰ্যায়লৈ আৰোহণ কৰোঁতে অতিক্ৰমি অহা পথটিৰ স্মৃতিও মনৰ পৰা মচি পেলোৱা নাছিল। সাধাৰণতে একোজন সাধাৰণ শিশুৱে শৈশৱত যি ৰং ধেমালি আৰু আনন্দৰ সৈতে একোটা সুকীয়া জীৱন যাপন কৰে তাৰ বহু বিপৰীত জীৱন এটা লেখকে অতিবাহিত কৰিছে। লেখকে উল্লেখ কৰিছে যে গ্ৰীষ্মৰ বন্ধ লেখকৰ প্ৰিয় নাছিল। কিয়নো সেই কেইটা দিনত লেখকৰ শাৰীৰিক কষ্ট বহুত হৈছিল। গাঁওখনৰ অৱস্থিতি সম্পৰ্কে লেখকে কৈছে, "এই খণ্ডৰ পৃথিৱীলৈ যাতায়াতৰ ব্যৱস্থা তেনেকৈ নাছিলেই। দূৰণিবটীয়া আলহী আহিলে ডুমডুমাৰপৰা বেতনিলৈ কমেও আধাদিন খোজ কাঢ়িব লাগিছিল। ইফালে ৰাস্তা-ঘাটৰ আকাৰ-আকৃতি আছিল অতি শোচনীয়, বাৰিষাৰ দিনত ফেনে-ফোটোকাৰে বৈ থকা নৈ-জান পাৰ হৈ দূৰণিবটীয়া মানুহবোৰ আমাৰ ঘৰলৈ অহাটো আছিল কল্পনাৰো অগোচৰ। তাৰ পিছতো মনৰ অদম্য হেঁপাহৰ জৰিয়তে অৱশেষত অজস্ৰ সংগ্ৰামৰ মাজতো তেওঁ প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে।


লেখকৰ 'সংগ্ৰাম' অধ্যায় আৰম্ভ হৈছে হায়াৰ চেকেণ্ডাৰী পঢ়িবলৈ তিনিচুকীয়ালৈ যোৱাৰ পৰা আৰু শেষ কৰিছে TIFR ত বিজ্ঞানী হিচাবে যোগদান কৰি কাৰ্যকাল আৰম্ভ কৰাত। লেখকৰ অন্য এক সংগ্ৰামৰ মনোৰম বৰ্ণনা কৰিছে এই ২য় অধ্যায় "সংগ্ৰাম"ত। কেনেকৈ তেওঁ বাৰিষাকালত পাঁচ-ছয় কিলোমিটাৰ খোজকাঢ়ি কলেজলৈ গৈছিল। লেখকক পঢ়োৱাৰ নামত লাহে লাহে ঘৰৰ মাটি, গৰু-ছাগলীবোৰ নাইকিয়া হোৱা, ককায়েকে ছিকিউৰিটি গাৰ্ডৰ কাম কৰা, ইয়াৰ মাজতে ঘৰৰ আইতাকৰ মৃত্যু এই সকলোবোৰৰ অতি স্পষ্টকৈ উপস্থাপন কৰিছে। পইচাৰ অভাৱৰ বাবে লেখকে কেইবাবাৰো অনৈতিক কাম কৰাৰ কথা উল্লেখ কৰিছে। এইদৰে এদিন হায়াৰ চেকেণ্ডাৰী পৰীক্ষাৰ ৰিজাল্ট ওলাল। লেখকে প্ৰথম বিভাগ নাপালে। যাৰবাবে বহুতে তেওঁক তিৰস্কাৰ কৰে। কোনোৱে আকৌ চাকৰিত ইণ্টাৰভিউ দিবলৈ পৰামৰ্শ দিয়ে যদিও চাকৰি নিবিচৰাকৈ তিনিচুকীয়া কলেজত কেমিষ্ট্ৰীত অনাৰ্চ লৈ পুনৰ পঢ়িবলৈ আৰম্ভ কৰে। এদিন সকলোকে আচৰিত কৰি লেখকৰ ৰিজাল্ট ফাৰ্ষ্টক্লাছ আহে। তাৰ পিচত মাষ্টৰ ডিগ্ৰী পঢ়াৰ অন্য এক সংগ্ৰাম লেখকে বৰ্ণনা কৰিছে। এইদৰে অহৰহ সংগ্ৰাম, কঠোৰ প্ৰচেষ্টা আৰু বহু ধৈৰ্যৰ মাজেৰে জীৱনৰ বাটত আগুৱাই এদিন তেওঁ টি আই এফ আৰৰ চাকৰিটোত যোগদান কৰে।

তৃতীয় অধ্যায় 'সুযোগ' ত লেখকে TIFR ত বিজ্ঞানী হৈ থাকোঁতে হোৱা বিভিন্ন নতুন অভিজ্ঞতা, এখন সম্পূৰ্ণ নতুন পৃথিৱীৰ

সৈতে হোৱা সহাৰস্থান, প্ৰশিক্ষণৰ বাবে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ যাবলৈ পোৱা সুযোগ আৰু তাৰ আলমতে পিছলৈ পি এইচ ডিৰ বাবে সুযোগ পোৱা আদিৰ বিৱৰণ দাঙি ধৰিছে। বিদেশত থাকিলেও তেওঁ নিজৰ শিপা পাহৰি যোৱা নাছিল। বাৰে বাৰে পুৰণি দিনবোৰৰ কথা সোঁৱৰণ কৰি ঘৰলৈ মনত পেলাইছিল। চতুৰ্থ অধ্যায় "দেউতাৰ অসুখ" ত লেখকে TIFR এৰি আমেৰিকাত গৱেষণা কৰি থকাৰ মাজতে হোৱা দেউতাকৰ দুৰাৰোগ্য অসুখ আৰু তাৰ ফলশ্ৰুতিত দেউতাকৰ মৃত্যুৰ বৰ্ণনা কৰিছে। কাকতালীয়ভাৱে দেউতাকৰ অসুখটো আছিল তেখেতৰ গৱেষণাৰ বিষয়ৰ স'তে একে।

"মোৰো এটা সপোন আছে" গ্ৰন্থখন মূলত আত্মজীৱনীমূলক গ্ৰন্থ যদিও একোখন উপন্যাসৰ দৰেই ইয়াৰ কাহিনীভাগ ৰসাল। লেখকৰ ভাষা অতি প্ৰাঞ্জল। গ্ৰন্থখন একেবহাতে কোনো বিৰক্তি অনুভৱ নকৰাকৈ পঢ়ি শেষ কৰিব পাৰি। গ্ৰন্থখনৰ এটা উল্লেখযোগ্য দিশ হৈছে ইয়াৰ স্পষ্টতা। লেখকে কাহিনীভাগ আগবঢ়াই নিওঁতে কতো অতিৰঞ্জিত কৰা নাই। লেখকে নিজৰ প্ৰতিটো দিশ সম্পূৰ্ণ স্পষ্টকৈ বৰ্ণনা কৰিছে। লগতে গ্ৰন্থখনৰ কাহিনীটো অতিকে প্ৰেৰণাদায়ক। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে। যাৰ জৰিয়তে অনুভৱ কৰিব পাৰি যে শিক্ষাৰ ক্ষেত্ৰত দৰিদ্ৰতা কেতিয়াও হেঙাৰ হ'ব নোৱাৰে, যদিহে নিজৰ একাগ্ৰতা, সততা আৰু কৰ্মনিষ্ঠা থাকে। এই কঠোৰ অধ্যৱসায়ে এদিন আমাক আমাৰ জীৱনৰ লক্ষ্যত উপনীত হোৱাত অৰিহণা যোগায়।






# Three Mistakes of My life

✍ **Jitendra Singh**

Chetan Bhagat is an author of five best selling novels. He is seen as a youth icon more than an author. He always tries to convey some message through his books. **Three Mistakes of My Life** is one such book in which the characters are young, ambitious, passionate and have the same moral, social and religious dilemmas as many of the young Indians have today. The three main characters in this story are Govind, a math teacher who has passion for account and business, Ishaan for whom cricket is the element around which his life revolves and Omi, a son of a priest who is ready to do anything for his friends. Govind sets up a sports shop along with his friends in the temple's premises. The shop prospers as Ishaan coaches young boys in cricket and then he meets Ali a young boy with hyper reflex condition that makes him hit each ball for a six. So the three friends go in to the business together, and it works fairly well. Govind is eventually coaxed in tutoring Ishaan's 17 year old sister to help her prepare for exams. Naturally something more develops between them. Govind has great ambitions, but there are some forces that can overwhelm even the best laid plans. The triple whammy hits the three friends is a devastating earthquake hitting particularly close to home. This later led to widespread Hindu retaliation against Muslim led by Omi's uncle. Omi saves Ali from his uncle and Ishaan finds out about Vidya and Govind. He betrays him. His mother convinces Ishaan to forgive Govind. Ishaan with his sister come to meet Govind in the hospital and they become friends again. This book gives a clear picture about the consequences of communalism, and I feel that having a secular feeling is very important in an individual's way of thinking, because one cannot always fight fire with fire.

# ভিন্ন জন
# ভিন্ন অনুভৱ



# কৃষি আইন ২০২০ আৰু কৃষক বিদ্ৰোহ ঃ এক চমু অৱলোকন

✍ **সৌৰভ শইকীয়া**

**সা**ম্প্ৰতিক সময়ত ভাৰতীয় কৃষি অৰ্থনীতিত কৃষি আইন ২০২০ এ এক বিশেষ গুৰুত্ব লাভ কৰিছে। সংসদৰ অধিৱেশনত ২০ চেপ্তেম্বৰ, ২০২০ তাৰিখৰ দিনা ভাৰত চৰকাৰে দেশৰ কৃষিখণ্ডৰ বৈপ্লৱিক পৰিবৰ্তন অনাৰ ঘোষণাৰে তিনিখন আইন প্ৰণয়ন কৰিছিল। এই আইন কেইখন গভীৰভাৱে অধ্যয়ন কৰিলে অনুভৱ কৰিব পৰা যায় যে ভাৰতীয় কৃষি অৰ্থনৈতিক পুঁজিবাদী কৃষি অৰ্থনীতিলৈ পৰিৱৰ্তন কৰিব বিচৰা হৈছে। কেন্দ্ৰীয় চৰকাৰে এই আইন কেইখন প্ৰণয়নৰ জৰিয়তে অত্যাৱশ্যকীয় সামগ্ৰীৰ ধাৰণা নিৰ্মূল কৰাৰ সম্পৰ্কে বিবেচনা কৰা বুলি ভবাৰ থল আছে। ইয়াৰ জৰিয়তে খাদ্য-দ্ৰব্যৰ মজুতৰ সীমা উঠাই দি সীমাহীন কৰা হৈছে। কপৰেট হাউছবোৰে এতিয়াৰে পৰা জনসাধাৰণৰ জীৱন ধাৰণৰ অত্যাৱশ্যকীয় সামগ্ৰীবোৰকে ধৰি সকলো খাদ্য-সামগ্ৰী বজাৰত কিনি কোটি-কোটি টন জমা কৰি ৰাখিব পাৰিব। এই সামগ্ৰীবোৰৰ বজাৰ আমেৰিকাৰ একচেতিয়া খাদ্য-সামগ্ৰী ব্যৱসায়ীবোৰৰ নিচিনাকৈ নিয়ন্ত্ৰিত হ'ব। নতুন কৃষি আইনখনত ন্যুনতম সহায়ক মূল্যৰ কোনো উল্লেখ নাই। এতিয়াৰে পৰা কৃষকে মণ্ডীত যোৱাৰ আৱশ্যক নাথাকিব, কৃষকৰ ইচ্ছা মতে খোলা বজাৰত কৃষিজাত খাদ্য সামগ্ৰী বিক্ৰী কৰিব পাৰিব। আইন কেইখনৰ এনে দিশসমূহৰ বাবেই দেশৰ কৃষক সমাজ প্ৰতিবাদমুখৰ হৈ উঠিছে। উৎপাদিত কৃষিৰ ন্যুনতম সমৰ্থন মূল্যৰ দাবীত পঞ্জাৱ, হাৰিয়ানা, কেৰালা, মধ্যপ্ৰদেশ, গুজৰাট, উত্তৰ প্ৰদেশকে ধৰি বহুতো ৰাজ্যৰ হেজাৰ হেজাৰ কৃষকে দিল্লীত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। কেন্দ্ৰীয় চৰকাৰে গৃহীত কৰা কৃষি আইন অনুসৰি কৃষকসকলক বিপনন পৰিষদসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত বজাৰৰ বাহিৰেও অন্য স্থানত ফচল বিক্ৰীৰ পথ মোকলাই দিয়া হৈছে। একেদৰে বৃহৎ পুঁজিপতিসকলেও কৃষকৰ লগত আগতীয়াকৈ চুক্তি কৰি খেতি কৰিব পৰাৰ ব্যৱস্থা আছে। চৰকাৰে আইন কেইখনৰ সমৰ্থনত ক'ব বিচাৰিছে যে ইয়াৰ দ্বাৰা কৃষিখণ্ডৰ ব্যক্তিগত বিনিয়োগ বাঢ়িব আৰু নতুন আন্তঃগাথনিৰ সৃষ্টি হ'ব। তদুপৰি মুকলি বজাৰত বিক্ৰী হ'লে বজাৰত সৃষ্টি হোৱা প্ৰতিযোগিতাৰ লাভ কৃষকে অৰ্জন কৰিব পাৰিব। কিন্তু চৰকাৰৰ এই আহ্বানে কৃষকসকলক আশ্বস্ত কৰিব পৰা নাই। কৃষকসকলৰ মতে, সুষম ন্যুনতম মূল্য (এম.এছ.পি.) প্ৰত্যাহাৰ কৰিলে ব্যক্তিগত খণ্ডই বা ডাঙৰ ডাঙৰ ব্যৱসায় গোটে, পুঁজিপায়ে কেতিয়াও কৃষকসকলক উপযুক্ত মূল্য প্ৰদান নকৰিব বা উৎপাদিত সামগ্ৰী বৃদ্ধি পালে পানীৰ দৰত কৃষকসকলে মুকলি বজাৰত ফচল বিক্ৰী কৰিবলগীয়া হ'ব। এই এম.এছ.পি. বাহাল ৰখাৰ দাবীত প্ৰায় সমগ্ৰ ভাৰতৰ কৃষিপ্ৰধান ৰাজ্যকেইখনৰ কৃষকসকলে গঢ়ি তোলা বিদ্ৰোহে দিল্লী তথাৰ উত্তৰ ভাৰত কঁপাই তুলিছে। প্ৰতিদিনে না না দল-সংগঠনে কৃষকসকললৈ সমৰ্থন জনাই আন্দোলনত সহযোগ কৰিছে। ভাৰতৰ কৃষিখণ্ডই প্ৰত্যক্ষভাৱে বা পৰোক্ষভাৱে বৃহৎ সংখ্যক লোকক কৰ্ম সংস্থাপন দিয়ে। যিহেতু ভাৰতৰ অৰ্থনীতিৰ মূল ভেঁটি। গতিকে, নতুন কৃষি আইনৰ ফলত দেশৰ কৃষকসকল যথেষ্ট সমস্যাৰ সন্মুখীন হ'ব বুলি অনুভৱ হয়। গতিকে, আমি আশা কৰিম চৰকাৰ আৰু কৃষকবিলাকৰ মাজত আলোচনাৰ মাধ্যমেৰে উদ্ভৱ হোৱা সমস্যাসমূহৰ সমাধানসূত্ৰ নিৰ্মিত হ'ব।



# শিক্ষাৰ প্ৰয়োজনীয়তা

✍ তৃষ্ণা সন্দিকৈ

শিক্ষাৰ হৈছে এনে এটা বিষয় যাক জন্মৰ পৰা মৃত্যুলৈ বা আজীৱনলৈ শেষ কৰিব নোৱাৰি। প্ৰকৃততে শিক্ষা হ'ল এবিধ কলা। মানুহক আন্ধাৰৰ পৰা পোহৰৰ বাট দেখুৱাই দিয়া একমাত্ৰ সহায়ক হ'ল শিক্ষা।

শিক্ষাৰ অবিহনে কোনো মানুহেই জীৱনত উন্নতি সাধন কৰিব নোৱাৰে। এখন সমাজ, এখন দেশ প্ৰগতিৰ পথত আগবাঢ়ি যোৱাৰ মূল কেন্দ্ৰবিন্দুৱেই হ'ল শিক্ষা। সমাজ বা দেশৰ নাগৰিকসকল সু-শিক্ষাৰে শিক্ষিত হ'ব নোৱাৰিলে সমাজ বা দেশে উন্নতি সাধন কৰিব নোৱাৰে।

শিক্ষা হ'ল মানৱ জীৱনৰ চৰিত্ৰ আৰু জ্ঞান আহৰণৰ প্ৰধান উপাদান। সেয়েহে সাম্প্ৰতিক কালত শিক্ষাৰ প্ৰয়োজনীয়তা অতিকৈ গুৰুত্বপূৰ্ণ। ই হ'ল মানুহৰ পৰম বন্ধু। ঘৰৰ ৰান্ধনীশালৰ পৰা আৰম্ভ কৰি দূৰ দিগন্তত থকা আকাশ মাৰ্গলৈকে শিক্ষাৰ প্ৰয়োজন। আজিৰ শিশু কাইলৈ হ'ব দেশৰ নাগৰিক। গতিকে শিশু সু-শিক্ষিত কৰি গঢ়ি তোলাৰ ক্ষেত্ৰত শিক্ষাৰ অতিকৈ প্ৰয়োজন। কিন্তু সেই শিক্ষাও হ'ব লাগিব গুণগত।

শিশু এটিক শিক্ষা দিবলৈ যাওঁতে সকলো দিশতে শিশুটিয়ে শিক্ষা কৰিছেনে নাই তাৰ প্ৰতি লক্ষ্য ৰখাটো অতিকৈ প্ৰয়োজন।

এই ক্ষেত্ৰত প্ৰধান ভূমিকা ল'ব লাগিব নিজৰ। তাৰ পিছত শিক্ষানুষ্ঠানৰ শিক্ষকসকলৰ দায়িত্ব আহিব। ঘৰখনেই হ'ল শিশুৰ শিক্ষাৰ পঢ়াশালি আৰু মাতৃয়েই হ'ল শিক্ষয়িত্ৰী লগতে ঘৰখনৰ এটি সুস্থ সবল পৰিৱেশ লাগিব। এই পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰিয়েই শিশুসকল আগবাঢ়ি যাব লাগিব।

বৰ্তমান পৰিস্থিতিত কলা সংস্কৃতি বিজ্ঞান আদি ক্ষেত্ৰত মানুহ সকলো দিশলৈ ধাৱিত হৈছে। গতিকে সকলো দিশতে শিক্ষা প্ৰদান কৰাই এটা সুস্থ সবল শিশু গঢ়ি তুলিব পাৰিলেহে শিক্ষাৰ প্ৰয়োজনীয়তাৰ মহত্ব ফুটি উঠিব।

বৰ্তমান অৱস্থাত শিক্ষাৰ প্ৰয়োজনীয়তাখিনিক আমি সকলোৱে গ্ৰহণযোগ্য বুলি মানি ল'ব লাগিব। আমাৰ কৰ্মৰাজিৰ জৰিয়তে মহাপুৰুষসকলৰ আদৰ্শক লৈ আমি শিক্ষা গ্ৰহণ কাৰ্যত অশেষ চেষ্টা কৰি কৰ্তব্যত আগবাঢ়ি গৈ নিজকে দেশৰ সু-নাগৰিক হিচাপে গঢ়ি তুলিব পাৰিলেহে শিক্ষাৰ প্ৰয়োজনীয়তা তথা মহত্ব ফুটি উঠিব।



# যুৱ উচ্ছৃংখলতা

✍ **ৰিমঝিম বৰা**

**এ**খন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হ'ল যুৱ সমাজ। এই যুৱ শক্তিক কেন্দ্ৰ কৰি সমাজত গা কৰি উঠা এটা প্ৰধান সমস্যা যুৱ-উচ্ছৃংখলতাই ভয়াবহ ৰূপ ধাৰণ কৰিছে। পৰিৱেশ পৰিস্থিতিৰ প্ৰতিকুলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্ম নিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলতেই সৃষ্টি হোৱা যুৱ উচ্ছৃংখলতাই হৈ পৰিছে এক সামাজিক ব্যাধি।

যুৱ সমাজৰ এচাম বিপথে যোৱাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে। সাম্প্ৰতিক সমাজত কম বয়সীয়া যুৱক-যুৱতীক বিনা দ্বিধাই ভোগ, সৰ্বস্ব জীৱনৰ সহজ পথ দেখুৱাই দিয়াৰ বাবে জগৰীয়া অভিভাৱকসকল। টেলিভিচনযোগে প্ৰচাৰিত বিভিন্ন দেশী-বিদেশী চেনেলসমূহৰ কোনকেইটা জ্ঞানবৰ্দ্ধক আৰু দৰ্শনৰ উপযোগী সেইয়া সৰুতে শিশুক নিৰ্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য।

শিক্ষাগত অৰ্হতা থকা সত্বেও উপযুক্ত সংস্থাপনৰ অভাৱত দেখা দিয়া নিবনুৱা সমস্যাই যুৱ-প্ৰজন্মক হতাশাগ্ৰস্ত কৰি তুলিছে। যুৱ উচ্ছৃংখলতাৰ অন্য এক কাৰক হ'ল নিচাযুক্ত দ্ৰব্য। এনে নিচাযুক্ত দ্ৰব্যৰ পৰা যুৱ সমাজক আঁতৰাই ৰাখিব নোৱাৰিলে সমাজলৈ অচিৰেই বিভীষিকা নামি আহিব। দৈনিক কাকতৰ প্ৰথম পৃষ্ঠাত বৰ বৰ আখৰেৰে প্ৰকাশিত ধৰ্ষণ, বলাৎকাৰ আদি শব্দ তথা পৰিঘটনা বৰ্ণনাই কিশোৰ-কিশোৰীৰ অনুসন্ধিৎসু মনত কেনে প্ৰভাৱ পেলাব পাৰে সেইয়া সকলোৰে জ্ঞাত। এনে দিশবোৰ এৰাই চলিব পাৰিলে উঠি অহা নৱ প্ৰজন্মৰ বাবেই মঙ্গল। এনে অশুভ আচৰণক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল- বিদ্যালয়ত পুথিগত অধ্যয়নৰ উপৰিও খেলা-ধূলা, নৃত্য-সংগীত, চিত্ৰকলাৰ দৰে সুকুমাৰ শিল্পৰ চৰ্চা, জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাবে কিতাপ পঢ়াৰ অভ্যাস কৰা। কৰ্ম-সংস্কৃতিৰ জৰিয়তে যুৱ প্ৰজন্মক সুপথে আগবঢ়াই নিবলৈ সমাজৰ বুদ্ধিজীৱীসকল ওলাই আহক।

# বুৰঞ্জীপ্ৰসিদ্ধ গোলাঘাটৰ বিখ্যাত ঠাই ঃ টেঙানি, কছাৰীহাট আৰু কাছমাৰী নামাংকৃত হোৱাৰ আঁৰৰ কিছু কথা।

✍ বিনন্দ গগৈ

**না**মতিমা (ধনশিৰি), জ্যতিমা (দৈয়াং) আৰু দিলশিৰি (কাকডোঙা) নদীৰ উপত্যকাই গোলাঘাট জিলাখন অৱস্থিত। এই গোলাঘাটৰ পুৰণি নাম আছিল "টোপোলা চাপৰি"। এই নদী তিনিখনেই আছিল বহিঃৰাজ্যৰ লগত যোগাযোগৰ একমাত্ৰ পথ। এই জলপথেদি দৈয়াং, ধনশিৰিপৰীয়া একাংশ চুতীয়াই বেহা-বেপাৰৰ বাবে গৈ বৰ্তমানৰ ঝাৰখণ্ডৰ চুটনাগপুৰত বাস কৰিছিল। চুতীয়াসকলে বাস কৰা অনুসৰি চুটনাগপুৰ হয়। এই ঠাইৰ পুৰণি নাম আছিল চুতীয়া নগৰ (চুতীয়ানাগপুৰ)। মুখ বাগৰি হ'লগৈ ছোটনাগপুৰ। চিনা পৰিব্ৰাজক হিউৱে চাঙৰ প্ৰতিবেদনত চুটনাগপুৰৰ কলা-সংস্কৃতি, খাদ্যভাষৰ ব্ৰহ্মপুত্ৰৰ উপত্যকাৰ কৃষ্টি-সংস্কৃতিৰ লগত প্ৰায় মিল আছে বুলি উল্লেখ কৰিছে। সেইদৰে নৱম শতিকাৰ পৰ্বতীয়া তাম্ৰলিপিৰ মতে উৰিষ্যাৰ পৰা গোলাঘাট জিলাৰ কাকডোঙা পৰ্যন্ত 'উপৰিপট্ৰম' নামে এখন স্বাধীন ৰাজ্য আছিল। তাৰ ৰজা আছিল ভগদত্তৰ ভাতৃ ব্ৰজদত্ত। চতুৰ্দশ শতিকাত ধনশিৰি নাম আছিল ডিমা (এই ডিমা নৈ পাৰতে থকা ঠাইখনে হৈছে ডিমাপুৰ)। সেই সময়ত ধনশিৰি উপত্যকাত ৰাজত্ব কৰিছিল কছাৰী ৰজা মহামাণিক্য ফাই। ৰাজ্যৰ সীমা আছিল পূৰ্বে শিৱসাগৰৰ দিখৌ মুখ, পশ্চিমে নগাঁও কলং, উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে নগা পাহাৰ। কিন্তু ১৪৯৩ চনৰ পৰাই ১৪৯৭ চনলৈকে কছাৰী আৰু আহোমৰ মাজত যুদ্ধ লাগে। এই আহোম ৰাজ্যৰ পৰিসৰ ধনশিৰি পৰ্যন্ত বৃদ্ধি কৰে। ১৫৩৬ খ্ৰীষ্টাব্দত আহোম ৰজা চুহুংমুঙৰ নিৰ্দেশত ফ্ৰাচেংম্যুং বুঢ়াগোহাঁইৰ নেতৃত্বত কছাৰী ৰজা ডেট চুঙৰ সৈতে শেষৰখন যুদ্ধত লিপ্ত হয় গোলাঘাটৰ হামদৈত। এই হামদৈ শব্দটো বৰাহী শব্দৰ পৰা অহা "হাম" মানে হৈছে পথাৰ আৰু দৈ মানে পানী। অৰ্থাৎ পানী পথাৰ। ফ্ৰাচেংম্যুং বুঢ়াগোঁহাইৰ হাতত কছাৰী ৰজা ডেট চুং পৰাস্ত হোৱাত হামদৈ কছাৰীহাট হৈ ডিমাপুৰত ৰয়। কছাৰী হটাৰ বাবে ঠাইখনৰ নাম কছাৰীহাট আৰু পাছলৈ মুখ বাগৰি হৈ গৈ কছাৰীহাট। ঠিক সেইদৰে কছাৰী মৰাৰ পৰায়ে নাম হয় "কাছমাৰী"। বিষ্ণুৰ বৰ অৱতাৰৰ উপাসকসকলক বৰাহী বুলি কোৱা হয়। প্ৰকৃততে এই বৰাহীসকল চুতীয়া সম্প্ৰদায়ৰে।

দুৰৰণি আছিল বৰাহী ৰাজ্যৰ ৰাজধানী। এই দুৰৰণিলৈ যোৱাৰ আগত বৰাহীসকলে বাস কৰিছিল ন'গ্ৰাত। এই নগ্ৰাই কছাৰী ৰাজত্ব নেওৰিয়া হৈ পৰৱৰ্তী সময়ত হৈ গৈ নোগোৰা। বৰাহী ভাষাত নগৰা শব্দৰ অৰ্থ হৈছে পুৰণি ঘৰ। টাঙধানী আছিল বৰাহী ৰাজ্যৰ দক্ষিণ দিশৰ সীমা বৰাহী ভাষাত টাঙধানী শব্দৰ অৰ্থ হ'ল "শেষ প্ৰান্ত বা গন্তব্যস্থল; এই টাঙধানিয়ে পৰৱৰ্তী সময়ত টেঙানিলৈ ৰূপান্তৰিত হয়।◆



# Impact of Covid-19 on Indian Economy

✍ **Ruhi Khatun**

The impact of corona virus pendemic on India has been largely distruptive in terms of economic activities as well as many people lost their jobs and livelihood. Aviation and Tourism is one of the most affected industries during pendemic because people travel less and it will impact the inflow of tourist in all countries drastically reducing the money flow in this sector. Almost all the sector have been adversely affected as pendemic demand and exports sharply plummeted with some notable exceptation where high growth was observed.

**Some key points of impact of COVID-19 on Indian economy**

* India's ongoing GDP loses are likely to be $ 5-10 billion (0.15 - 0.35) percent of GDP as per data.
* Unemployment rose from 6.7 percent on 15 March to 26 percent on 19th April and in other words 14 crore people have lost employment due to COVID-19 which was badly effected Indian economy.
* The Indian economy was expected to loss over Rs. 32,000 crore every day during the first 21 days of complete lockdown.
* COVID-19 badly effected Indian economy through the food and agricultures. We know that agriculture is backbone of the countru the impact is likely to be low on both primary agriculture sector. Online food grocery platforms are heavily impacted due to unclear restrictions.

It is difficult to forcast the impact to Indian economic growth in the next to quarters and beyond. The crisis today has affected a large part of all the sector in India. The growth rate of India has fallen down due to COVID-19.



# মুদ্ৰাস্ফীতিৰ আঁত বিচাৰি

✍ তৰুলতা মিশ্ৰা

বৰ্তমান সময়ত বিশ্বব্যাপী চৰ্চিত অৰ্থনীতিৰ এটা গুৰুত্বপূৰ্ণ ধাৰণা হ'ল মুদ্ৰাস্ফীতি। নব্য সংস্থাপিত অৰ্থনীতিবিদসকলে পোন প্ৰথমে ব্যাখ্যা কৰা মুদ্ৰাস্ফীতিৰ ধাৰণাই তেতিয়াৰ পৰা বৰ্তমান সময়লৈকে উন্নত আৰু উন্নয়নশীল দেশসমূহৰ সমাজ বিজ্ঞানী, অৰ্থনীতিবিদ, প্ৰশাসক, ৰাষ্ট্ৰীয় নীতিসমূহৰ নিৰ্দ্ধাৰকৰ লগত সাধাৰণ লোকসকলৰে মনোযোগ আকৰ্ষণ কৰিছে।

মুদ্ৰাস্ফীতি হ'ল এটা প্ৰক্ৰিয়া যি প্ৰক্ৰিয়াৰ মাধ্যমেদি দৰস্তৰ ক্ৰমাৎ বৃদ্ধি পায় আৰু মুদ্ৰাৰ মূল্যৰ ক্ৰমশঃ অৱনতি ঘটে।

মুদ্ৰাস্ফীতিৰ সঠিক সংজ্ঞা অৱশ্যে নিৰ্ধাৰণ কৰা অত্যন্ত কঠিন কাম। বিভিন্ন অৰ্থনীতিবিদে বিভিন্নভাৱে মুদ্ৰাস্ফীতিৰ সংজ্ঞা আগবঢ়াইছে। বহলভাৱে মুদ্ৰাস্ফীতিৰ সংজ্ঞা তিনিটা দৃষ্টিভংগীৰে বিবেচনা কৰিব পৰা যায়—

(i) সাধাৰণ দৃষ্টিভংগী (ii) আধুনিক দৃষ্টিভংগী

অৰ্থনীতিত মুদ্ৰাস্ফীতিৰ উদ্ভৱ হয় সামগ্ৰিক চাহিদা আৰু সামগ্ৰিক যোগানৰ মাজৰ ভাৰসাম্যহীনতাৰ ফলত। চাহিদা যোগানৰ এনে ভাৰসাম্যহীনতাৰ কাৰণ হিচাপে দ্ৰব্য আৰু সেৱাৰ চাহিদা বৃদ্ধি আৰু দ্ৰব্য সেৱাৰ যোগানৰ নাটনিক বিবেচনা কৰিব পৰা যায়।

কোনো এখন দেশত মুদ্ৰাস্ফীতিৰ উদ্ভৱ হ'লে তাৰ প্ৰভাৱ বিভিন্ন শ্ৰেণীৰ লোকৰ ওপৰত বিভিন্নভাৱে পৰিলক্ষিত হয়। মুদ্ৰাস্ফীতিৰ হাৰ মৃদু হোৱা অৱস্থাত অৰ্থনীতিত এক আশাব্যঞ্জক উৎসাহী পৰিৱেশৰ সূচনা হয়। এনে অৱস্থাত উৎপাদনকাৰীসকল অধিক উৎপাদনৰ প্ৰতি আৰু বিনিয়োগকাৰীসকল অধিক বিনিয়োগৰ প্ৰতি আগ্ৰহী হয়। কিন্তু মুদ্ৰাস্ফীতিৰ হাৰ যদি অস্বাভাৱিক হয় বা দৰস্তৰ যদি তীব্ৰগতিত বৃদ্ধি পায় তেন্তে ই অৰ্থনীতিত অৰ্থনৈতিক অস্থিৰতা বৃদ্ধি, অনিশ্চয়তা আৰু ক্ষতিশংকা, অনুৎপাদনমুলক দিশৰ সম্পদৰ সঞ্চালন আদিৰ দৰে নানান বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে।

ক্ৰমবৰ্দ্ধমান প্ৰকৃতিৰ মুদ্ৰাস্ফীতিয়ে অৰ্থনৈতিক, সামাজিক আৰু ৰাজনৈতিক ক্ষেত্ৰত বিৰূপ প্ৰভাৱ পেলাই সকলো ক্ষেত্ৰতে ভাৰসাম্যহীন অৱস্থাৰ সৃষ্টি কৰে। সেয়েহে প্ৰাথমিক অৱস্থাতে মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণৰ উদ্দেশ্য সামগ্ৰিক যোগান বৃদ্ধি কাৰক নীতি বা সামগ্ৰিক চাহিদা হ্ৰাস কাৰক নীতি গ্ৰহণ কৰা আৱশ্যক। এই ক্ষেত্ৰত কোনো এক নিৰ্দিষ্ট পদ্ধতিৰ পৰিৱৰ্তে বিভিন্ন পদ্ধতিৰ সমন্বয়ৰ যোগেদি মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰিব পৰা যায়।

# অনুভৱ
# আৰু
# অভিজ্ঞতা




# স্মৃতি ৰোমন্থন


✍ **নিলম বৰা**
প্ৰাক্তন ছাত্ৰ-২০০৭ বৰ্ষ


২০০২ চনৰ কোনো এটা দিনত মনত ভয়, আশংকা আৰু ভৱিষ্যতৰ কল্পনা বুকুত বান্ধি মনটো দৃঢ় কৰি ক'লা পেণ্ট আৰু বগা ছাৰ্ট পিন্ধি মহাবিদ্যালয়লৈ যাত্ৰা কৰিছিলো। মহাবিদ্যালয়খনত নামভৰ্ত্তি কৰাৰে পৰা পাঁচবছৰীয়া শিক্ষাকাললৈ সোঁৱৰণীৰ পখিলাজনীয়ে প্ৰায়ে উৰুৱাই লৈ যায়। দৈনন্দিন ব্যস্ততাৰ মাজতো তাহানিৰ কলেজীয়া দিনবোৰক সুঁৱৰি স্মৃতি কাতৰ দুচকু এক মুহূৰ্ত্তৰ বাবে হ'লেও সেমেকি উঠিব খোজে। সেই আবেগৰ বাবেই আজিও নিজকে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে ৰোমন্থন কৰি ভাল লাগে, আজিও কৈ ভাল লাগে আৰু চিৰদিন গৌৰৱেৰে কৈ থাকি ভাল লাগিব যে সেইখন আমাৰ মহাবিদ্যালয়।

এৰা আমাৰ মহাবিদ্যালয়। গোলাঘাট বাণিজ্য মহাবিদ্যালয়। কিন্তু মহাবিদ্যালয়খনৰ নামটো এনেদৰে কোৱাত যি এক আমেজ, যি এক আত্মীয়তাৰ সুৰ নিহিত হৈ আছে, এই জ্ঞান মন্দিৰৰ তলেৰে সৰকি অহা প্ৰতিজন ছাত্ৰইহে সেই আমেজ, সেই মাদকতা, সেই আত্মীয়তাৰ সুৰ অনুভৱ কৰিব পাৰিব। সুদীৰ্ঘ ২০ বছৰৰ পূৰ্বে সৰুপথাৰৰ এখন ভিতৰুৱা গাঁৱৰ পৰা মেট্ৰিক পাছ কৰি কলেজীয়া জীৱনৰ পাতনি মেলি বাণিজ্য শিক্ষা লাভৰ বাবে দুচকুত অদম্য স্বপ্নলৈ এই জ্ঞান মন্দিৰত প্ৰৱেশ কৰিছিলো। সেইসময়ত বহুজনে ৰেগিংৰ কথা কৈ ভয় খোৱাইছিল। প্ৰথম কেইদিনমান অৱশ্যে জেষ্ঠ ছাত্ৰ-ছাত্ৰীয়ে আহি ৰেগিং কৰিছিল যদিও সেইয়া আছিল কেৱল মাত্ৰ ভদ্ৰ ভাৱত হোৱা চিনাকিপৰ্বহে। কিয়নো সেই সময়ৰ বয়োজেষ্ঠ ছাত্ৰ-ছাত্ৰীসকল যথেষ্ঠ মৰমিয়াল আৰু ভদ্ৰ আচৰণৰ আছিল।

৫ বছৰ দিন ধৰি মহাবিদ্যালয় খনত কটোৱা কিমানবোৰ যে স্মৃতি, কিমানবোৰ যে স্বপ্ন আৰু বিষাদৰ কাহিনী বিজড়িত হৈ আছে কৈ শেষ কৰিব নোৱাৰিম। আমাৰ মহাবিদ্যালয়ত সেই সময়ত এনে এক পৰিবেশ গঢ় লৈ উঠিছিল যাক এক বৃহৎ পৰিয়ালৰ লগত ৰিজাব পাৰি। শিক্ষাগুৰুসকলৰ শিক্ষাদান কৰাৰ যি প্ৰচেষ্টা সি সঁচাকৈয়ে মনত ৰাখিবলগীয়া। কাহানিও পাহৰিব নোৱাৰিম আমাৰ সেই একালৰ শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলক কেনেকৈ পাহৰিম নন্দ বৰা, পদ্মলোচন ভুএঞা, চেনিৰাম নাথ, আল্পনা সন্দিকৈ, ৰাজীৱলোচন বৰা, যতীন্দ্ৰ নাথ শইকীয়া, বেণুধৰ গগৈ, শৰৎ চন্দ্ৰ শৰ্মা, যতীন নাথ, পৰেশ শইকীয়া, প্ৰদীপ বৰঠাকুৰ, বিবেকানন্দ শৰ্মা, লক্ষীধৰ শইকীয়া, অনুপ দাস, মহেন্দ্ৰনাথ শইকীয়া, অনামিকা হাজৰিকা, ৰাজেছ জয়ছোৱাল, দেৱজিৎ দত্ত, অৰিন্দম বৰা, প্ৰাঞ্জল প্ৰতীম দত্ত আদি নমস্য শিক্ষাগুৰুসকলক। এইখিনিতে যিসকল স্বৰ্গগামী হ'ল সেই শ্ৰদ্ধাৰ শিক্ষাগুৰু, বিষয়া-কৰ্মচাৰীসকলক সশ্ৰদ্ধ প্ৰণিপাত জনাই আত্মাৰ চিৰশান্তি কামনা কৰিছো।

জীৱনত কাহানিও পাহৰিব নোৱাৰিম একেধাৰে বেহেলা বাদক, অভিনেতা আদি সকলো গুণেৰে বিভুষিত এক বিৰল প্ৰতিভাৰ গৰাকী শ্ৰদ্ধাৰ প্ৰয়াত ৰাজীৱ লোচন বৰা চাৰক। যিজনে গোলাঘাট চহৰৰ বজাৰ, অলিয়ে গলিয়ে লগ

পালে গাড়ী ৰখাই ক'ত অনাই বনাই ঘূৰি ফুৰিছ বুলি ধমক এটা দি ৫টা বছৰ অভিভাৱক হৈছিল। উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পাঠদান আৰম্ভ কৰাৰ কেইদিন মানৰ পাছত এদিন শ্ৰদ্ধাৰ প্ৰয়াত ৰাজীৱ লোচন বৰা চাৰে ক্লাছত ইংৰাজী ব্যাকৰণৰ এটা প্ৰশ্ন উত্তৰ ক্লাছটোৰ ভিতৰত মই দিব পৰা বাবে নিজে লৈ থকা কলমটো পুৰস্কাৰ হিচাপে মোক দি যি প্ৰেৰণা দিলে আজীৱন নোৱাৰিম পাহৰিব। কেনেকৈ পাহৰিম অক্লান্ত পৰিশ্ৰম, ত্যাগ, নিষ্ঠা আৰু সৰল নেতৃত্ব দি মহাবিদ্যালয়খনক ন-ৰূপ দিয়া সেই চুটি-চাপৰ ব্যক্তিজন যিজনা একেধাৰে অভিনেতা, লিখক, সমাজসেৱক আদি সকলো গুণেৰে বিভুষিত এক বিৰল প্ৰতিভাৰ গৰাকী শ্ৰদ্ধাৰ প্ৰয়াত নন্দ বৰা চাৰ। কেনেকৈ পাহৰিম আগফালে বেতৰ বাকচ লগা চাইকেলখন কলেজৰ বাৰান্দাই দি চলাই গৈ ক্লাছ নকৰি বাহিৰত থাকিলে আমাক খেদি লৈ শ্ৰেণীকোঠাত সোমোৱাই থৈ অহা পদ্মলোচন ভূঞাচাৰক। কেনেকৈ পাহৰিম প্ৰয়াত শ্ৰদ্ধাৰ যতীন্দ্ৰ নাথ শইকীয়া চাৰক। কেনেকৈ পাহৰিম শ্ৰেণীৰ পাঠদানৰ লগতে নৈতিক শিক্ষা, চাৰিত্ৰিক গঠনত সহায়কাৰী শিক্ষা আদি দিয়া শ্ৰদ্ধাৰ চাৰসকলক। মহাবিদ্যালয়ৰ কাৰ্যলয়ৰ বিভিন্ন পদত থকা কুলদা, বীৰেণদা, অকনিদা, সকলোৰে মৰমৰ পেহাটি আদিক নোৱাৰিম পাহৰিব। হে মহান নমস্য শিক্ষাগুৰুসকল, আপোনালোকৰ ঋণ অপৰিশোধেয়। সেই বৃথা চেষ্টাও আমি কৰিব নোখোজো। আমাৰ জীৱনলৈ আপোনালোকৰ অনবদ্য অৱদানক আমি কেৱল শিৰনত কৰি স্মৰণ কৰিছো, নতজানু হৈ আশিষ ভীক্ষা মাগিছো। এটা এটাকৈ মনত পৰিছে সেই তাহানিতে এৰি অহা সহপাঠী বন্ধু-বান্ধৱীবোৰৰ কথা। বিচাৰি পাম জানো আজিৰ পৰা ১৫টা বছৰৰ আগতে এৰি আহা আমিবোৰক। কেনেকৈ পাহৰিম গাতে গা-লগাই একেলগে বহা সেই সহপাঠী বন্ধুবোৰক। কেনেকৈ পাহৰিম ভাস্কৰ, অৰূপ, লক্ষেশ্বৰ, উজ্জ্বল, প্ৰণৱ, অমিত, সঞ্জীৱ, মনোজ, ডিম্বেশ্বৰ, ধৰ্মেশ্বৰ, তপন, যুথিকা, ভাৰতী, নাফিচা, ৰুলি, পলি, তৃষ্ণা, অমি, প্ৰেমলতা আদিক। কেনেকৈ পাহৰিম মহাবিদ্যালয়ৰ পৰা ২০০৬ চনত বনভোজ খাবলৈ গৈ তেজপুৰৰ অগ্নিগড়ত হোৱা অঘটনটোৰ কথা। উপেনদা, উত্তমদা, বাবাটিদা, অনিলদা, প্ৰদীপদা, মাইনাদা আদিৰ লগতে দীপেন, দিপান্ত, সুনিল, ৰাজীৱ, ভূৱন,ভাৰত, নমিতা, মৃগাক্ষী আদিও থাকিব স্মৃতিৰ মণিকোঠাত চিৰদিন সজীৱ হৈ। আৰু বহুজন নিয়তিৰ কোপদৃষ্টিত পৰি অকালতে ইহলীলা সম্বৰণ কৰা সকলকো স্মৰণ কৰিছো আৰু লগতে বিদেহী আত্মাই যাতে চিৰশান্তি লাভ কৰে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো। মই ২০০৫-০৬ বৰ্ষত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলো। অৱশ্যে মোৰ অৱদান একোৱেই নাই, কিন্তু মহাবিদ্যালয়খনৰ বাবে কিবা এটা কৰাৰ যথেষ্ট হাবিয়াস আছিল, চেষ্টাও কৰিছিলো। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধিনত ২০০৬ বৰ্ষত তদানীন্তন অধ্যক্ষ ড° অনিল শইকীয়া চাৰৰ নেতৃত্বত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ-মহোৎসৱত আমি মহাবিদ্যালয়ৰ এটা দ'লে যোগদান কৰি বহুকেইটা পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। আমাৰ লগত আছিল বৰ্তমান অসমৰ শ্ৰেষ্ঠ ঢুলীয়া তথা পেপুৱা দেৱজিৎ তামুলী, গোলাঘাটৰ সুদক্ষ অভিনেতা বিমান শইকীয়া, বৰপথাৰৰ বিশিষ্ট ব্যৱসায়ী কল্পজিৎ কোঁৱৰ, সৰুপথাৰৰ সমাজসেৱক দিগন্ত গগৈ আদি।

ইতিমধ্যে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল ইতিহাস ৰচি পাৰ হল ৫০টা বসন্ত। তথাপিও গোলাঘাট বাণিজ্য মহাবিদ্যালয় প্ৰাণোচঞ্চল। একো একোজন সমাজৰ প্ৰকৃত ব্যক্তি হ'বলৈ আৰু নিজৰ লক্ষ্যত উপনীত হবলৈ ভৱিষ্যতৰ সপোন ৰচি এই মহাবিদ্যালয়ৰ বুকুতে আশ্ৰয় লয় বহুজনে গোলাঘাট নগৰৰ জাবৰ-জোঁথৰে পোত খাই থকা, মৰাশ পেলোৱাৰ লগতে দেও-ভূত থকা জয়াল ঠাই বুলি ভবা ঠাইডোখৰতে গোলাঘাট জিলা তথা অসমৰ উচ্চ শিক্ষাৰ ইতিহাসত এক বিশেষ ভূমিকা থকা গোলাঘাট বাণিজ্য মহাবিদ্যালয়ে আজি ৫০ বছৰেও জ্ঞানৰ পোহৰ বিলাই ক্লান্তি অনুভৱ কৰা নাই। অথচ জ্ঞানৰ মুকুতা বিলাই গৌৰৱৰ ধ্বজা উৰি আছে মুকলি আকাশত। আজি আমি মহাবিদ্যালয়ৰ ভেটিটোৰ ওপৰত থিয় হৈ যদি পাচলৈ উভতি চাওঁ তেতিয়া আমাৰ চকুৰ আগত ভাঁহি উঠিব সেই পুৰুধা ব্যক্তিসকল। বিভিন্ন দিশত নেতৃত্ব বহনকাৰী নমস্য ব্যক্তিসকলৰ ঐকান্তিক প্ৰচেষ্টাত গঢ় ললে এই জ্ঞান মন্দিৰে। যি মন্দিৰৰ নিৰ্মালী গ্ৰহণ কৰি বহুজনে হয়তো অতি সফল ভাৱেই নিজৰ জীৱনবৃত্ত সামৰি গ'লগৈ আৰু আমিবোৰেও জীৱনবৃত্তৰ ৰেখাডালত ঘূৰি আছো বিভিন্ন ধৰণে। দিশ নিৰ্দেশনাৰ বাবে আলোক স্তম্ভৰ দৰে থিয় হৈ থাকিব জ্ঞান প্ৰজ্ঞাৰ সাধনাবোৰ যিদৰে আজি ৫০ বছৰ জুৰি এজোপা মহীৰুহৰ দৰে থিয় হৈ আছে গোলাঘাট বাণিজ্য মহাবিদ্যালয়। মহাবিদ্যালয়খনিক সফল ৰূপত গঢ় দিয়াৰ সপোন ৰচা পুৰুধা ব্যক্তিসকলৰ উত্তৰ পুৰুষ হিচাপে আজি একাংশই ভেটিটো অধিক প্ৰাণৱন্ত তথা উচ্চ শিখৰত ৰখাৰ উদ্দেশ্যে সোণালী জয়ন্তী মহোৎসৱৰ আয়োজন কৰি আমাৰ অনুজসকলৰ হাতত অৰ্পণ কৰিছে গোলাঘাট বাণিজ্য মহাবিদ্যালয়। সোণালী জয়ন্তী মহোৎসৱ ফলৱতী হওঁক। মহান প্ৰতিষ্ঠাতা-দাতাসকল চিৰ স্মৰণীয় হৈ ৰওঁক। দীৰ্ঘজীৱী হওঁক গোলাঘাট বাণিজ্য মহাবিদ্যালয়- চৌদিশে জেউতি চৰাই যাওক। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়।

# কথোপ কথন

বৰ্ণময় জীৱন

অন্বেষণ পোহৰ আৰু

প্ৰেৰণাৰ গান



# অৰূপা পটঙ্গীয়া কলিতাৰ সৈতে বাৰ্তালাপ

**সাক্ষাৎ গ্ৰহণ ঃ মৌচুম গগৈ**

*(অৰূপা পটঙ্গীয়া কলিতা অসমৰ এগৰাকী প্ৰসিদ্ধ ঔপন্যাসিক তথা গল্পকাৰ। তেওঁৰ গ্ৰন্থসমূহৰ ভিতৰত মৃগনাভি, অয়নান্ত, আদি উল্লেখযোগ্য। তেওঁৰ সাহিত্যিক অৱদানৰ বাবে ভাৰতীয় ভাষা পৰিষদৰ বঁটা, প্ৰবীণা শইকীয়া বঁটা আদিৰে সন্মানিত কৰা হৈছে। তেখেতে "মৰিয়ম আষ্টিন অথবা হীৰা বৰুৱা" নামৰ অসমীয়া চুটি গল্প সংকলনৰ বাবে ২০১৪ চনত সন্মানীয় সাহিত্য অকাডেমি বঁটা লাভ কৰে।)*

**ন**মস্কাৰ বাইদেউ। আৰম্ভণিতে আপোনাক গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ তৰফৰ পৰা অভিনন্দন জ্ঞাপন কৰিছোঁ। বৰ্তমান সময়ৰ অসমৰ প্ৰভাৱশালী লেখকসকলৰ ভিতৰত আপুনি আমাৰ সকলোৰে বাবে পৰিচিত। সকলো শ্ৰেণীৰ পাঠকৰ মাজতে আপোনাৰ জনপ্ৰিয়তা আছে। আমি যুৱ চামেও আপোনাৰ লেখাৰ মাজত বাস্তৱ জীৱনৰ এখন জীয়া ছবি দেখা পাওঁ। আপোনাৰ নিৰ্ভীক অথচ সাৱলীল সৃজনাত্মক লেখনিয়ে আমাক অনুপ্ৰাণিত কৰে। এই অনুপ্ৰেৰণাৰ আঁত ধৰিয়েই আপোনাৰ লেখক জীৱন আৰু ব্যক্তিগত জীৱনৰ কিছু কথা জানিব বিচাৰি গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনী "জ্যোতিষ্মান"ৰ তৰফৰ পৰা আপোনাৰ লগত কিছু কথোপকথন কৰিব বিচাৰিছোঁ।

নিশ্চয়, এই সাক্ষাৎকাৰৰ জৰিয়তে আপোনাৰ মনোভাৱ প্ৰকাশ কৰিলে মই অত্যন্ত সুখী হ'ম।

❒ সাহিত্য জগতত প্ৰৱেশ কৰাৰ ধাৰণা আপোনাৰ মনত কেতিয়া আৰু কেনেদৰে আহিছিল?

**উত্তৰ ঃ** সৰুৰে পৰা মই মানুহৰ গতি বিধি চাই ভাল পাইছিলোঁ। সকলো কথাৰ প্ৰতি কৌতুহলী আছিলো। মানুহৰ কথা কবলৈকে মই হাতত কলম তুলি লৈছিলোঁ। গোলাঘাট মিশ্যন গাৰ্লচ হাইস্কুলত পঢ়ি থাকোতেই বিভিন্ন খবৰ কাগজত মইনা চ'ৰাত মোৰ বিভিন্ন মানুহৰ চৰিত্ৰলৈ লেখা সৰু সৰু গল্প প্ৰকাশ পাইছিল। এজন মাছমৰিয়া, অজনী পঙ্গু ছোৱালী, ভাতৃহাৰা এজনী সৰু ছোৱালী, এটা বন কৰা ল'ৰা, এজনী দৰিদ্ৰ ঘৰৰ ছোৱালী— এই চৰিত্ৰসমূহেই আছিল মোৰ লেখাৰ মুল উপজীৱ।

❒ সাহিত্য চৰ্চাৰ ক্ষেত্ৰত আপোনাৰ অনুপ্ৰেৰণাৰ উৎস কোন?

**উত্তৰ ঃ** মোৰ মা-দেউতা, মই পঢ়া স্কুলখন, ষাঠিৰ দশকত মই শৈশৱ পাৰ কৰা গোলাঘাট চহৰ খনৰ সংস্কৃতিবান সৃষ্টিশীল পৰিৱেশ আৰু সবাতোকৈ ডাঙৰ কথা মোৰ মাজত থকা মানুহৰ প্ৰতি ভালপোৱাই মোৰ সাহিত্য সৃষ্টিৰ অনুপ্ৰেৰণা।

❐ আপোনাৰ প্ৰথম খন গ্ৰন্থ "মৃগনাভি"ৰ প্ৰকাশৰ আঁৰৰ কাহিনী সবিশেষ জনাব নেকি?

**উত্তৰ ঃ** 'মৃগনাভি' মোৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ (১৯৮৭ চন, বানী প্ৰকাশ) 'মৃগনাভি'ৰ সোণতৰা বাস্তৱৰ চৰিত্ৰ আছিল। বৰ কম বয়সতে সেই সুন্দৰ মানুহ গৰাকীয়ে মনৰ অসুখত ভুগি মৃত্যু বৰণ কৰিলে। গোপিনীয়ে মৰিবলৈ আশীৰ্বাদ কৰা ৰখেন আইতাকো মই শৈশৱতে দেখিছিলো।

❐ আপোনাৰ গ্ৰন্থ সমূহত নাৰীক যথেষ্ট প্ৰধান্য দিয়া দেখা যায়। গ্ৰন্থসমূহৰ চৰিত্ৰ বোৰৰ সংগ্ৰামী, শক্তিশালী মনস্তত্বই আমাক যথেষ্ট প্ৰভাৱিত কৰে। আপুনি ভাবেনে বৰ্তমানো আমাৰ সমাজ খন পুৰুষতান্ত্ৰিক হৈ আছেনে?

**উত্তৰ ঃ** আমাৰ সমাজখন শ্ৰেণী বিভক্ত আৰু নিঃসন্দেহে পুৰুষ প্ৰধান। ব্যক্তিগত সম্পত্তিৰ ওপৰত তিষ্ঠি থকা এইখন সমাজত নাৰী-পুৰুষ উভয়েৰে ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সম্ভৱ নহয়।

❐ আপোনাৰ গ্ৰন্থ সমূহত প্ৰকাশ পোৱা প্ৰত্যেকটো চৰিত্ৰই সমাজৰ এখন জীয়া ছবি দাঙি ধৰে। এই চৰিত্ৰ সমূহৰ জীৱন বাস্তৱ জীৱনৰ কোনো ব্যক্তিৰ সৈতে সম্বন্ধ আছে নেকি?

**উত্তৰ ঃ** মোৰ প্ৰতিটো চৰিত্ৰৰ আঁৰত একোটা সঁচা চৰিত্ৰ থাকে। কল্পনাক ভিত্তি কৰি মই কোনো চৰিত্ৰ অথবা কাহিনী সৃষ্টি কৰিব নোৱাৰো। কিন্তু মোৰ চৰিত্ৰ অথবা কাহিনী বাস্তৱৰ প্ৰত্যক্ষৰ চিত্ৰনো নহয়। প্ৰতিটো চৰিত্ৰ মই হৃদয়ত ধাৰণ কৰো, লালন-পালন কৰো, আত্মীয়তা গঢ়ি তোলো। তাৰ পাছত নৱ জন্ম লৈ চৰিত্ৰবোৰ মোৰ কলমটো আহে।

❐ সাহিত্য জগতত ইমানখিনি কৃতকাৰ্যতা লাভ কৰি আপুনি নিজৰ ওপৰত গৌৰৱ অনুভৱ কৰেনে?

**উত্তৰ ঃ** মই দীৰ্ঘদিন ধৰি অসমীয়া সাহিত্যৰ জগতখনত কাম কৰি আছো। মই এই কাৰণেই সুখী যে অসমৰ এচাম ৰুচীবান পাঠকে মোৰ কিতাপ পঢ়ে। ফটা-চিটা কপি এটাও নথকাকৈ মোৰ গ্ৰন্থ সমূহ শেষ হয়। এই পাঠক সকলেই মোৰ ভৰিৰ তলৰ মাটি, মোৰ খোপনি। মই কিছু কাম কৰিছোঁ। এটা কথা সত্য যে মই যিখিনি কাম কৰিছো সততাৰে কৰিছো। মোৰ কামৰ সফলতা নিদ্ধাৰণ কৰিব পাঠক আৰু সময়ে।

❐ সাহিত্যৰ লগত জড়িত নৱ প্ৰজন্মক সাহিত্য চৰ্চাৰ ক্ষেত্ৰত কিবা বিশেষ উপদেশ দিব নেকি?

**উত্তৰ ঃ** নৱ প্ৰজন্মৰ সাহিত্য চৰ্চা কৰা সকলোকে মই এষাৰ কথাই কম— জীৱন আৰু মানুহক বাদ দি কোনো সৃষ্টি সম্ভৱ নহয়। সাহিত্য যশ, অৰ্থ, প্ৰতিষ্ঠা বোটলাৰ মাধ্যম নহয়। সাহিত্য সৃষ্টি এক সাধনা।

❐ সাহিত্য চৰ্চাৰ উপৰিও আপুনি কি কৰি ভাল পায়?

**উত্তৰ ঃ** মই সাহিত্য সৃষ্টিৰ বাদেও ফুল, শাক-পাচলি, গছ-গছনিৰ যত্ন লৈ ভাল পাঁও। ছবি, চিনেমা মোৰ মনৰ আনন্দৰ আহিলা। ফটোগ্ৰাফীৰ প্ৰতিও মোৰ আগ্ৰহ আছে। মানুহৰ লগত বিভিন্ন বিষয়ৰ ওপৰত কথা পাতি ভাল পাঁও। কথা পতা মানে শুনি ভাল পাওঁ। প্ৰতি জন মানুহৰ মাজত ইমানবোৰ কথা থাকে। একোজন মানুহে তিনিটা প্ৰজন্ম কঢ়িয়াই ফুৰে। ককা-আইতা, দেউতাকৰ, পিতৃ-মাতৃৰ নিজৰ জীৱনটোৰ— ক'ত কথা, কত কাহিনী, কত চৰিত্ৰ। মোৰ সকলোবোৰ জানিবলৈ মন যায়।

❐ আপোনাৰ ভৱিষ্যত পৰিকল্পনাৰ বিষয়ে অলপ জনাব নেকি?

**উত্তৰ ঃ** এখন নতুন উপন্যাসৰ কাম হাতত লম বুলি ভাবিছো।

❐ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ সমূহ বাণিজ্যিয়ানৰ বাবে কিবা ক'ব নেকি?

**উত্তৰ ঃ** গোলাঘাট বাণিজ্য মহাবিদ্যালয় পোনাৰাম নেওগ ছাৰক অধ্যক্ষ ৰূপে লৈ মই দেৱৰাজ ৰয় কলেজত পঢ়ি থকা সময়তে (১৯৭১-৭৪) প্ৰতিষ্ঠা হৈছিল। এই অনুষ্ঠানৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো। এই ঐতিহ্যমণ্ডিত অনুষ্ঠানৰ ছাত্ৰ-ছাত্ৰী সকলক এষাৰ কথাই কম— বিনা বিচাৰে, চকু মুদি কোনো কথা মানি নলবা। প্ৰশ্ন কৰা। প্ৰশ্ন কৰিলেহে উত্তৰ পায়। উত্তৰ পালেহে জীৱনৰ গতি শুদ্ধকৈ নিৰ্দ্ধাৰণ কৰিব পাৰি।

আপোনাৰ ব্যস্ততাপূৰ্ণ জীৱনৰ মাজৰ পৰা সময় উলিয়াই আমাক আপোনাৰ জীৱনৰ বিষয়ে জনোৱাৰ বাবে অশেষ ধন্যবাদ। ভৱিষ্যতেওঁ আপোনাৰ লেখনিৰ জৰিয়তে আমি উপকৃত হ'ব পাৰিম বুলি আশা কৰিলোঁ।

# অতিথিৰ

# একলম.......



# জীৱন

✍ পাপৰি শইকীয়া বৰা

জীৱন এক অন্তহীন অণ্বেষণ! জন্মমূহূৰ্তৰ যন্ত্ৰণাৰপৰা পৃথিৱীৰ পোহৰ দেখা প্ৰথম মূহূৰ্তটোৰপৰা মৃত্যুৰ ক্ষণলৈকে জীৱনৰ যি ব্যাপ্তি— সেয়া বাখ্যাতীত। শব্দ আৰু অনুভৱৰ পৰিধি ভাঙি জীৱনৰ সংজ্ঞা কেৱল জীৱনেই। জীৱনৰ বৰ্ণময়তা আৰু প্ৰাপ্তি অৱশ্যেই নিৰ্ভৰ কৰে মানুহৰ চেতনাৰ সমৃদ্ধি আৰু আত্মানুসন্ধানৰ ওপৰত।

ভিন্ন ঋতুৰ দৰেই জীৱনৰো আছে ভিন্ন ৰং ভিন্ন মাদকতা। প্ৰাপ্তি-অপ্ৰাপ্তি, দুখ-যন্ত্ৰণা, সফলতা-বিফলতা এই সকলোবোৰৰ সত্বেও জীৱনৰ যি আভ্যন্তৰীণসৌন্দয— সেয়া তুলনাবিহীন। সেইবাবেই প্ৰাত্যহিক জীৱনৰ নিৰলংকাৰ সময়ৰ মাজতো আমি অহৰহ অনুসন্ধান জীৱনৰ প্ৰাচুয্য আৰু প্ৰশান্তি। উদযাপন কৰিব বিচাৰো জীৱন!

আমি জানো জীৱনৰ আছে এক গভীৰ বিষাদময় ৰূপ। শৈশৱৰ প্ৰাণপ্ৰাচুৰ্য, কৈশোৰৰ চপলতা আৰু যৌৱনৰ মোহনীয়তা অতিক্ৰমি কেতিয়ানো হেৰাই যায় সোণোৱালী সময়বোৰ— আপুনি গমেই নাপায়। সন্ধ্যাৰ ছায়াঁঘন বিষাদৰ দৰে নামি আহে জীৱনৰ সন্ধিয়া আৰু আমি প্ৰস্তুত হব লাগে কাহানিও উভতি নহা যাত্ৰাৰ বাবে! যি জীৱন ইমান সম্ভাৱনাময় আৰু বৰ্ণময় সেই জীৱন ত্যাগ কৰিবলগাৰ দুখ আৰু এই বৰণীয়া পৃথিৱীখন এৰাৰা দুখ— সহ্যাতীতভাৱে যন্ত্ৰণাময়। কিন্তু যন্ত্ৰণাই যদিও জীৱনৰ শেষ সীমা তথাপি মানুহ বাৰে বাৰে প্ৰেমত পৰে এই জীৱনৰ! কাৰণ জীৱন দুৰ্বাৰ ৰহস্যজনক ভাবে আকৰ্ষণীয়। প্ৰকৃততে আপুনি যদি ধাৰণ কৰিব পাৰে আকাশৰ উদাৰতা; ক্ষুদ্ৰ স্বাৰ্থৰ পৃথিৱীৰপৰা মূৰ তুলি চাব পাৰে; যদি যন্ত্ৰণাকো আঁচল মেলি আদৰিব পাৰে আপুনি হব পাৰিব জীৱনৰ চিৰন্তণ প্ৰেমিক। আহক জীৱনক ভালপাওঁ। কল্যাণময় চেতনাৰে অৰ্থবহ কৰো এই জীৱন! সামৰণিত কও— 'জীৱন সীমাৰ সিপাৰলৈ উৰি যোৱা এক পোহৰমুখী চৰাই' যন্ত্ৰণাৰ ধূমুহাত বিক্ষত নহয় যাৰ ডেউকা।



# বার্ষিক প্রতিবেদন

# ছাত্ৰ একতা সভাৰ সভাপতিৰ প্ৰতিবেদন....

প্ৰতিবেদনৰ প্ৰাক্‌ক্ষণত অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত যিসকল জাতীয় বীৰ শ্বহীদে প্ৰাণ আহুতি দিলে, সেইসকললৈ আন্তৰিক শ্ৰদ্ধা প্ৰণিপাত নিবেদিছোঁ। যিসকল মহান ব্যক্তিৰ প্ৰচেষ্টাত গোলাঘাট বাণিজ্য মহাবিদ্যালয়খনিয়ে অসমৰ শিক্ষাজগতত এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্ৰতিষ্ঠা লাভ কৰিলে সেইসকল মহান ব্যক্তিলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত নিবেদন কৰিলোঁ ।

পুৰণিৰ ক্ৰমবিকাশেৰে নতুনৰ অগ্ৰগতি । আমাৰ উপৰি পুৰুষে থৈ যোৱা জ্ঞানৰ জ্যোতি লৈ আমাৰ সমাজ আগবাঢ়িছে। আমাৰ কৃতকাৰ্যতাৰ মূলতে আছে উপৰিপুৰুষৰ আৰ্শীস প্ৰবক্তাসকলৰ অপ্ৰাণ চেষ্টা আৰু নিজৰ আহোপুৰুষাৰ্থ।আমাৰ কৃতকাৰ্যতাৰ প্ৰতিটো খোজতে এইসকলক স্মৰণ কৰিব লাগিব ।

২০১৮ চনতে দেৰগাঁও চহৰৰ পৰা গৈ গোলাঘাট বাণিজ্য মহাবিদ্যালয় ভূগোল বিভাগত নামভৰ্তি কৰাৰ দিনৰে পৰা আজি দিনটো পৰ্যন্ত এই কলেজখনৰ যেন মোহ এৰিব পৰা নাই। প্ৰথম অৱস্থাত বিভিন্ন কলেজসমূহত অনুষ্ঠিত হোৱা "college election" বোৰৰ কথা শুনি শুনি বিৰক্তিকৰ হৈছিলো। একপ্ৰকাৰে কবলৈ গ'লে মই এজন ছাত্ৰ ৰাজনীতিৰ বিৰোধী পন্থী আছিলোঁ । পিছত সময়ৰ ক্ৰমাগত ৰূপত নিজৰ চিন্তাধাৰাক সলনি কৰি অনুধাৱন কৰিব পৰা হৈছিলো যে, হয় এটা পদবী লাগে,মহাবিদ্যালয়খনিৰ সৰ্বাংগীন বিকাশৰ পৰিৱৰ্তন আনিবৰ বাবে আন সাধাৰণ ছাত্ৰতকৈ ১% মান বেছিকৈ হ'লেও এটা পদবী লাগে। মোক কোনো ব্যক্তিগত স্বাৰ্থসিদ্ধিৰ বাবে পদবী নালাগে, মই মাত্ৰ কিছুমান ক্লান্তি আনিব বিচাৰিছিলো। এই পদবীটো মোৰ বাবে এক দায়িত্ব। ক'ৰবাত পঢ়িবলৈ পাইছিলো, দায়িত্ব শব্দটো বিচিত্ৰ শব্দ, কাণ পাতি লোৱা জনৰ বাবে বৰকৈ গধুৰ আৰু কাণ এৰাজনৰ বাবে তেনেই পাতল আৰু সেই তেতিয়াৰ পৰাই মই সেই পাতল ব্যক্তিজন হোৱাৰ পৰা নিজকে আঁতৰাই ৰাখিছিলোঁ। আৰু সেইবাবেই হয়তো ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সভাপতি পদৰ বাবে প্ৰতিদ্বন্দিতা আগবঢ়াই জয়ী হোৱাৰ পিছত সেই দায়িত্ব একান্ত একাগ্ৰতাৰে সমাপন কৰিবলৈ চেষ্টা কৰিছিলোঁ ।

আমাৰ কাৰ্যভাৰৰ সময়ৰ কিছু চমু বিৱৰণ তলত যুগুত কৰা হৈছে -

উৎসৱ-পাৰ্বণ- প্ৰথম দায়িত্বভাৰ গ্ৰহণ কৰাৰ পিছতেই আমাৰ ছাত্ৰ একতা সভাই অনুষ্ঠিত কৰিছিল বিদ্যাদেৱী সৰস্বতী গোঁসানীৰ পূজা। এই পূজাৰ সুকীয়া মাত্ৰা দিবলৈ চেষ্টা কৰিছিলো আৰু আমি সেই মৰ্মেই "Plastic-Reduce, Reuse, Recycle"- 3R নীতিৰ অৱলম্বনেৰে প্লাষ্টিক বটলেৰে মণ্ডপৰ বাট সজাই তুলিছিলো। তাৰোপৰি মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা দিহানাম আৰু নাগাৰানাম প্ৰদৰ্শনৰো ব্যৱস্থা কৰিছিলোহঁক ।

**মহাবিদ্যালয় সপ্তাহ-** নতুনকৈ কাৰ্যভাৰ লোৱা আমিসৱৰ বাবে মহাবিদ্যালয় সপ্তাহ অতি কম দিনৰ ব্যৱধানত অনুষ্ঠিত কৰিবলগীয়া হোৱাত আমি অলপ শংকিত হৈও পৰিছিলো। কিদৰে সুকীয়া ৰূপে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিব পৰা যাব তাক লৈ। তথাপিও আস্থা হেৰুৱাটো আমাৰ কাম্য নাছিল। প্ৰতিবাৰে বহু অৰ্থ

ব্যয় কৰি মহাবিদ্যালয় সপ্তাহৰ চিঠিসমূহ কম মূল্যৰে নিৰ্মাণ কৰোৱাই ৰাহি ধনেৰে এক নতুন নতুন প্ৰতিযোগিতা অনুষ্ঠিত কৰিব পাৰি নেকি তাক লৈ চিন্তা কৰিছিলোঁ। সেই চিন্তাই যেন বাস্তৱায়িত হৈছিল, ঢোলবাদন প্ৰতিযোগিতা লগতে সাহিত্য বিভাগৰ বহু নতুন প্ৰতিযোগিতাসমূহ পাতিবলৈ সক্ষম হৈছিলোঁ। আমাৰ মহাবিদ্যালয়ত সাংস্কৃতিক আৰু সাহিত্য বিভাগৰ প্ৰতিযোগিতাসমূহত ছাত্ৰ ছাত্ৰীৰ যোগদান তেনেই তাকৰ হোৱা দেখা যায় যদিও আমাৰ বৰ্ষত গৰিষ্ঠ সংখ্যক ছাত্ৰ ছাত্ৰীৰ অংশগ্ৰহণৰ যোগেদি আমাৰ মহাবিদ্যালয় সপ্তাহ সাফল্যমণ্ডিত হৈছিল। বহু বছৰৰ পিছত পুনৰবাৰ সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত কৰিবলৈ জা-যোগাৰ চলাইছিলো যদিও সেইদিনা হঠাৎ ভাৰত বন্ধৰ ঘোষণা আহি পৰাত শোভাযাত্ৰাখনি স্থগিত ৰাখিব লগীয়া হৈছিল ।

**চাফাই অভিযান**- তথাকথিত ভাৱে ছাত্ৰ-ছাত্ৰীয়ে সকলোৱে কৈ আহিছে যে "Union Member" সমূহে কেৱল গোড়ামি প্ৰদৰ্শনৰে আনক আদেশ দিয়ে বিভিন্ন কামৰ বাবে। কিন্তু আমি এই কথাৰ বিপৰীতে গৈ আমাৰ তাগিদাতে দুটা দিনৰ মূৰে মূৰে চাফাই অভিযান চলালোহঁক। বিশেষকৈ মই ৬ বজাতেই ঘৰৰ পৰা কলেজলৈ বুলি ৰাওনা হৈছিলোঁ আৰু সোনকালেই কলেজত গৈ পায় হাতত পাঁচি, ঝাড়ু লৈ চাফাইত লাগি গৈছিলোঁ। য'তে-ত'তে প্লাষ্টিকসমূহ পেলালে অধ্যক্ষৰ পৰা শাস্তি বিহাৰো ব্যৱস্থা কৰাৰ চিন্তা কৰিছিলোঁহক। আমি সময়ে সময়ে আমাৰ মহাবিদ্যালয়ৰ NCC গোট আৰু NSS ৰ গোটৰ বিভিন্ন বহনক্ষম কাৰ্যপন্থাত সক্ৰিয় ভূমিকা লৈ আহিবলৈ তৎপৰ আছিলো।

দায়িত্বভাৰ গ্ৰহণৰ কিছুদিনৰ পিছতেই কৰ'ণা মহামাৰীৰ বাবে মহাবিদ্যালয়সমূহ বন্ধ হৈ যোৱাৰ বাবে আমি বিষয়ববীয়াসকলে ঘৰতে থাকি "জীৱন বচাও" নামৰ অভিযান হাতত লৈছিলোঁ। পাঁচদিনীয়া অভিযানত সম্পূৰ্ণ ক'ভিড বিধি মানি আমাৰ মহাবিদ্যালয়ত অধ্যয়নৰত কোনো ওচৰ-চুবুৰীয়া, ছাত্ৰ-ছাত্ৰীৰ ঘৰত কৰ'ণা সজাগতা কাৰ্যসূচী তথা বিনামূলীয়া মাস্ক আৰু চেনিটাইজাৰ বিতৰণ কৰিছিলোহঁক।

**উৎসাহ প্ৰদান**- আমাৰ মহাবিদ্যালয়ৰ কোনো ছাত্ৰ-ছাত্ৰীয়ে যদি কোনো ৰাজ্যিক, ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰখনত যিকোনো স্তৰত পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হৈছিল, তেওঁক আমি আমাৰ ছাত্ৰ-একতা সভাৰ কোঠাত আমন্ত্ৰণ কৰি আনি এক সৰু উপহাৰেৰে উৎসাহ যোগাইছিলোঁ। ইয়াৰ ভিতৰত, মানসী পাল, আইকণ মিলি, প্ৰস্তুতি শৰ্মা, ৰূপশিখা ডেকা, Dibrugarh University Inter College Boxing Competition ত ২-সোণ, ২-ৰূপ আৰু ১-ব্ৰঞ্জৰ পদক লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ কথা উনুকিয়াব পাৰি ।

**অনলাইন প্ৰতিযোগিতা**- দীপাৱলীৰ সময়চোৱাত আমাৰ ছাত্ৰ একতাসভাৰ এক অনবদ্য প্ৰকল্প আছিল "সেউজ দীপাৱলী বিপ্লৱ"ৰ আয়োজন কৰা। সেই মৰ্মে অনলাইনভাৱে আমি গোলাঘাট জিলা ভিত্তিত আন্তঃকলেজ অনলাইন ৰংগোলী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলোঁহক। গোলাঘাট জিলাৰ কেইবাখনো মহাবিদ্যালয়ৰ বিশেষকৈ ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। এই সেউজ বিপ্লৱত বহনক্ষম চিন্তাৰে অসমৰ বিভিন্ন প্ৰান্তৰ পৰা আমালৈ প্ৰেৰণ কৰা ফটোসমূহ সংলগ্ন কৰি আমি আমাৰ ফেচবুক Page ত প্ৰচাৰ আৰু সংৰক্ষণৰ ব্যৱস্থা কৰিছিলোহঁক।

**মহাবিদ্যালয়ৰ বিশেষ অনুষ্ঠান সমাপন**- মহাবিদ্যালয়ৰ বিশেষ অনুষ্ঠান বুলিলে প্ৰথমতে লেখত ল'ব লাগিব মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা দিৱস, যি আমাৰ বিষয়ববীয়াই নিয়াৰিকৈ পাতিবলৈ চেষ্টা কৰিছিল। তাৰোপৰি নৱাগত আদৰণি সভা, বিদায় সভা, বিভিন্ন দিৱসসমূহ, বহুকেইগৰাকী প্ৰবক্তাৰ বিদায় সভা ইত্যাদিবোৰো আমি নিয়াৰিকৈ পাতিবলৈ চেষ্টা কৰিছিলো।

**সমস্যা সমাধান**- আমাৰ দায়িত্বভাৰৰ সময়চোৱাত বিশেষকৈ সমাধান হোৱা বিষয়টো আছিল "ছাত্ৰী জিৰণি কোঠাৰ" সমস্যা আৰু "ছাত্ৰ নিৱাস"ৰ সমস্যা। ছাত্ৰী জিৰণি কোঠাৰ প্ৰস্ৰাৱগাৰ পুনৰ নিৰ্মাণ কৰোৱা হৈছিল আৰু জাননী জাৰি কৰা হৈছিল যে যদি কোনো ছাত্ৰীয়ে প্ৰস্ৰাৱগাৰ ব্যৱহাৰ কৰি পানীৰ ব্যৱহাৰ নকৰে কিম্বা পকীবেৰত প্ৰসাধনৰ বস্তুৰ লেপ লগায় তেন্তে জৰিমনা বাহাল কৰা হ'ব। তাৰোপৰি তিনিটা বছৰে বন্ধ হৈ থকা ছাত্ৰ নিবাস পুনৰ মুকলাই দিয়া হৈছিল। তাৰোপৰি পৰীক্ষাৰ সময়চোৱাত পৰীক্ষাৰ মাচুলসমূহ হ্ৰাসকৰণৰ সমস্যাটো আমি যথেষ্ট তৎপৰতাৰে সমাধান চেষ্টা কৰিছিলোঁ। তাৰোপৰি চুমিলা ৰংহাংপী, ধেমাজিৰ নন্দিতাৰ

দৰে ছাত্ৰী হত্যাৰ প্ৰতিবাদ তথা ছাত্ৰনেতা অনিমেয় ভূএগ্ৰাৰ গণহত্যা প্ৰতিবাদ স্বৰূপে অনলাইন প্ৰটেষ্টৰ যোগেদিও ক্লান্তি সৃষ্টিৰ চেষ্টা কৰিছিলোঁ। আমাৰ কাৰ্যকালৰ সময়ছোৱাত দুই তিনিজন অধ্যয়নৰত ছাত্ৰ দুৰ্ঘটনাত পতিত হোৱাৰ বাবে উন্নত চিকিৎসাৰ অৰ্থ সংগ্ৰহৰ দৰে কামতো আমি নিষ্ঠাৰে চেষ্টা কৰিছিলোঁ (তাৰ ভিতৰত অমৃত কামান নামৰ ছাত্ৰজনৰ নাম উল্লেখ কৰিব পাৰি)।

**তৎকালীন তথ্য প্ৰচাৰ আৰু সহযোগিতা স্থাপন-** সময়ে সময়ে মহাবিদ্যালয়ৰ যি জৰুৰী তথ্য কাৰ্যালয়ৰ পৰা প্ৰকাশ পাইছিল সেইসমূহ আৰু ছচিয়েল মেডিয়াৰ যোগেদি তৎকালীন প্ৰচাৰৰ ব্যৱস্থা কৰিছিলো,এই ক্ষেত্ৰত আমাৰ ফেচবুক পেজৰ ভূমিকা আছিল সুদূৰপ্ৰসাৰী। তাৰোপৰি বিভিন্ন বিভাগীয় চ'ৰা সমূহে অনুষ্ঠিত কৰা কাৰ্যসূচীবোৰৰ কথা ৰাজহুৱা প্ৰচাৰ তথা সম্পূৰ্ণ সহযোগিতাৰে কাৰ্যসূচীত ভাগ লৰলৈ আমি চেষ্টা কৰিছিলোঁ। ইয়াৰ ভিতৰত ভূগোল বিভাগ, জোনাকী চ'ৰা, হিন্দী বিভাগ, IQAC, মহিলা কোষৰ কাৰ্যপন্থা আদিৰ কথা ক'ব পাৰি। কেৱল সেয়াই নহয়, মহাবিদ্যালয়ৰ আওঁতাত নপৰা কিছু অনুষ্ঠানতো আমি ছাত্ৰ একতা সভাৰ সদস্যসকল উপস্থিত হৈ তেওঁলোকক সংগ দিছিলো। ইয়াৰ ভিতৰত সপোনৰ পৰিধি গোটৰ বাৰ্ষিক অনুষ্ঠানৰ কথা কৰ পাৰি।

**যুৱ মহোৎসৱ ২০২১-২২** - ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত নিজৰ কলেজৰ পতাকা নীল আকাশত উৰুওৱাৰ সৌভাগ্য হয়তো আমাৰ বাণিজ্যিয়ানৰ হৈছিল। যুব মহোৎসৱৰ প্ৰতিযোগিতাসমূহত আমাৰ ছাত্ৰ ছাত্ৰীসকলে কোনো স্থান পাবলৈ সক্ষম হোৱা নাছিল যদিও প্ৰায় চাৰিদিনীয়া মহোৎসৱৰ সময়চোৱাত আমাৰ প্ৰায় বাৰ-পোন্ধৰজনীয়া ছাত্ৰ-ছাত্ৰীৰ দলটোৱে যথেষ্ট অভিজ্ঞতা অৰ্জন কৰিছিল। বিশেষকৈ মই যুৱ মহোৎসৱৰ সময়ছোৱাত কলেজৰ পৰা সফলতাৰে ডিগ্ৰী লৈ ওলাই আহিছিলো যদিও যুৱ মহোৎসৱত সাধাৰণ সম্পাদকৰ লগত সমানেই আমাৰ মহাবিদ্যালয়খনিক শক্তিশালী প্ৰতিনিধিত্ব দিবলৈ চেষ্টা কৰিছিলোঁ। যুৱ মহোৎসৱত অনুষ্ঠিত হোৱা "সভাপতি-সাধাৰণ সম্পাদক" বৈঠকত উপস্থিত থাকি আমাৰ মহাবিদ্যালয়ত দেখা দিয়া সমস্যাসমূহ অৱগত কৰাৰ চেষ্টা কৰিছিলোঁ ।

**নিয়মৰ শৃংখলাবদ্ধতা-** বৰ্তমান যুৱ উশৃংখলতাই ছাত্ৰ সমাজত মুখ্য হেঙাৰস্বৰূপ হৈ উঠিছে। যাৰ বাবেই হয়তো ছচিয়েল মেডিয়াৰ অনৈতিক ব্যৱহাৰ দেখা পোৱা গৈছে বিশেষকৈ কলেজীয়া শিক্ষাৰ্থীৰ ক্ষেত্ৰত। সেইবাবেই আমাৰ কলেজীয়া ইউনিফ্ৰম পিন্ধি য'তে ত'তে ফুৰিবলৈ যোৱা বা নৈতিক পৰিৱেশৰ বাহিৰত গৈ ফটো, ভিডিঅ উঠি চছিয়েল মেডিয়াত পষ্ট কৰা, কলেজৰ ক্লাছ হৈ থকাৰ অৱস্থাত মনে মনে ফটো উঠি প্ৰচাৰ কৰা, কলেজৰ অফ টাইমত সময় অবাবত খৰচ কৰা তথা আমাৰ একতা সভাৰ কক্ষত অপ্ৰয়োজনীয় কাৰণত আহি বহি থকা, কলেজৰ যিকোনো অনুষ্ঠান পাতিলে কলেজ নহাকৈ থকা ইত্যাদি বিষয়বোৰ গুৰুত্বসহকাৰে লৈ আমাৰ একতা সভাই বিহিত ব্যৱস্থা লৰলৈ চেষ্টা কৰিছিলোঁ।

**Professional to Local** - প্ৰতিবছৰে দেখি অহা হৈছিল যে নৱাগত আদৰণি সভাতেই হওঁক বা বাৰ্ষিক ক্ৰীড়া মহোৎসৱৰ সামৰণি অনুষ্ঠানতেই হওঁক এজন বাহিৰৰ গায়ক মাতি বহুকেইপদ পইচা দি সংগীত অনুষ্ঠান কৰোৱা হয়। ছাত্ৰ-ছাত্ৰী সকলৰ মাজতো এনে এটা ঠাঁচ বহি গৈছে যে "Professional Singer" জন আহিলেহে সভাখন মনঃপোতঃ হ'ব। কিন্তু এই ধাৰণাৰ বিশেষকৈ মই পক্ষপাতি নহয়। এই সংগীত অনুষ্ঠানটিৰ বাবেই মূলসভা শেষ হোৱাৰ পিছত কলেজৰ ল'ৰা-ছোৱালীবোৰে মনে কৰিবলৈ বিচৰা অনুষ্ঠান বাধ্যত পৰি ৰখাই দিবলগীয়া হয়। মই নিজে এজন সংস্কৃতি সাধনা কৰি ভাল পোৱা ল'ৰা, গতিকে বুজি পাওঁ নিজে অধ্যয়নৰত মহাবিদ্যালয়খনিত নিজৰ প্ৰতিভা প্ৰকাশ কৰিবলৈ নাপালে মনত কিমান হতাশা জন্মে। সেইবাবেই হয়তো আমাৰ বৰ্ষৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ সামৰণি অনুষ্ঠানৰ বাবে আমি কোনো Professional Singer ক আমন্ত্ৰণ নকৰি কেৱল নিলগৰে HPB Girls' College ৰ ছাত্ৰী লোপামুদ্ৰা মহন্ত, আমাৰ সংগীত সম্পাদিকা চিমা তথা আমাৰ শিক্ষাগুৰু সিমান্ত হাজৰিকা ছাৰ আদিৰ যোগেদি সুন্দৰ সাংস্কৃতিক অনুষ্ঠান বাণিজ্যিয়ানক দিব পাৰিছিলোঁ। অৱশ্যে এই ক্ষেত্ৰত সকলোৱে Professional Singer এজন বিচৰাৰ বাবে মইও অধ্যক্ষ মহোদয়ৰ ওচৰলৈ Professional Singer আনিবলৈ অনুমতি বিচাৰি গৈছিলোঁ যদিও অনুমতি নাপায় মনতে এক প্ৰকাৰৰ আনন্দও পাইছিলোঁ।

**অবাস্তৱায়িত কিছু পৰিকল্পনা-** পৰিকল্পনাহীন সংগঠন টুলুঙা নাওৰ দৰে। গতিকে এই পৰিকল্পনা মজুত কৰিবলৈ মোৰ প্ৰায় দুটা বছৰেই লাগিছিল, মহাবিদ্যালয়খনিৰ সাংস্কৃতিক আৰু সাহিত্য ভেটি সৱল কৰাই হয়তো মোৰ প্ৰথম পৰিকল্পনা আছিল। নিৰ্বাচনী প্ৰচাৰ কাৰ্যসূচীত যিদৰে হয়তো কথাবোৰ কৈছিলো সেইসমূহৰ খটিয়ান মই দিবলৈ অপৰাগ। কৰলৈহে সহজ, ৩৬৫ দিনীয়া কাৰ্যকাল বুলি, ভিতৰৰ চোক কাণবোৰ বৰ জটিল, কেনেকৈনো সময়বোৰ যায় ক'বকে নোৱাৰি। নিৰ্বাচনত জয়ী হৈ আন বিষয়ববীয়াসকলৰ লগত নিজকে তথা একতা সভাক পৰিচালনা কৰা বৰ জটিল। বহুবোৰ কাম কৰিবলৈ মন আছিল যদিও দেখা যায় এটা সময়ত একতাসভাৰ ১৪ জন বিষয়াৰ মাত্ৰ দুই-এক বিষয়াৰ তাগিদাতহে কামবোৰ ৰৈ যায়। অপ্ৰিয় হ'লেও সত্য যে বহু কাম দলীয় আনুগত্যতাৰ বাবেই আধৰুৱা হৈ থাকি গ'ল। আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱ, এভাগি ভাওনা অনুষ্ঠিতকৰণ, সাহিত্যৰ কৰ্মশালা, প্ৰতিটো বিভাগৰ হাতে লিখা আলোচনী প্ৰতিযোগিতা লগতে বাৰ্ষিক ক্ৰীড়া সপ্তাহত 'শ্ৰেষ্ঠ বিভাগ' ৰ প্ৰতিযোগিতা পতা, ছাত্ৰ জিৰণি কোঠাৰ সমস্যা, NCC কোঠাৰ সমস্যা আদি ইত্যাদিবোৰ মোৰ বাবে, আমাৰ বাবে সপোন হৈ ৰ'ল। আমি আশা ৰাখিছো পৰৱৰ্তি কালৰ ছাত্ৰ একতা সভাই এইসমূহ বিষয়ত গুৰুত্বআৰোপ কৰি মহাবিদ্যালয়ৰ উন্নতি সাধন কৰিব।

**একান্তই ব্যক্তিগত ঃ-**

আগৰ বছৰৰ ছাত্ৰ একতা সভাই অমুকটো কৰিলে, তোমালোকৰ খনে তমুকটোহে কৰিলে - এনে বক্তব্য একেবাৰে অমূলক। কিয়নো কামৰ লাভ-লোকচান কৰিবলৈ বা ওজন জোখিবলৈ কোনো ছাত্ৰ একতাসভাৰ সদস্য নহয় যে পালাত জুখি কোনোবাই কাৰোবাৰ কৰ্ম লেখ দিব পাৰিব। পৰিস্থিতি প্ৰতি সময়তে ভিন্ন হয়। পূৰ্বতেও কৈছো, এৰছৰীয়া কাৰ্যকাল বুলি নামতহে কৰ পাৰি, কামবোৰ কৰিবলৈ আৰু যেন সময়ৰ প্ৰয়োজন। বহুতেই ভাৱে যে ছাত্ৰ একতা সভাৰ সদস্য হ'লো মানে কলেজৰ দুই একোঠালি কোঠাকে বনাই দিব পাৰিম বুলি, কিন্তু আমি এক অৰ্থও বেছিকৈ ক'তো খৰচ কৰিব নোৱাৰো। আমি মাত্ৰ হয়তো ১% হে অন্য ছাত্ৰতকৈ বেছি ক্ষমতাশালী হওঁ, বাকী সকলো তে সমত্ব আছে। আমি অমুকটো-তমুকটো বহুতো কৰিব পৰাটো একেবাৰে অসম্ভৱ কথা, সেই কথাত বিশ্বাস কৰাটো মোৰ মতে যুক্তিহীন।

সদৌ শেষত মই কৃতজ্ঞ সেইসকল বন্ধু, অনুজৰ ওচৰত যি নিৰ্বাচনৰ মনোনয়ন পত্ৰ দাখিলৰ পৰা শপত গ্ৰহণৰ সময় পৰ্যন্ত সকলো সময়ৰ সাহস হৈ থাকিল, মই কৃতজ্ঞ আমাৰ ছাত্ৰ একতাসভাৰ সকলো সদস্যৰ ওচৰত যিসকলে আমাৰ চিন্তা, সপোনক বাস্তৱায়িত কৰি তোলাত সহায় কৰিলে। মই কৃতজ্ঞ সমূহ NCC ৰ জোৱানৰ ওচৰত, মই কৃতজ্ঞ অধ্যক্ষ, আমাৰ ভূগোল বিভাগৰ শিক্ষাগুৰুকে প্ৰমুখ্য কৰি মহাবিদ্যালয়ৰ শিক্ষকবৃন্দৰ ওচৰত, মই কৃতজ্ঞ কেণ্টিনত থকা সেই সকল কেৰানিৰ পৰা অফিচ, পুথিভঁৰালৈকে থকা সকলো কৰ্মচাৰীৰ ওচৰত।

প্ৰান্তত মই পৰম সুখী, মই অন্ততঃ কৰ পাৰিম পিছৰ প্ৰজন্মক, "মই ছাত্ৰ একতা সভাৰ সদস্য, সেই বুলি ক'লা কোটটো পিন্ধি বুকু উফন্দাই থকাতকৈ কাম কৰাত হে বেছি উদ্যমী হ'লো।'

প্ৰান্তত...

নাহৰ পাত সৰি বাট ফুলাম কৰা সোণালী মহাবিদ্যালয়খনিক পাহৰিব নোৱাৰা মৰসাহে,

ছাত্ৰ একতা সভা-২০২১-২২ ৰ সভাপতি হিচাপে বিদায় মাগিছোঁ।

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়

জয় আই অসম

**— দিব্যজ্যোতি ৰাজখোৱা**

# উপ-সভাপতিৰ প্ৰতিবেদন

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যাপক প্ৰয়াত পোনাৰাম নেওগ চাৰৰ লগতে যিসকল মহান ব্যক্তিৰ ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত জ্ঞানৰ মন্দিৰ ঐতিহ্যমণ্ডিত 'গোলাঘাট বাণিজ্য মহাবিদ্যালয়'ৰ প্ৰতিষ্ঠা হ'ল, সেইসকল মহান ব্যক্তিলৈ প্ৰথমতে মই আন্তৰিক শ্ৰদ্ধা আৰু সেৱা জনাইছো। লগতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, মোৰ চিৰপূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকল তথা মোৰ অতিকৈ মৰমৰ, আদৰৰ সহপাঠীসকল, অগ্ৰজ-অনুজ আৰু ছাত্ৰ একতা সভাৰ মোৰ সমূহ সতীৰ্থলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়খনি হৈছে আমাৰ আৱেগ-অনুভূতিৰ জ্ঞানস্থলী আৰু প্ৰত্যেকজন বাণিজ্যিয়ানৰ স্বাভিমান। ২০১৮ চনৰ ২১ জুন তাৰিখে প্ৰথমবাৰৰ বাবে উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ ছাত্ৰী হিচাপে মহাবিদ্যালয়খনত মোৰ প্ৰথম খোজ দিছিলো, সেইদিনা আছিল বিশ্ব যোগ দিৱস। প্ৰথম দিনাই মহাবিদ্যালয়খনিত খোজ থৈ এই জ্ঞানৰ মন্দিৰখনিৰ প্ৰতি শ্ৰদ্ধা তথা আন্তৰিকতা বাঢ়িছিল। সেয়েহে প্ৰথম দিনটোৰ বহুতো মধুৰ আৰু সুন্দৰ-সুন্দৰ স্মৃতি ঘৰলৈ উভতাই নিবলৈ সক্ষম হৈছিলো। লাহে-লাহে মহাবিদ্যালয়খন আপোন হৈ পৰিছিল, ময়ো মহাবিদ্যালয়খনৰ পৰিয়ালৰ এগৰাকী সদস্য হ'বলৈ পাই অত্যন্ত সুখী হৈছিলো। মহাবিদ্যালয়ৰ প্ৰতিটো কামতে নিজকে জড়িত কৰিবলৈ যিমান পাৰো চেষ্টা কৰিছিলো, মহাবিদ্যালয়ৰ কাম কৰিবলৈ সঁচাকৈ বহুত ভাল লাগে। মই দ্বিতীয় বৰ্ষত থাকোতেই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্ত মহাবিদ্যালয় খো-খো প্ৰতিযোগিতাখনি ৪ আৰু ৫ নৱেম্বৰ তাৰিখে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হৈছিল। এই প্ৰতিযোগিতাখনত স্বেচ্ছাসেৱকৰ দায়িত্বত থাকিবলৈ পাই অত্যন্ত সুখী হৈছিলো, এই দিনকেইটাত বহুতো অভিজ্ঞতা পাইছিলো, যিবোৰে মোক ভৱিষ্যতে বহুত সহায় কৰিব।

মহাবিদ্যালয়খনিৰ প্ৰতি থকা অদম্য হেঁপাহ তথা মহাবিদ্যালয়খনিৰ প্ৰতি আগলৈ আৰু কাম কৰি যাবলৈ মই ২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত উপ-সভাপতিৰ পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলো। ৬ ফেব্ৰুৱাৰী তাৰিখে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি হিচাপে জয়ী হৈছিলো। মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে মোক উপ-সভাপতি হিচাপে নিৰ্বাচন কৰি মোৰ প্ৰতি দেখুওৱা মৰম-ভালপোৱাৰ বাবে সকলোকে

কৃতজ্ঞতা প্ৰকাশ কৰিলো। ১১ ফেব্ৰুৱাৰী তাৰিখে উপ-সভাপতি হিচাপে দায়িত্বভাৰ গ্ৰহণ কৰিছিলো আৰু মহাবিদ্যালয়খনৰ লগতে ছাত্ৰ-ছাত্ৰীসকলকৰ হকে কাম কৰি যোৱাৰ শপত গ্ৰহণ কৰিছিলো।

আমাৰ প্ৰথম কাৰ্যসূচী হিচাপে আমি অনুষ্ঠিত কৰিবলৈ পাইছিলো জ্ঞানৰ অধিষ্ঠাত্ৰী দেৱী সৰস্বতী পূজা, বহুত আটকধুনীয়াকৈ সৰস্বতী পূজাভাগ আমি সকলো বিষয়ববীয়াই অনুষ্ঠিত কৰিছিলো।

দ্বিতীয় কাৰ্যসূচী হিচাপে আমি অনুষ্ঠিত কৰিবলৈ পাইছিলো মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ ২০২১। ২৩ ফেব্ৰুৱাৰীৰ দিনা পতাকা উত্তোলন কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ সপ্তাহৰ আৰম্ভণি কৰা হৈছিল। প্ৰত্যেক দিনাই মই সকলো অনুষ্ঠানতে সকলো ছাত্ৰ একতা সভাৰ বিষয়ববীয়াক সহায় কৰিছিলো। ২৬ ফেব্ৰুৱাৰী তাৰিখে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহত 'মিষ্টাৰ কৰ্মাচ এণ্ড মিৰ্চ কৰ্মাচ, দৰা-কইনা প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰিছিলো। প্ৰথমবাৰৰ বাবে প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰি মই বহুতো কথা শিকিবলৈ পাইছিলো, মহাবিদ্যালয়খনৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে এই প্ৰতিযোগিতাখনত সহযোগিতা আগবঢ়াইছিল।

মাৰ্চ মাহৰ পৰা ক'ৰণা মহামাৰীৰ বাবে শ্ৰেণী কোঠাৰ পাঠদানৰ পৰা আমি দূৰত থাকিবলগা হৈছিল। ক'ৰণা মহামাৰীৰ বাবে আমি মানুহক সজাগ কৰিবৰ বাবে আমি সকলো ছাত্ৰ একতা সভাৰ সদস্য-সদস্যাই নিজৰ গাঁৱে-গাঁৱে মাস্ক, চেনিটাইজাৰ আদি বিতৰণ কৰি সকলোকে ক'ৰণা মহামাৰীৰ বাবে সজাগ কৰিছিলো।

১৫ আগষ্টৰ দিনা মহাবিদ্যালয়ত অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, শিক্ষক-শিক্ষয়িত্ৰীসকল, লগতে কৰ্মচাৰীবৃন্দসকল আৰু ছাত্ৰ একতা সভাৰ সদস্যসকল উপস্থিত থাকি পতাকা উত্তোলন কৰো। আৰু সন্ধিয়া যিসকল মহান মুক্তিযোদ্ধাৰ বাবে আমাৰ দেশখনে স্বাধীনতা লাভ কৰিছিল তেওঁলোকৰ বাবে বন্তি প্ৰজ্বলন কৰো।

৯ অক্টোবৰ তাৰিখে মহাবিদ্যালয়ৰ ৪৯ তম প্ৰতিষ্ঠা দিৱসটিত পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু বন্তি প্ৰজ্বলন আদি কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হৈছিল আৰু মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰাচীৰ পত্ৰিকা 'পানচৈ' উন্মোচন কৰা হৈছিল। এই প্ৰাচীৰ পত্ৰিকাখন উন্মোচন কৰাত যিমানখিনি পাৰিছিলো বিভাগীয় সম্পাদকক সহায় কৰিছিলো।

২০ নৱেম্বৰ তাৰিখে নৱাগত আদৰণি সভাখন অনুষ্ঠিত কৰা হৈছিল। নৱাগত সভাখন আমি আটক-ধুনীয়াকৈ আয়োজন কৰিবলৈ সক্ষম হৈছিলো। সভাৰ অন্তত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা নৃত্য-গীত আৰু সাংস্কৃতিক অনুষ্ঠান প্ৰদান কৰি সকলোকে আপ্লুত কৰিবলৈ চেষ্টা কৰিছিলো। এই সভাখনত মই সাধাৰণ সম্পাদকক সকলো ক্ষেত্ৰতে সহায় কৰি সভাখন সাফল্যমণ্ডিত কৰাৰ চেষ্টা কৰিছিলো।

দ্বীপন্বিতাৰ উপলক্ষে অনলাইন যোগে এখনি ৰংগোলী প্ৰতিযোগিতা অনুষ্ঠিত কৰিছিলো, এই প্ৰতিযোগিতাখনত বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল।

৭ ডিচেম্বৰ তাৰিখে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃমহাবিদ্যালয় কাবাডী প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ছাত্ৰী দলটি আৰু শ্ৰদ্ধাৰ সীমান্ত হাজৰিকা চাৰৰ লগত বৰহাটলৈ বুলি ৰাওনা হৈছিলা, তাত থকা চাৰিটা দিনত বহুতো নজনা কথা শিকিছিলো আৰু যথেষ্ট অভিজ্ঞতা হৈছিল। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰীসকলে বহুত সুন্দৰকৈ এই প্ৰতিযোগিতাখনত অংশগ্ৰহণ কৰিছিল। এই ক্ষেত্ৰত মোক সীমান্ত হাজৰিকা চাৰে বহুতখিনি সহায় কৰিছিল।

জানুৱাৰী মাহত ছাত্ৰ একতা সভা, ২০২২ ৰ নিৰ্বাচনখন হোৱা কথা আছিল যদিও জিলা উপায়ুক্তৰ নিৰ্দেশ মৰ্মে নিৰ্বাচনখন স্থগিত কৰা হৈছিল। সেইবাবে আৰু কেইমাহমান মহাবিদ্যালয়ৰ হকে কাম কৰাৰ সুযোগ লাভ কৰিছিলো। ২৪ জানুৱাৰীৰ পৰা মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ- ২০২২ অনুষ্ঠিত কৰা হৈছিল আৰু ২৫ তাৰিখে মই মিষ্টাৰ এণ্ড মিৰ্চ কৰ্মাচ দৰা-কইনা আৰু ফটোগ্ৰাফী প্ৰতিযোগিতাখনি অনুষ্ঠিত কৰিছিলো। দুবাৰকৈ এই

প্ৰতিযোগিতাখনি পাতিবলৈ পাই মই বহুতো অভিজ্ঞতা পাইছিলো। ৫ ফেব্ৰুৱাৰী তাৰিখে পুনৰবাৰৰ বাবে সৰস্বতী পূজাভাগ অনুষ্ঠিত কৰিবলৈ পাইছিলো, সৰস্বতী পূজাভাগ বহুত সুন্দৰকৈ পাতিবলৈ চেষ্টা কৰিছিলো আৰু সফলো হৈছিলো। ৩ এপ্ৰিলৰ পৰা অনুষ্ঠিত হোৱা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন্তঃ মহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ হৈ কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছিল। ৬ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত হোৱা সাংস্কৃতিক শোভাযাত্ৰাত অংশগ্ৰহণ কৰিবলৈ পাই অত্যন্ত সুখী হৈছিলো।

ছাত্ৰী জিৰণী কোঠাৰ উপদেষ্টা শ্ৰদ্ধাৰ জোনটি দুৱৰা বাইদেউৰ সহযোগত ছাত্ৰ জিৰণী কোঠাত প্ৰয়োজনীয় কিছুমান বস্তুৰ বাবে অধ্যক্ষ মহোদয়ক আবেদন জনাইছিলো আৰু তাৰ পিছতে ছাত্ৰী জিৰণী কোঠাত নতুন পৰ্দা, বাল্টি, মগ আদিৰ ব্যৱস্থা কৰিছিলো।

১৮ জুন তাৰিখে মহাবিদ্যালয়ৰ সমূহ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰ-ছাত্ৰী বিদায় সভাখনি মই অনুষ্ঠিত কৰিছিলো, তাত সকলোকে এখনি শুভেচ্ছা পত্ৰ আৰু কলম প্ৰদান কৰি তেওঁলোকক আনুষ্ঠানিকভাৱে বিদায় দি ভৱিষ্যতৰ শুভেচ্ছা দিছিলো।

২০২২-২৩ বৰ্ষৰ নামভৰ্তিৰ ক্ষেত্ৰতো যিমানখিনি পাৰিছিলো সকলোকে সহায় কৰিবলৈ চেষ্টা কৰিছিলো।

গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতি কৰিবলগীয়া বহুত সপোন বুকুৰ মাজত থাকিল। ক'ৰণা মহামাৰীৰ বাবে যিহেতু মহাবিদ্যালয় বহুত দিন বন্ধ হৈ পৰিছিল। তথাপিও এগৰাকী উপ-সভাপতি হিচাপে কৰিবলগা সকলো কাম নিষ্ঠা, সততা আৰু দায়িত্বৰে পালন কৰিবলৈ চেষ্টা কৰিছিলো। ছাত্ৰ একতা সভাত থাকি কিমানখিনি কৰিব পাৰিলো সেইয়া আপোনালোকে বিচাৰ কৰিব, কিন্তু কিমানদিন পাৰো মহাবিদ্যালয়ৰ হকে কাম কৰাত সদায় আগভাগ ল'ম। প্ৰায় ডেৰ বছৰৰ কাৰ্যকালত মোক সহায় কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্যে কৰি উপাধ্যক্ষ মহোদয়, সকলো শিক্ষাগুৰু, কৰ্মচাৰীবৃন্দ তথা সমূহ বাণিজ্যিয়ান, প্ৰাক্তন ছাত্ৰ একতা সভাৰ সদস্যসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। প্ৰত্যেকজন ছাত্ৰ একতা সভাৰ সদস্যাৰ সহায়-সহযোগিতা, দিহা-পৰামৰ্শ অবিহনে আমাৰ ছাত্ৰ একতা সভাখন কেতিয়াও আগুৱাই যাব নোৱাৰিলে হয়। শেষত কেতিয়াবা ভুলতে যদি কাৰোবাক আঘাত কৰিছিলো তাৰ বাবে মই ক্ষমাপ্ৰাৰ্থী।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয় ।।

।। জয়তু ছাত্ৰ একতা সভা ।।

**—শিল্পা দাম**

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

সুন্দৰে যে ফুলাৰ মন্ত্ৰ
অহোৰাত্ৰি মাতে
সেয়েহে আজি ইমান ফুল
প্ৰভাতে প্ৰভাতে

প্ৰতিবেদনৰ আৰম্ভণিতে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শ্ৰদ্ধাৰ প্ৰয়াত পুনাৰাম নেওগ তথা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰে পৰা ত্যাগ বলিদান তথা কৃচ্ছ্ৰতাৰ জৰিয়তে নিজৰ জীৱন উছৰ্গা কৰা প্ৰতিজন মহান ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছো। এই ব্যক্তি সকলৰ মহান ত্যাগ আৰু ঐকান্তিক প্ৰচেষ্টাৰ ফলত আজি গোলাঘাট জিলাৰ এখনি আগশাৰীৰ মানৱ সম্পদ গঢ়া কমাৰশাল ৰূপে গোলাঘাট বাণিজ্য মহাবিদ্যালয় চিহ্নিত হৈছে 'নতুন আহিছে, পুৰণি গৈছে' এই অহা যোৱা বাট সদায়ে জিলিকি আছে জ্যোতিষ্মান হৈ।

গোলাঘাট বাণিজ্য মহাবিদ্যালয় এক আবেগ, এক অনুভূতি প্ৰতিবেদন বাণিজ্যিয়ানৰ স্বভিমান মহাবিদ্যালয়খনিত নামভৰ্তি কৰা দিনৰে পৰা মহাবিদ্যালয়খনিৰ সৈতে এক আত্মিক সম্বন্ধ গঢ় লৈ উঠিছিল। সেই আত্মিকতা চিৰস্থায়ী মহাবিদ্যালয়খনিৰ প্ৰতি থকা মৰম ভালপোৱাৰ বাবে মহাবিদ্যালখনিৰ প্ৰতি এটা দায়িত্ববোধ অনুভৱ কৰিছিলো। এই দায়িত্ববোধেই কালক্ৰমত ছাত্ৰ একতা সভাৰ মজিয়াত থিয় দিবলৈ সাহস আৰু প্ৰেৰণা যোগাইছিল।

২০২১ বৰ্ষৰ ৬ ফেব্ৰুৱাৰী তাৰিখে বিপুল ভোটদানেৰে জয়যুক্ত কৰি ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ দৰে গুৰু দায়িত্বৰ মোক অৰ্পন কৰাৰ বাবে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী অনুজ অগ্ৰজ, ছাত্ৰ-ছাত্ৰীক মই এই ছেগতে কৃতজ্ঞতা আৰু শ্ৰদ্ধা জনাইছো লগতে অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত শিৰণত ক্ষমা প্ৰাৰ্থী। বিভিন্ন সময়ত ছাত্ৰ একতা সভাৰ সভাপতি তথা বিষয়ববীয়াৰ পূৰ্ণ সহযোগিতা লাভ কৰিবলৈ মই সক্ষম হৈছিলো। মহাবিদ্যালয়ৰ হকে নিজৰ কৰিবলগীয়াখিনিত কোনোদিনে অবহেলা কৰা নাছিলো। বিভিন্ন সময়ত বিভিন্ন সমস্যা সমাধানৰ মাজেৰে নিজকে ছাত্ৰ-ছাত্ৰীসকলৰ হকে সদায় প্ৰস্তুত কৰি ৰাখিছিলো। কাৰ্যকালৰ প্ৰতিটো সময়ত মহাবিদ্যালয়ৰ সন্মান নিয়মানুৱৰ্তিতা তথা উন্নতিৰ হকে কাম কৰি যাবলৈ চেষ্টা কৰিছিলোঁ। কিমান দূৰ সম্ভৱ হ'ব পাৰিলো হয়তো নাজানো কিন্তু সকলোৰে সহযোগ আৰু সমৰ্থনত মোৰ মনত ধনাত্মক ফলাফল প্ৰতিফলন ঘটে।

২৩ ফেব্ৰুৱাৰী পৰা ২৭ ফেব্ৰুৱাৰী ২০২১ লৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰিছিলো। প্ৰতিটো বিভাগত বিভিন্ন প্ৰতিযোগিতা তথা অনুষ্ঠানৰ মাজেৰে মহাবিদ্যালয় সপ্তাহ সাফল্যমণ্ডিত হোৱা বুলি মোৰ বিবেচনা হয়। মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত আছিল শ্ৰীযুত সঞ্জীৱ সন্দিকৈ (যুটীয়া সম্পাদক) অসম অলিম্পিক সন্থা, বিশিষ্ট অতিথি হিচাপে আছিল শ্ৰীযুত অভিৱৰ্তন গোস্বামী (মুখ্য সাংগঠনিক সম্পাদক) সদৌ অসম ছাত্ৰ সন্থা লগতে উপস্থিত আছিল শ্ৰীযুত শশধৰ গগৈ( কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য) সদৌ অসম ছাত্ৰ সন্থা, শ্ৰীযুত নিৰঞ্জন সোণোৱাল (সভাপতি), সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা, শ্ৰীযুত প্ৰিন্স দলে (সাধাৰণ সম্পাদক) সদৌ গোলাঘাট জিলা ছাত্ৰ সন্থা। তেখেত সকলৰ উপস্থিতিয়ে অনুষ্ঠানিক এক সুন্দৰ ৰূপ প্ৰদান কৰিছিল। মহাবিদ্যালয় সপ্তাহৰ সামৰণিত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী দ্বাৰা পৰিৱেশিত

সাংস্কৃতিক অনুষ্ঠানে সকলোকে মোহিত কৰিছিল।

বিগত দুটা বছৰীয়া কাৰ্যকালত ক'ভিড পৰিস্থিতিৰ বাবে মোৰ প্ৰথম বছৰৰ হাততলোৱা কাৰ্যসূচীবোৰ স্থগিত ৰাখিব লগীয়া হৈছিল। পৰিস্থিতি উপশম হোৱাৰ পাছত সাধাৰণ সম্পাদকৰ দায়িত্বভাৰ লৈ মই আগবাঢ়ি গৈছিলো।

মহাবিদ্যালয়ত নতুনকৈ নামভৰ্তি কৰিবলৈ অহা উচ্চতৰ মাধ্যমিক প্ৰথম বাৰ্ষিক তথা স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰ-ছাত্ৰীসকলৰ সুবিধাৰ্থে ১ চেপ্তেম্বৰ পৰা ১০ চেপ্তেম্বৰ ২০২১ লৈকে বিনামূলীয়া নামভৰ্তি সহায়ক কেন্দ্ৰ স্থাপন কৰি পাঁচ শতাধিক ছাত্ৰ-ছাত্ৰীৰ অনলাইন নামভৰ্তি প্ৰক্ৰিয়া সম্পন্ন কৰিবলৈ সক্ষম হৈছিলো। এই চেগতে নামভৰ্তি কেন্দ্ৰত ছাত্ৰ একতা সভাক সহযোগ আগবঢ়োৱা গোলাঘাট বাণিজ্য মহাবিদ্যালয় শাখা গোট ছাত্ৰ সন্থা তথা গোলাঘাট আঞ্চলিক ছাত্ৰ সন্থাক মই ছাত্ৰ একতা সভাৰ মজিয়াৰ পৰা ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছো।

২০ নৱেম্বৰ ২০২১ তাৰিখে এদিনীয়া কাৰ্যসূচীৰে আটকধুনীয়াকৈ আয়োজন কৰা হৈছিল নবাগত আদৰণি সভা। উক্ত সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত আছিল সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় সাধাৰণ সম্পাদক শ্ৰীযুত শংকৰজ্যোতি বৰুৱা। নিৰ্দিষ্ট বক্তা হিচাপে আছিল শ্ৰীযুত অপূৰ্ব বল্লভ গোস্বামী, জ্যেষ্ঠ সাংবাদিক গোলাঘাট। বিশিষ্ট অতিথি শ্ৰীযুত অভিৱৰ্তন গোস্বামী, মুখ্য সাংগঠনিক সম্পাদক, সদৌ অসম ছাত্ৰ সন্থা। লগতে উপস্থিত আছিল নিমন্ত্ৰিত অতিথি শ্ৰীযুত শশধৰ গগৈ, কেন্দ্ৰীয় কাৰ্যনিবাহক সদস্য (সদৌ অসম ছাত্ৰ সন্থা), শ্ৰীযুত নিৰঞ্জন সোণোৱাল, সভাপতি (সদৌ অসম ছাত্ৰ সন্থা, শ্ৰীযুত প্ৰিন্স দলে, সাধাৰণ সম্পাদক (সদৌ অসম ছাত্ৰ সন্থা)। তেখেতসকলৰ ব্যক্তিত্ব আৰু বহুমূলীয়া ভাষণে আমাক অনুপ্ৰাণিত কৰিছিল। সভাৰ শেষত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ দ্বাৰা নৃত্য-গীত প্ৰদৰ্শন কৰা হৈছিল।

১৪ জানুৱাৰী পৰা ২৮ জানুৱাৰী ২০২২ লৈ পুণৰবাৰৰ বাবে মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ অনুষ্ঠিত কৰিছিলো। উক্ত দিন কেইটাত ছাত্ৰ-ছাত্ৰী সকলে বিশেষ পাৰদৰ্শিতাৰে মহাবিদ্যালয় সপ্তাহত অংশগ্ৰহণ কৰে। ২৮ জানুৱাৰী তাৰিখে ক্ৰীড়া সপ্তাহৰ শেষৰ দিনটোত মুকলি সভা আৰু বঁটা বিতৰণি অনুষ্ঠান আয়োজন কৰা হৈছিল। সভাৰ শেষত বৰ্ণাঢ্য কাৰ্যসূচীৰে এক সাংস্কৃতিক অনুষ্ঠান আয়োজন কৰা হৈছিল।

কাৰ্যকালত বিভিন্ন অনুষ্ঠান যেনে আন্তঃমহাবিদ্যালয়ৰ যুৱ মহোৎসৱ সৰস্বতী পূজা ইত্যাদিত সফলতাৰে আগভাগ লৈছিল। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰতি কৰিবলগীয়া বহুতো সপোন বুকুৰ মাজত থাকিল। দায়িত্ব, কৰ্তব্য, নিষ্ঠা তথা মহাবিদ্যালয়খনৰ প্ৰতি থকা ভালপোৱাই হয়তো মোক নিজৰ কৰিবলগীয়াখিনিৰ বিষয়ে প্ৰতিটো মুহূৰ্তত অৱগত কৰাই গৈছিল। এজন সাধাৰণ সম্পাদক হিচাপেই নহয় এজন ছাত্ৰ হিচাপেও মহাবিদ্যালয় আৰু মহাবিদ্যালয়ৰ পৰিয়ালৰ প্ৰতি মোৰ আপোনভাৱবোৰ আগতেও আছিল তথা ভৱিষ্যতেও ৰ'ব।

সাধাৰণ সম্পাদক হিচাপে কিমান সফল সেইয়া আপোনালোকে বিচাৰ কৰিব। সদৌ শেষত মহাবিদ্যালয়ৰ শৈক্ষিক তথা অন্যান্য সকলো দিশৰ উন্নতিৰ কামনা তথা অজানিতে বৈ যোৱা ভুল ক্ৰটীৰ বাবে সকলোৰে আগত ক্ষমা প্ৰাৰ্থী হৈ সকলোলৈ পুনৰবাৰ মোৰ আন্তৰিক শ্ৰদ্ধা, কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

"উৰ্দ্ধমুখী যাত্ৰা আমাৰ
স্বপ্ন আকাশ চোৱাৰ"

জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা।

**—বাসৱ গগৈ**

# আলোচনী সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতেই সেইসকল ব্যক্তিক শ্ৰদ্ধাৰে সোঁৱৰিছোঁ যিসকল চিৰ নমস্য ব্যক্তিয়ে গোলাঘাট বাণিজ্য মহাবিদ্যালয় নামৰ বটবৃক্ষৰ পুলিটো ৰোপণ কৰিছিল। যিকেইজন পুৰোধা ব্যক্তিৰ ত্যাগ, কষ্টসহিষ্ণুতা, ঐকান্তিক প্ৰচেষ্টাৰ ফলত গোলাঘাটৰ জ্যোতি নগৰৰ দৰে সেইসময়ৰ পিছপৰা অঞ্চলত এটি উজ্জ্বল জ্যোতিষ্কৰ প্ৰতিষ্ঠা হ'ল। গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ইতিহাসত এই কথা জিলিকি আছে। প্ৰতিষ্ঠাৰ কালৰে পৰা বৰ্তমানলৈকে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ প্ৰগতিৰ ক্ষেত্ৰত সকলোৰে মহান দায়িত্ব আৰু বাণিজ্য মহাবিদ্যালয়খনিৰ প্ৰতি থকা আন্তৰিকতাৰ উমান পাব পাৰি। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ প্ৰয়াত পোনাৰাম নেওগ চাৰকে প্ৰমুখ্য কৰি শিক্ষক, কৰ্মচাৰী সকলোৰে অৰিহণা শলাগিবলগীয়া।

২০২১ বৰ্ষত হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত আশানুৰূপ ভাৱেই মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ আলোচনী সম্পাদক ৰূপে নিৰ্বাচিত হৈছিলো। মহাবিদ্যালয়ৰ অধ্যক্ষকে প্ৰমুখ্য কৰি মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকলক মোৰ প্ৰতি দেখুওৱা আন্তৰিকতা আৰু ভালপোৱাৰ বাবে কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

২০২১-২২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ভিতৰচ'ৰাৰ কথা ক'বলৈ গ'লে আৱেগিক হৈ পৰো। কাৰণ মই এনে কিছুমান সতীৰ্থক লগ পাইছিলো যিসকলে এটি পৰিয়ালৰ দৰেই মহাবিদ্যালয়ৰ যিকোনো অনুষ্ঠানতে মিলা-প্ৰীতিৰে দায়িত্বশীল মনোভাৱেৰে কাম কৰিছিল। সভাপতি, উপ-সভাপতি, সাধাৰণ সম্পাদককে কেন্দ্ৰ কৰি প্ৰতিজন সদস্যৰেই বন্ধুসুলভ মনোভাৱ আৰু প্ৰত্যেকেই ইজনে সিজনৰ প্ৰতি দেখুওৱা আন্তৰিকতা আৰু সহায়ে সকলোকে সকলোৰে বাবে প্ৰিয় কৰি তুলিছিল। ইমান ভাল সতীৰ্থ লগ পাই সঁচাকৈয়ে আপ্লুত হৈ পৰিছিলো। তোমালোক সকলোকে মোৰ আন্তৰিকতা আৰু মৰম যাঁচিলো।

দায়িত্ব গ্ৰহণ কৰিয়েই মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা ঠাইতে লিখা গল্প, কবিতা, ৰচনা, শ্লোগান, নীলা খামৰ চিঠি প্ৰতিযোগিতাত বহুতো প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰি সফলতা লাভ কৰিবলৈ সক্ষম হোৱা দেখা গৈছিল। ইয়াৰোপৰি কবিতা আবৃত্তি বিচাৰকৰ বাবে আমন্ত্ৰণ কৰি অনা হৈছিল সাহিত্য জগতৰ সৈতে যতি লেখিকা পাপৰি শইকীয়া বাইদেউক, তেখেতক এই জ্যোতিষ্মানৰ জৰিয়তেই কৃতজ্ঞতা প্ৰকাশ কৰিছোঁ।

সদৌ শেষত জ্যোতিষ্মানত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থী। মই আশাবাদী যে জ্যোতিষ্মানৰ এই ৪৯তম সংখ্যাটিয়ে সকলোকে সুখী কৰিব ।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয় ।।

।। জয়তু ছাত্ৰ একতা সভা ।।

।। জয়তু জ্যোতিষ্মান ।।

**— মৌচুম গগৈ**

# A report of the Debate and symposium circle Secretary's

Before forming a suitable application by using language and lucid words, I would like to extend my heartfelt gratitude to the founding principal of Golaghat commerce college, Late Punaram Neog as well as to those great people on whose diligence, selfless efforts, and sacrifices helps to establish the temple of wisdom, Golaghat Commerce college. Moreover, I also pay my heartfelt gratitude to our former principal Anup Kumar Das sir, vice president Paresh Saikia sir, present principal Dr. Utpal Sharma sir, Dr. Pradip Borthkur sir along with our departmental advisor professor Bhaskarjyoti Kakoti sir, Nadini Barua Madam and all the respected teachers and workers.

I am always grateful to the student of our college for trusting me and selecting me as the debate and symposium secretary of student union body 2021-22 without any opponent and giving me this huge responsibility.The help that I have received from my ex and present members of the student union body is a kind of blessing for me. I always remain a debtor towards the departmental advisor since they have helped me in every possible way to organize various programs.

I have not left any stone unturned to perform my duty sincerely after taking this huge responsibility. I have done my duty with great attention and honor in different time for instance—

1. A debate competition among the student on the occasion of annual sports day.
2. Extempore speech competition.
3. Quiz Competition.
4. Speech Competition

In this way, by organizing various programmes I have performed my duty. I am always responsible to maintain the honor of our college.I would like to beg pardon if I had made unconsciouly.

At last, with the hopes to maintain the honor of the college as well as the student union body we shall meet again in the upcomingin days.

**– Sneha Bakshi**

# সংগীত বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন

জয়জয়তে নমস্কাৰ গ্ৰহণ কৰিব। যিসকল নমস্য ব্যক্তিৰ অহোপুৰুষাৰ্থ চেষ্টা আৰু ত্যাগৰ বলত ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ জন্ম হ'ল সেইসকল ব্যক্তিলৈ মই আন্তৰিক শ্ৰদ্ধা নিবেদিছো।

২০২১-২২ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত সংগীত বিভাগৰ সম্পাদিকাৰ পদটিৰ বাবে উপযুক্ত বুলি বিবেচনা কৰি মোক মহাবিদ্যালয়ৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ সুযোগ দিয়া ছাত্ৰ-ছাত্ৰীসকললৈ মই আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সময় গতিশীল সঁচায়ে কেতিয়া এই মহাবিদ্যালয়ত আমাৰ কাৰ্যকাল আৰম্ভ হৈছিল আৰু কেনেকৈ এই দুটা বছৰ কাৰ্যকাল পাৰ হ'ল সকলোৰে লগত ধৰিবয়ে নোৱাৰিলো। ক'ভিড মহামাৰীয়ে জুৰুলা কৰা বছৰটোত আমাৰ কাৰ্যকালৰ যথেষ্ট সময় আমি তলাবন্ধৰ ববে ঘৰতে থাকিব থাকিবলগীয়া হৈছিল। আশা বহুত আছিল কিন্তু পৰিস্থিতিৰ বাবে সেয়া সম্ভৱ হৈ নুঠিল। তথাপিও কাৰ্যকালৰ দুটা বছৰ ধৰি মহাবিদ্যালয়ৰ সপ্তাহত সংগীতৰ প্ৰতিযোগিতা যেনে, ভূপেন্দ্ৰ সংগীত, জ্যোতি সংগীত, ৰাভা সংগীত, বিহু গীত। আধুনিক সংগীত, বিয়া নামৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰি অংশগ্ৰহণ কৰাৰ সুবিধা ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিছিলো।

মই মোৰ সামৰ্থ অনুযায়ী মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ সদায় প্ৰস্তুত হৈ আছিলো।

মোৰ কাৰ্যকালৰ আৰম্ভণিৰে পৰা শেষলৈকে মোক দিহা-পৰামৰ্শ তথা সহায়-সহযোগিতা আগবঢ়োৱা প্ৰত্যেকজন শিক্ষাগুৰুৰ ওচৰত মই চিৰ কৃতজ্ঞ।

শেষত, কাৰ্যকালত ৰৈ যোৱা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি, সংগীত জগত আৰু মহাবিদ্যালয়ৰ মংগল কামনাৰে মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছো।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয় ।।

।। জয়তু ছাত্ৰ একতা সভা ।।

—চিমা শইকীয়া

# A Report of Football and Cricket Secretary

At the very outset, I would like to thank all the students of Golaghat commerce college for giving me the opportunity and happiness to do my duty as football and cricket secretary of the student union of Golaghat commerce college for the session 2021-22 . I would like to thank our respected principal Dr. Utpal Sarma, and also the teachers of the college for their constant guidance given to me. I won the election and very happy to serve for my college . I wish to do the needful work for my college and help the student when they needed me. The important annual college week started and with the help of teachers and friends each and every competition was done properly. I would like to appreciate all the students who took part in the event. Lastly, I would like to apologize for any mistake during by tenure.

Long live Golaghat commerce college

**– Biplov kumar**

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে মই গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি উপাধ্যক্ষ মহোদয়, চিৰ পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভণ্টি, দাদা-বাইদেউ আৰু ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া আৰু বিভাগীয় উপদেষ্টা সকলোলৈকে আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

এখন মহাবিদ্যালয়ৰ সহস্ৰ ছাত্ৰ-ছাত্ৰীক প্ৰতিনিধিত্ব কৰাৰ সৌভাগ্য লাভ কৰিছিলো। সকলোৰে সহায়-সহযোগিতা, উৎসাহ, প্ৰেৰণা, উপদেশৰ মাজেৰে গোলাঘাট বাণিজ্য মহাবিদ্যালয়ৰ ২০২১-২২ বৰ্ষৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ পদত নিৰ্বাচিত হৈছিলো আৰু নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে নিজ কাৰ্যভাৰ গ্ৰহণ কৰিলোঁ। যদিও মোৰ ধাৰণাৰে বহুতো ক্ষেত্ৰত সফল হ'ব নোৱাৰিলো তথাপিও বিভিন্ন সময়ত বিভাগীয় কাৰ্যসূচীত সকলো ফালৰ পৰা সম্ভৱপৰ সহায়েৰে মোক কৃতাৰ্থ কৰা বিভাগীয় উপদেষ্টা অধ্যাপিকা জোনটি দুৱৰা বাইদেউৰে যিদৰে মোক প্ৰতিটো দিশত সহায়-সহযোগ আৰু সু-পৰামৰ্শ আগবঢ়ালে তাৰবাবে মই চিৰকৃতজ্ঞ। তদুপৰি বিভিন্ন সময়ত প্ৰাক্তন আৰু বৰ্তমানৰ ছাত্ৰ একতা সভাৰ বিষয়ববীয়াৰ লগতে প্ৰতি মুহূৰ্তত সহায় আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা, শ্ৰদ্ধাৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিভাগীয় কাৰ্যকালৰ কাৰ্যক্ৰমণিকাৰ ভিতৰত মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰাৰ লগতে নিজৰ বিভাগীয় সমস্যাসমূহ সমাধান কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ বাবে মই কি কৰিব পাৰিলো সেয়া আপোনালোকৰ বিচাৰ্য।

প্ৰতিবেদনৰ সামৰণিতে মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। লগতে মোৰ সহপাঠীসকলক আৰু শুভাকাংক্ষীসকলক মোৰ হিয়াভৰা মৰম আৰু শুভেচ্ছা যাচিলোঁ।

সদৌ শেষত এই মহাবিদ্যালয়খনিয়ে যেন নিজৰ ঐতিহ্যমণ্ডিত চানেকিৰে চিৰদিন জিলিকি থাকে, লগতে নৱ প্ৰজন্মৰ মাজত জ্ঞানৰ পোহৰ বিলাই এক আদৰ্শময় আৰু সুস্থ মানৰ সম্পদ গঢ়ি তোলাৰ দিশত অগ্ৰসৰ হৈ চিৰযুগমীয়া হৈ ৰয়, তাৰ শুভকামনাৰে—

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয় ।।

।। জয়তু ছাত্ৰ একতা সভা ।।

।। জয়তু জ্যোতিষ্মান।।

— **শান্তি গগৈ**

# ছাত্ৰ জিৰণি কোঠা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে আমাৰ মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত সমূহ ছাত্ৰ-ছাত্ৰীক সুবিধা তথা উপকাৰ কৰিলে তেওঁলোকক মই শ্ৰদ্ধাৰে সুঁৱৰিছো।

জয়জয়তে ঐতিহ্যমণ্ডিত গোলাঘাট বাণিজ্য মহাবিদ্যালয়ত মাননীয় অধ্যক্ষ মহোদয় প্ৰমুখ্যে উপাধ্যক্ষ মহোদয়, মোৰ চিৰ পূজনীয় শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু বন্ধু-বান্ধৱীৰ লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধা আৰু মৰম জনালো।

২০২১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচনত মই ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে প্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰি নিজ কাৰ্য সুকলমে পালন কৰাৰ প্ৰতিশ্ৰুতিৰে কাৰ্যভাৰ গ্ৰহণ কৰিছিলো আৰু সকলো কাৰ্য অসুবিধা নোহোৱাকৈ চলাই নিয়াত গুৰুত্বাৰোপ কৰিছিলো।

২০২১ বৰ্ষৰ মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ লগত সংগতি ৰাখি বিভিন্ন প্ৰতিযোগিতাৰ ভিতৰত Volley ball, Kabadi, Tug of war আদি বিভিন্ন প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰিবলৈ মই দায়িত্ব লৈছিলো আৰু সেই সমূহত মোক সহায় কৰা বাবে পৰশপ্ৰতিম শইকীয়া চাৰক বিশেষ ধন্যবাদ দিব বিচাৰো। তদুপৰি মোৰ কাৰ্যকালত সহায় আগবঢ়োৱা অধ্যাপক-অধ্যাপিকা, শ্ৰদ্ধাৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱীসকললৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

প্ৰতিবেদনৰ সামৰণিত মোৰ কাৰ্যকালত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

।। জয়তু গোলাঘাট বাণিজ্য মহাবিদ্যালয় ।।

।। জয়তু ছাত্ৰ একতা সভা ।।

**—নিতুল ফুকন**

# মহাবিদ্যালয়ৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল

কৃতিত্বৰে জ্যোতিষ্মান

আমাৰ স্বাভিমান

# বাৰ্ষিক ক্ৰীড়া সপ্তাহ- ২০২১

**আলোচনী সম্পাদকৰ শিতানত আয়োজিত**
**কবিতা আবৃত্তি প্ৰতিযোগিতাৰ ফলাফল**

১ম স্থান ঃ দিব্যজ্যোতি ৰাজখোৱা
২য় স্থান ঃ (ক) স্বৰ্ণাভ প্ৰিয়ম
(খ) অৰণ্যা গগৈ
৩য় স্থান ঃ স্নেহা বাগ্‌ছী

**শ্ল'গান ঃ**

মৌচুমী দে (বিচাৰকৰ বিশেষ বঁটা)

**ৰচনা ঃ**

১ম ঃ দিব্যজ্যোতি ৰাজখোৱা
২য ঃ জাফ্রিনা আহমেদ
৩ য় ঃ হেমন্ত কুমাৰ শইকীয়া

**থলীতে লিখা সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ**

(দুয়োটা শিতানত ১ ম, ২য়, ৩য় বিবেচিত কৰিব পৰা নগ'ল)
নীলা খামৰ চিঠি ঃ বিচাৰকৰ বিশেষ উদ্‌গণিমূলক বঁটা

(১) সুভাঙ্গনা দেৱী
(২) দিব্যজ্যোতি ৰাজখোৱা

**কবিতা ঃ বিচাৰকৰ বিশেষ উদ্‌গণিমূলক বঁটা**

(১) দিব্যজ্যোতি ৰাজখোৱা
(২) প্ৰস্তুতি শৰ্মা

**প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাৰ ফলাফল ঃ**

**সম্পাদকীয় ঃ**

১ম ঃ ভূগোল বিভাগ
২য ঃ ইংৰাজী বিভাগ
৩ য় ঃ অসমীয়া আৰু বেংকিং (যুটীয়াভাৱে)

**প্ৰবন্ধ ঃ**

১ম ঃ দ্বীপ ঘোষ (Dept. of Accountancy)
পম্পী গগৈ (Dept. of History)
২য় ঃ ধ্ৰুৱজ্যোতি শইকীয়া (Dept. of Pol. Science)
সৌৰভ শইকীয়া (Dept. of Economics)
৩ য় ঃ ইক্ৰামূল হুচেইন (Dept. of Geography)
দীপা দে' (Dept. of HRM)

**গল্প ঃ**

১ম ঃ Breaking Barriers (Dept. of English)
২য় ঃ স্বৰ্ণাভ প্ৰিয়ম (Dept. of Assamese)
৩ য় ঃ দিব্যজ্যোতি ৰাজখোৱা (Dept. of Geography)

**কবিতা ঃ**

১ম ঃ হিমাংশু ডৰিগ (Dept. of English)
পৰিস্মিতা গগৈ (Dept. of Assamese)
২য় ঃ অনুজ বসুমতাৰী (Dept. of Economics)
নীলম চাহু (Dept. of Economics)
৩য় ঃ প্ৰিয়া কাশ্যপ (Dept. of Hindi)

**গ্ৰন্থ সমালোচনা ঃ**

১ম ঃ আৰিফা বেগম (Dept. of Assamese)

**হস্তাক্ষৰ ঃ**

১ম ঃ Dept. of Banking
২য় ঃ Dept. of English
৩য় ঃ Dept. of Geography

**অলংকৰণ ঃ**

১ম ঃ Dept. of Geography
২য় ঃ Dept. of Pol. Science
৩য় ঃ Dept. of Mathematics
Dept. of Marketing

**বেটুপাত ঃ**

১ম ঃ Dept. of Geography
২য় ঃ Dept. of Assamese
৩য় ঃ Dept. of English
Dept. of Hindi

**শ্ৰেষ্ঠ প্ৰাচীৰ পত্ৰিকা ঃ**

১ম ঃ Dept. of Geography
২য় ঃ Dept. of Assamese
৩য় ঃ Dept. of English

থলীতে লিখা গল্প প্ৰতিযোগিতাত গল্পসমূহ সম্পূৰ্ণ নোহোৱাৰ লগতে গল্পৰ থাকিবলগা বৈশিষ্ট্যসমূহ প্ৰতিফলিত নহ'ল। গতিকে গল্পসমূহ পুৰস্কাৰৰ বাবে বিবেচনা কৰিব পৰা নগ'ল যদিও ছাত্ৰ-ছাত্ৰীসকলক অনুপ্ৰেৰণাৰ উদ্দেশ্যেৰে তিনিটি গল্পক বিচাৰকৰ বিশেষ বঁটা হিচাপে অনুপ্ৰেৰণামূলক পুৰস্কাৰ প্ৰদান কৰা হ'ল।

(১) দিব্যজ্যোতি ৰাজখোৱা
(২) তাৱাচুম নাছৰিন
(৩) মৌচুমী দে

# মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা ২০২১-২২



দিব্যজ্যোতি ৰাজখোৱা
সভাপতি



শিল্পা দাম
উপ- সভাপতি



বাসৰ গগৈ
সাধাৰণ সম্পাদক



অংকুমণি বৰা
সহকাৰী সাধাৰণ সম্পাদক



মৌচুম গগৈ
আলোচনী সম্পাদক



স্নেহা বক্সি
তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদক



নয়ণ পেগু
সাংস্কৃতিক সম্পাদক



বিপ্লৱ কুমাৰ
ক্ৰিকেট আৰু ফুটবল সম্পাদক



নীলাঞ্জন সিংহ
গুৰু ক্ৰীড়া সম্পাদক



জুবিন বৰা
আভ্যন্তৰীণ আৰু লঘু ক্ৰীড়া সম্পাদক



ৰূপশিখা ডেকা
সমাজসেৱা সম্পাদক



চিমা শইকীয়া
সংগীত সম্পাদক



নিতুল ফুকন
ছাত্ৰ জিৰণি কোঠা সম্পাদক



শান্তি গগৈ
ছাত্ৰী জিৰণি কোঠা সম্পাদক

# মহাবিদ্যালয় গৌৰৱ



ৰূপশিখা ডেকা
৭২ তম গণতন্ত্ৰ দিৱসত
অংশগ্ৰহণকাৰী, দিল্লী



অভিষেক বৰদলৈ
৭২ তম গণতন্ত্ৰ দিৱসত
অংশগ্ৰহণকাৰী, দিল্লী



ৰাহুল বৰা
৭২ তম গণতন্ত্ৰ দিৱসত
অংশগ্ৰহণকাৰী, দিল্লী



দিব্যজ্যোতি ৰাজখোৱা
অসম বুক অফ ৰেকৰ্ড,
ইণ্ডিয়া বুক অফ ৰেকৰ্ড আৰু আমেৰিকা
বুক অফ ৰেকৰ্ডত নাম সন্নিবিষ্ট কৰিবলৈ
সক্ষম হোৱা মহাবিদ্যালয়ৰ ছাত্ৰ ।



ঈশা কুমাৰী গুপ্তা আৰু
নিৰঞ্জন শইকীয়া
শ্ৰেষ্ঠ খেলুৱৈ



আইকণ মিলি
৫ তম ৰাষ্ট্ৰীয় পুৰুষ/মহিলা বক্সিং
প্ৰতিযোগিতাত তৃতীয় পুৰস্কাৰ
প্ৰাপ্ত মহাবিদ্যালয়ৰ ছাত্ৰী





মহাবিদ্যালয়ৰ
NCC দ'ল



ৰূপমজ্যোতি কলিতা
শ্ৰেষ্ঠ গায়ক



অভিজিৎ হাজৰিকা
মিষ্টাৰ বাণিজ্যিয়ান- ২০২১



ইজিপ্তা বৰুৱা
মিছ বাণিজ্যিয়ান- ২০২১



ফুংখা মুচাহাৰী আৰু ৰিম্পী শইকীয়া
মিষ্টাৰ/মিছ বাণিজ্যিয়ান- ২০২২

# ৰোমন্থন ২০২১-২২























চণ্ডিকা বল্লভ দেৱগোস্বামী স্মৃতি তোৰণ
গোলাঘাট বাণিজ্য মহাবিদ্যালয়


গোলাঘাট বাণিজ্য মহাবিদ্যালয়
যোগেশ্বৰ দত্ত সোঁৱৰণী বাটচৰা